
# কাৰাটে আৰু বৰ্তমান অৱস্থাত ইয়াৰ প্ৰয়োজনীয়তা



শ্ৰীস্যমন্ত কাকতি
*স্নাতক ৩য় বৰ্ষ*

কাৰাটে (Karate) মানে হৈছে খালি হাত। অৰ্থাৎ কাৰাটে খালি হাতৰ সমৰ কলা, এবিধ সুন্দৰ কলা। সমৰ কলাৰ জন্ম জীৱ জগতৰ আদিম অৱস্থাৰপৰাই। জীৱ শ্ৰেষ্ঠ মানুহে নিজকে ৰক্ষা কৰিবৰ বাবে আদিম যুগৰ পৰাই আত্মৰক্ষাৰ বিভিন্ন উপায় অৱলম্বন কৰি আহিছে। কাৰাটেও তেনে এক কলা। আৰু সেই কাৰাটে বৰ্তমান আন্তঃৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত এটা খেল আৰু আত্মৰক্ষাৰ এক কৌশল। আন্তঃৰাষ্ট্ৰীয় অলিম্পিক সন্থাই সত্তৰ দশকৰ মাজ ভাগতেই কাৰাটেক খেল হিচাপে স্বীকৃতি দিছে।

কাৰাটে বুলিলে চীনদেশ আৰু জাপানৰ কথাই আহে যদিও আচৰিত হবৰ কথা যে এই সমৰ কলা বিধৰ জন্মভূমি ভাৰতবৰ্ষ। পঞ্চম খ্ৰীষ্টাব্দৰ পৰাই কাৰাটেৰ প্ৰচলন থকাৰ কথা প্ৰমাণ পোৱা যায়। আত্মৰক্ষাৰ এইবিধ কৌশল বৌদ্ধ ধৰ্মই ভাৰতৰপৰা চীনদেশলৈ লৈ যায়।

কাৰাটেৰ ওপৰত সৰ্বসাধাৰণ মানুহৰ কিছুমান ভুল ধাৰণা আছে। যেনে- কাৰাটে জনা মানুহজন উগ্ৰ প্ৰকৃতিৰ হয়। কাৰাটিয়ান এজন দেখিবলৈ কেটেঙা হবই, তেওঁ বহু অলৌকিক কাণ্ড কাৰখানা ঘটাব পাৰে ইত্যাদি ইত্যাদি। আচলতে কাৰাটিনো কি এই বিষয়ে BOBBY LOWE (5th dan) নামৰ কাৰাটে প্ৰশিক্ষক গৰাকীৰ মন্তব্য খিনি যথেষ্ট সহায় হব।

১) কাৰাটেত গভীৰ মনোযোগৰ দৰ্কাৰ আৰু ই ভয় মানসিক, শাৰীৰিক আৰু আধ্যাত্মিক উন্নতিত সহায় কৰে।

২) শৰীৰৰ সুস্থতাৰ ক্ষেত্ৰত কাৰাটে হল চমকপ্ৰদ আৰু স্বাস্থ্যসন্মত পদ্ধতি, কাৰণ ইয়াৰ অভ্যাসৰ ফলত বাহু, হাত ভৰিৰ লগতে শৰীৰৰ সকলো অংশৰেই ব্যায়াম হয়।

৩) ই আত্মবিশ্বাস বঢ়ায় আৰু নিজৰ স্থিতি দৃঢ় কৰে।

৪) কাৰাটে হৈছে অস্ত্ৰ-শস্ত্ৰ নোহোৱাকৈ আত্মৰক্ষা কৰাৰ প্ৰামানিক আৰু নিৰ্ভৰ যোগ্য পদ্ধতি।

৫) প্ৰতিজন ব্যক্তিয়ে নিজৰ সীমাবদ্ধ শাৰীৰিক সক্ষমতাৰ ভিতৰতে ইয়াক অভ্যাস তথা আয়ত্ব কৰিব পাৰে।

৬) কাৰাটেৰ পদ্ধতিবোৰ দ্বিতীয় এজন ব্যক্তিৰ সহায় নোলোৱাকৈয়ো শিকিব পাৰি আৰু ইয়াৰ অনুশীলন কৰিবলৈ বহুত ঠাইৰো দৰ্কাৰ নহয়। কৰলৈ গলে নিজৰ শোৱা কোঠা নাইবা গেৰেজটোৰেই ইয়াৰ বাবে যথেষ্ট।

৭) আন্তৰিকতা থাকিলে তুলনামূলকভাৱে কম সময়ৰ ভিতৰতে কাৰাটেত দক্ষতা লাভ কৰা সম্ভৱ হয়।

Karate master Masu tatsu Oyama (8 th dan, founder and chairman of the Japan karate Do kyokushinkai) ১৯৫২ চনত জাপানৰ এই সমৰ কলাৰ লগত আমেৰিকা তথা বহিঃবিশ্বক পোন প্ৰথমে পৰিচয় কৰাই দিছিল। তেখেতে প্ৰতিষ্ঠা কৰা কাৰাটে প্ৰশিক্ষণ কেন্দ্ৰৰ (KYOKUSHINKAI) প্ৰত্যেকজন ছাত্ৰই প্ৰশিক্ষণৰ অন্তত কৰা প্ৰতিজ্ঞা তথা শপত বাক্যই ইয়াৰ উদ্দেশ্য আৰু লক্ষ্য কি হোৱা উচিত ভালকৈ বুজাই দিয়ে।

১) আমি ইজনে সিজনৰ আধ্যাত্মিক, বৌদ্ধিক আৰু শাৰীৰিক উন্নতি সাধনত নিজকে উৎসৰ্গিত কৰিম।

২) আমি আমাৰ গুৰুৰে দিয়া শিকনিৰ প্ৰতি সদায়

জাগ্রত থাকিম। সহনশীলতাৰে আৰু ধৈৰ্যৰে যিকোনো বাধা বিপত্তিৰেই সন্মুখীন হ'ম-- যিবোৰ আমাৰ লক্ষ্য প্ৰাপ্তিৰ পথত হেঙাৰ স্বৰূপ হয়।

৩) আমি আনৰ প্ৰতি ব্যৱহাৰত সহজ হ'ম। আৰু এই ক্ষেত্ৰত নম্ৰতা সদায় মনত ৰাখিম।

৪) উচ্চ-নীচ, বন্ধু-শত্ৰু সকলোৰে প্ৰতি আমি সন্মান বজাই ৰাখিম।

৫) সকলো অবাঞ্চিত কাৰ্য্যৰপৰা আঁতৰত থাকিম আৰু যেতিয়া আত্মৰক্ষাৰ অইন সকলো উপায় ব্যৰ্থ হব তেতিয়াহে এই কলাৰ প্ৰয়োগ কৰিম।

৬) ওপৰৰ শিকনিৰ জৰিয়তে আমি প্ৰত্যেকে একোজন ভাল নাগৰিক আৰু প্ৰকৃত অৰ্থত ভদ্ৰলোক হবলৈ সততে চেষ্টা কৰিম।

এই কলাই আজিৰ বিশ্বৰ প্ৰতিখন দেশতেই কম বেছি পৰিমাণে জনপ্ৰিয়তা লাভ কৰিছে। আমাৰ অসমৰো নতুন প্ৰজন্মক এই কলাই আকৰ্ষণ কৰিছে। এই সমৰ কলা প্ৰকৃততে দুৰ্বলীৰ ওপৰত অত্যাচাৰ বা মাৰপিটৰ মাধ্যম নহয়। এজন সুস্থ্য আৰু প্ৰকৃত শিকাৰুক, ইয়াৰ অনুশীলনে কৰি তোলে নম্ৰ, সহনশীল, বিনয়ী আত্মিক আৰু বৌদ্ধিকভাৱে সাধাৰণ উৰ্ধত। এই কাৰাটেৰ প্ৰতি একাগ্ৰতা, মানসিক দৃঢ়তা, শিকাৰ প্ৰতি অদম্য আগ্ৰহ আৰু লক্ষ্যৰ প্ৰতি প্ৰৱল স্পৃহা নেথাকিলে কেতিয়াও শিকিবনোৱাৰি। আৰু এই গুণবিলাকৰ অভাৱ হলে শিকাৰু এজনে আধাতে এৰি পেলাই অল্পবিদ্যা ভয়ঙ্কৰীৰ দৰেই তেনে ছাত্ৰই সমাজত এই কলাৰ প্ৰতি বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে।

কাৰাটে প্ৰশিক্ষণত বিশেষকৈ পাঁচটা কথাত গুৰুত্ব দিয়া হয়। সেই কেইটা হ'ল ব্যায়াম (Exercise), হাত ভৰিৰ চালনা (Kick & Punch) আক্ৰমণৰ কৌশল (Kata) যুজ (Sparring) আৰু আক্ৰমণৰ চিৎকাৰ (Kiai)

আজিৰ বৰ্তমান যুৱ সমাজলৈ স্বাৰ্থজড়িত আৰু ৰাষ্ট্ৰবিৰোধী ব্যক্তিৰ দ্বাৰা যি কলাত্মক সমৰূপী ৰাগিয়াল দ্ৰব্য, ড্ৰাগছ আদিৰ আমদানি হৈছে তাৰপৰা আমি যুৱ সমাজক বচাব লাগিব। এইবিলাকৰ পৰা বাচিবলৈ একমাত্ৰ উপায় হ'ল ব্যায়াম কৰা। কিয়নো কাৰাটে ব্যায়াম কৰা মানুহ এজনে কেতিয়াও ৰাগিয়াল বস্তু সেৱন কৰিব নোৱাৰে। তেওঁ সদায় এই ৰাগিয়াল বস্তুৰপৰা দূৰত থাকিব লগা হয়। ব্যায়াম কৰাৰ ফলত মানুহৰ মনলৈ দৃঢ়তা আহে আৰু আত্ম বিশ্বাস বঢ়ায়। যেতিয়া এজন মানুহৰ মনত আত্মবিশ্বাস থাকে তেতিয়া তেওঁ যি কোনো কাম কৰিবলৈ আগুৱাই যাব পাৰে। কোনো এজন মানুহে ৰাগিয়াল বস্তু কেতিয়া খায় যেতিয়া তেওঁৰ মনলৈ হতাশা আহে, মন ভাগি যায়, কৰিবলৈ বিশেষ কাম বিচাৰি নাপায়, নানা ধৰণৰ চিন্তা মনলৈ আহি থাকে কিন্তু তাক দূৰ কৰাৰ একো উপায় নাথাকে। কিন্তু এজন কাৰাটে জনা মানুহৰ মনলৈ এইবোৰ নাহে। কাৰণ কাৰাটে জনা মানুহৰ মনত আত্মবিশ্বাস থাকে। সদায় ব্যায়াম কৰাৰ ফলত স্বাস্থ্য ভালে থাকে আৰু নিৰ্দিষ্ট কামত ব্যস্ত থকাৰ ফলত জীৱনৰ সকলো কাম নিয়াৰিকৈ সজাই লৈ তাক এফালৰপৰা কৰি যাবলৈ শিকে।

বৰ্তমান পৰিস্থিতিত ছোৱালীৰ কাৰণে কাৰাটে বৰ বেছি প্ৰয়োজনীয় হৈ পৰিছে। কিয়নো আজিৰ দিনত ৰাস্তা, বাছ, দোকান, থিয়েটাৰ, চিনেমা আদিত নানা ধৰণৰ অপকৰ্ম সংঘটিত হোৱা দেখা যায়। আজি কালি এজনী ছোৱালী অকলে বজাৰসমাৰ কৰা, অকলে কেনিবা যাব লগা হলে, ভাওঁনা, নাটক আদি চাবলৈ গলে আনকি কিছুমান ঠাইত অকলে ঘৰৰ ভিতৰত থকাটোও বৰ বিপদজনক হৈ পৰিছে। ল'ৰা নাথাকিলে ছোৱালী জীৱনটোৰ কোনো নিশ্চয়তা নথকাৰ দৰে হৈ পৰিছে। কিন্তু কাৰাটে জনা ছোৱালীৰ কাৰণে এইবোৰ কোনো সমস্যা নহয়। এই বিপদ বিলাকৰপৰা অতি সহজে হাত সাৰিব পাৰে। কিয়নো Karate brings discipline in one's life and it also concentration to face any challenge in life.

আজি উচ্চ শিক্ষাৰ কেন্দ্ৰ বিলাকত ৰেগিং নামৰ যি ভয়াৱহ ব্যাধিয়ে দেখা দিছে তাক নকলেওঁ হব। ৰেগিঙৰ ফলত মাৰ খাই বহু ল'ৰা-ছোৱালী কলেজ হোষ্টেল এৰি ঘৰলৈ আহিব লগা অৱস্থা হৈছে। আৰু কিছুমানৰ অত্যাধিক শাৰীৰিক অত্যাচাৰৰ ফলত মৃত্যু পৰ্য্যন্ত হৈছে ই বৰ দুখৰ কথা। এজন ভাল কাৰাটে জনা লোকে এইবোৰৰপৰা নিজক বচাবলৈ অতি সহজ। কিয়নো Karate is rightly called the art of self defence. It has got its significance, It develops mental, physical, social

attitudes or the powers of an individual. এজন প্ৰকৃত শিকাৰুৰ তেওঁ যি বজ্ৰমুঠি (Punch) তাৰ গতি বেগ প্ৰতি মিনিটত ১০০ কিঃ মিঃ আৰু সেই সময়ত ইয়াৰ ওজন হয় ৭০০ কিঃ গ্ৰাম। উচিত প্ৰশিক্ষণৰ দ্বাৰা প্ৰশিক্ষিত ব্যক্তিজনে সদায় খং বা আবেগ চন্তালিব লগীয়া হয়। কিয়নো তেওঁ শিকা বিদ্যাৰে যদি কাৰোবাক আঘাত কৰে তেন্তে বিপক্ষৰ ভীষণ ক্ষতি হোৱাৰ সম্ভৱনা।

পুৰুষ মহিলা উভয়ৰে দেহৰ সুন্দৰ গঠন, ব্যক্তিত্ব আৰু কামত খৰ গতি আদিয়ে আনক পলকতে আকৰ্ষিত কৰা শাৰীৰিক সৌন্দৰ্যৰ লগতে সুন্দৰ ব্যৱহাৰ, চাল-চলনে উভয় পক্ষৰ বয়সৰ আঁত লুকুৱাই ৰাখে। এনে ধৰণৰ বিশেষ গুণ আহৰণ কৰিবলৈ নিজৰ চেষ্টা আৰু একান্ত সাধনাৰ প্ৰয়োজন। শৰীৰৰ সুস্থতাৰ ক্ষেত্ৰত কাৰাটে হ'ল চমকপ্ৰদ অৰু স্বাস্থ্য-সন্মত পদ্ধতি। কাৰণ ইয়াৰ অভ্যাসৰ ফলত বাহু, হাত, ভৰিৰ লগতে শৰীৰৰ সকলো অংশৰেই ব্যায়াম হয়। এই ব্যায়ামে দেহৰ অংগ-প্ৰত্যংগৰ সঞ্চালন বঢ়ায় আৰু তেজৰ গতি বঢ়াই দেহটো সুস্থ আৰু সবল কৰি তোলে। জোখতকৈ বেছি অক্সিজেন সেৱন কৰাৰ ফলত হৃদপিণ্ড আৰু হাওঁ-ফাওঁৰ কাৰ্য্যৰ গতিৰ উন্নতি হয়। এই ব্যায়াম সময় গতিকে, হাওঁ-ফাওঁ, হৃদপিণ্ডৰ কাৰ্য্যৰ গতিৰ লগত সম্বন্ধ ৰাখিহে নিৰ্ধাৰিত কৰা হয়। এই ব্যায়ামে শৰীৰৰ শিৰা উপ-শিৰাবোৰৰ বাট মুকলি কৰি দিয়াৰ উপৰিও শাৰীৰিক কৰ্মশক্তি দুগুণে বঢ়ায়। দেহৰ কেলৰী হ্ৰাস কৰে, কাৰ্য্য শক্তি, মনোবল বঢ়ায় আৰু শৰীৰ আটিল হয়। তেজৰ গতি বাঢ়ি ছালখন কোমল আৰু উজ্জল কৰি তোলে আৰু মন প্ৰাণক এক অফুৰন্ত তৃপ্তি দিয়ে। কাৰাটে জনা থাকিলে এহাতে আত্মৰক্ষা আনহাতে সুন্দৰ স্বাস্থ্যৰ গৰাকী হব পাৰি।

যুগৰ পৰিৱৰ্তন হৈছে। আজিৰ যুৱসমাজেও বিছাৰে পৰিৱৰ্তন। এই পৰিৱৰ্তন আৱশ্যম্ভৱী। একবিংশ শতিকাক আদৰাৰ সন্ধিক্ষণত উপনীত হৈ আমিবোৰ এখন সুস্থিৰ আৰু নিকা সমাজৰ প্ৰতি কিমান দূৰ আশাপ্ৰদ? সেয়েহে সময়ৰ পৰিৱৰ্তনৰ লগত খোজ মিলাই ভৱিষ্যতৰ এখন নিকা, শৃংখলিত আৰু সৰ্বাংগসুন্দৰ সমাজ গঢ়াৰ পৰিকল্পনাৰ বাঘজৰী হাতত লব লাগিব যুৱ সমাজেই। কাৰণ যুৱ সমাজ হ'ল অফুৰন্ত শক্তিৰ অক্ষয় ভাণ্ডাৰ। এই শক্তিৰ সঠিক প্ৰয়োগ আৰু সঠিক দিশত অগ্ৰসৰেই এখন সমাজৰ উন্নতিৰ মূল।

###

## শায়েৰী

শ্ৰীৰাজকুমাৰ চেতীয়া
*স্নাতক প্ৰথম বাৰ্ষিক*

১। জহাঁ পৰ আখ খুলজায়ে।
ৱহীসে সবেৰা চমঝো।।
(যেতিয়াই চকু মুকলি হয় তেতিয়াৰ পৰাই প্ৰভাত বুলি ধৰিবা)

শ্ৰীকিৰণ ভূঞাঁ (বাবা)
*স্নাতক প্ৰথম বাৰ্ষিক*

১। ৱ যো আতে হে তো দিলমে কুছ কচকমালুম হোতে হে
মে ডৰতা হুঁ ইচকো মোহব্বত তো নহী বাহতে।
(তেওঁ যেতিয়াই আহে তেতিয়াই মই হৃদয়ত কিবা এটা আঘাত অনুভৱ কৰো, মোৰ ভয় হব ইয়াক প্ৰেম নকয়তো)

২। অকেলা হুঁ পৰ আৱাদ কাৰ দেতা হুঁ বীৰনো
বহুত ৰোয়েঙ্গে মেৰেবাদ য়ে শাম য়ে তনহাই
(নিসঙ্গ মই কিন্তু ভৰাই ৰাখো নিৰ্জনতা; মোৰ
পিছত মোক সুৱৰি কান্দিব এই সন্ধিয়াই।)

গল্প

# "শূন্য"

বাহাৰুল ইচলাম
*প্ৰবক্তা, ইংৰাজী বিভাগ*

দেওবাৰ,
পুহ মাহ,

পুৰা সাত মান বাজিছিল, বৰ জাৰ পৰিছে। পুহমহীয়া কুঁৱলীৰ বাবে সৰুকণে বেলিটো দেখা নাছিল, তৰুৰ মাকে ৰঙা চাহ এবাতি সান্দহেৰে সৈতে তাক খাবলৈ দিলে, হাটলৈ যোৱাৰ কথা। নাই বুলিও সাত মাইল মানৰ বাট। ঘূৰি আহোঁতে বেলি লহিয়াবই, সৰুকণে পীৰাখনত বহি সান্দহ বাতি খাবলৈ ধৰি তৰুৰ মাকক ক'লে, "হেৰ, তৰুৰ চেঙেল যোৰৰ জোখটো পুৰণা ব' সূতা এডালেৰে জুখি হাটলৈ নিয়া মোনাটোত ভৰাই দিবি। কিবা ঠাৰি এডালত মেৰিয়াই দিবি। নহলে হেৰাব।" ধনটিৰ চোলাটোৰ জোখটো বাৰু হ'ব। তাৰ হাতেৰে এহাত এবেগত। খৰধৰকৈ জলপান বাতি খাই উঠি চূণ ধপাতেৰে এখন তামোল মুখত ভৰাই ল'লে, উঁৱলি যোৱা মদৰুৱা বণিয়নটোৰ ওপৰত বৰ কাপোৰখন উৰি ল'লে, চেৰা গছৰ কাঠেৰে সজা চাগলি গড়ালটোত উঠি ক'লা নোদোকা পাঠাটো মৰাপাটৰ পঘাৰে বান্ধি সৰুকণে নমাই আনিলে, তৰুৰ মাকে ছাগলীটোৰ পিঠিৰ নোমকেইডালমান চিঙি গড়ালটোত থলে। তেতিয়া তাইৰ চকুকেইটা চলচলীয়া হৈ পৰিছিল। তাইৰ অতি মৰমৰ পঠাটো। ঘৰতে ওপজা, যি কেইটা গৰু-ছাগলী, হাঁহ-কুকুৰা আছে। লালন-পালন তাইয়ে কৰে। সৰুকণটোৰেতো সময়কে নাপায়। ভেটিটোৰ বাদে নিজ মাটি বুলিবলৈ এচিকটাও নাই। সৰ্বেশ্বৰ মহাজনৰ মাটিতেই আধি খেতি কৰি ভাত মুঠি মোকলাইছে। কণী-কুকুৰা বেছি সি কাণে কাণমাৰি নিমখ তেলৰ খোৰাক যোগায়।

বছৰৰ বিহুটো আহিছে। ভোগালী বিহু, মাত্ৰ দুদিন হে আছে। ল'ৰাছোৱালী হালক আৰু মাকক কিবা এটা নিদিলে হয় জানো? নিজৰো ধুতি এখন লাগে। পিন্ধি থকাখন তেনেই ফিচিকিলে। গোপাল দোকানীকো কাতি মাহতে বাকী খোৱা টকা এশ শোধাব লাগে। পাৰো যদি পঠাটো বিক্ৰী কৰি বস্তু কেইপদ আনো আৰু গোপাল দোকানীকো টকা কেইটা শোধাম বুলিয়েই সি হাটলৈ ওলাইছে।

এহাতে মোনাটো আৰু আনহাতে পাঠাটোৰ পঘাডাল ধৰি সৰুকণ আগবাঢ়িল, পদুলিৰ পৰা ঘূৰি চাই দেখিলে মানুহজনী আৰু ল'ৰা ছোৱালী হালে তালৈ চাই আছে। সিহঁতৰ চকু-মুখত ভাঁহি, উঠা আশা-নিৰাশাৰ সেমেকা চাৱনিৰ ভাষা সি বুজিব নোৱাৰিলে। সি লগে লগে মুখ ঘূৰাই খৰ খোজেৰে যাব ধৰিলে, যাওঁতে তৰুৰ মাকৰ মুখৰ তালিকাখন আওৰাই গ'ল। মেখেলা এখন, চেঙেল এজোৰ, চোলা এটা, চল্লিশীয়া বগা সূতা এমুঠি, হালধি, নিমখ, গুৰ....।" হব তেওঁ নাই বুলিও বিহুৰ বতৰত হাটত পাঠাটোৰ বাবদ দুখ পাব। গোপাল দোকানীক দিব লগা এশ বাদ দিলে আৰু এশ থাকিব। কোনোমতে যোঁৱা মৰিব আৰু। কথাবোৰ ভাবি তাৰ মনটো ফৰকাল লাগিল।

গাৱলীয়া বাটটোৰে এমাইল মান গ'লেই পকী পথটো পায়। তাৰ পৰা দেওবৰীয়া হাটলৈ ছয় মাইল মান উত্তৰ মুৱাকৈ যোৱা পকী পথটোৰে যাব লাগে গাৱলীয়া বাটটো য'ত পকী পথটোত লাগিছে তাতেই সৰ্বেশ্বৰ মহাজনৰ ঘৰ। মানুহজনৰ বয়স হৈছে যদিও চেহেৰা পাতি ভাল। মুখখন ঠেতৰিটো বাদ দিলে ৰবাব টেঙা এটাৰ দৰেই ঘূৰণীয়া, সুখত থকা মানুহ। টকা-পইচা ধন-বিত আছে। ডাঙৰ পুতেক মিলিটেৰীৰ মেজৰ। যোৱা বছৰ কাণপুৰৰ পৰা বিয়া কৰাইছে। এতিয়া মধ্য প্ৰদেশ নে ক'ত থাকে। জীয়েককো বিয়া দিলে গুৱাহাটীৰ এজন উকিললৈ। দিন হ'ল নাতি পুতিও হ'ল। সৰু পুতেক ঘৰতে থাকে। ঠিকা কৰে আৰু বতৰত ৰাজনীতিও কৰে। বিয়া হ'লে কৰোৱা নাই। মহাজনী বুঢ়ী আছে। ব্লাড প্ৰেচাৰ। ভিতৰতে থাকে। লেখৰ জোখৰ মানুহৰ লগত যে কথা বতৰা হয়।

সৰুকণ গৈ সৰ্বেশ্বৰ মহাজনৰ পদূলি মূৰ পাওঁতে মহাজনে বাৰান্দাতে আৰামী চকীত বহি পাইপ খাই আছিল, সৰু-কণক দেখি গল খেকাৰী এটা মাৰি তেওঁ মাত দিলে, "হেৰ' এইটো

সৰুকণ নহয় জানো? মাতটো শুনি সৰুকনৰ খোজৰ গতি স্থবিৰ হৈ গ'ল। সি কলে, "হয় দেউতা "চাওঁ, এইফালে আহচোন। ছাগলীতো হাটলৈ নিয় নেকি ? মহাজনৰ ভদ্র সুৰৰ মাতষাৰৰ ভাষা সি ভালদৰে বুজি পায়। লাহে লাহে মহাজনৰ ঘৰৰ ফালে আগবাঢ়িল ...।

"হয় দেউতা। বিহু পালেহিয়েই নহয়। বোলো ল'ৰাছোৱালী হালক কিবা এটা......। সৰুকণৰ মুখৰ কথাষাৰ মহাজনে কাঢ়ি নি কলে," পিছে তই হাটলৈ নিব নালাগে। নাৰিকল জোপাতে বান্ধ.....। মাতটোত গাম্ভীৰ্যতাৰ ভাব স্পষ্ট। " বিহুত ডাঙৰ বোপাই আৰু ঋণপুৰীয়া বোৱাৰী আহিব । নাতি কেইটা লৈ জী-জোৱাই অহাৰ কথা ।

সৰুকণে ছাগলীটো চোতালৰ নাৰিকল জোপাতে বান্ধি বাৰান্দাৰ চিৰীত বহিল, 'বৰ ভাল হব দেউতা। বোৱাৰীয়েতো আমাৰ ঠাইবোৰ দেখাই নাই।' সৰল হাঁহি এটা মাৰি সি ক'লে। মহাজনে তাৰ কথাত কাণ দিয়া যেন নালাগিল, " মাঘ বিহুত মোৰ ঘৰত এখন ভোজেই হব। মই আৰু ক'ত কি বিচাৰি যাম। তোৰ ছাগলীটো দেখি বোলো ভালেই হ'ল। লয়েই যাওঁ। তই আঁক দাম বা কিমান কৰ।"

"আপোনাৰ লগত আৰু কি দামাদামী কৰিম, মই আৰু ইমান খাই পাত ফলা হব নোৱাৰো। পাৰিলে এনেয়ে দিব পৰা হলেও মই বৰ ৰং পালোহেতেন। কিন্তু...." সৰুকণ বৈ গ'ল।

"বুজিছো, " টকা ছকুৰি ল তেতিয়া হ'লে, " এই বুলি কৈয়েই মহাজনে ভিতৰলৈ গৈ বিশ টকীয়া নোট ছখন আনি তাক দিলে ।

সৰুকণে বহাৰ পৰা উঠি কৰযোৰে টকা কেইটা হাত পাতি লৈ ক'লে, এতিয়া যাওঁ বাৰু দেউতা ।"

"আৰু শুন তই বিহুত পাক এটা মাৰিবি। মানে, মেজী ঘৰৰ ভোজলৈ আহিবি । ঘৈণীয়েৰক পাৰিলে আগতিয়াকৈ পঠাই দিবি, লাচনি-পাচনি কৰি দিব ," মহাজনে হাঁহি এটা মাৰি পাইপত হোপা মাৰিলে । 'হব দেউতা, " সৰুকণে থোৰতে ক'লে।

"অ আৰু এটা কথা অ, পিছে তোক কবলৈ মন নাছিল । তোক নকৈ আৰু কাক কম ।"

"কি দেউতা, "

"তোৰ ঘৰত কাঠ আলু, কুৱঁৰী আলু কিবা আছে যদি এটা মান দি যাবি চোন ।"

হব দেউতা," সৰুকণে মূৰ দুপিয়াই যাবলৈ মুখ ঘূৰালে।

মহাজনৰ ঘৰৰ পৰা আহি পকী পথটোত টকা কেইটা ধুতি খনৰ খোচনীত ভৰাই ললে । সি তাৰ গোটেই হিচাপটো কৰি চালে। গোপাল দোকানীক দিব লগা টকা কেইটা বাদ দিলে মুঠেই বিশ টকাহে থাকিব। আজিৰ দিতনো বিশ টকাৰে কিটো হয়। ইফালে গোপাল দোকানীক টকা কেইটা নিদিলে যে কথা নৰ'ব। তাৰ গোটেই হিচাপটো খেলিমেলি লাগিল, বাৰে পতি তাৰ সন্মুখত ঘৈনী আৰু ল'ৰা ছোৱালী হালৰ শুকান মুখ কেইখন ভাঁহি উঠিল, খোজ কাঢ়িব নোৱাৰা যেন লাগিল তাৰ। ভৰিৰ শিৰবোৰ যেন কোচখাই গৈছে। এৰা, হাটত সিটো অনায়াসে দুশ টকা পালেহেতেন। সৰ্বেশ্বৰ মহাজনকে দুশ টকা ছাগলীটোৰ বাবদ খোজা হলে ভাল আছিল নেকি বাৰু ? পিছে সৰুকণৰ দৰে সৰু সৰু মানুহবোৰে মহাজনৰ দৰে মানুহকনো কেনেকৈ মুখ ফালি কথা কয়, তাৰ সৰু সৰু হিচাপবোৰৰ লগত মহাজনৰ মনৰ পৰিচয় কোনো দিন হোৱাই নাই । মিলাব নোৱাৰা অংক এটা কৰিব লগাত পৰিল হিচাপটো খেলি মেলি হৈ গ'ল। ..........যি হয় হব, গোপাল দোকানীক দুদিন পিছত দিব, তেওঁৰ একো অসুবিধা নহয়, ভগৱানে ধেৰ দিছে। তাৰহে যোৱা নমৰে । সি ঠিৰাং কৰিলে তাৰ বজাৰখন সি কৰিব। নিজকে প্ৰবোধ দি খৰ খোজেৰে আগবাঢ়িল।

সৰুকণ যেতিয়া হাটৰ মূৰ পাইছিল তেতিয়া ৰ'দজাক ফটপটিয়াকৈ ওলাইছে। গাৰ বৰ কাপোৰখন জাপি বাঁও কান্ধত ওলোমাই ল'লে । হাট আৰম্ভ হলেই, বিহুৰ হাট পুৱাৰ পৰাই ভীৰ। হুলস্থুলীয়া পৰিবেশ, সি ভাবিলে, বেচিব লগীয়া নাই যেতিয়া এপাক এনেয়ে ঘূৰি হাটখন চাই লব । গৰু ছাগলী হাটখন পাৰ হৈয়েই মণিহাৰী, কাপোৰ, জোটা চেণ্ডেল, গেলামালৰ দোকানবোৰ। মাজে মাজে চাহ মিঠাইৰ দোকান। উৎকট গোন্ধ, দোকানবোৰত যথেষ্ট ভীৰ । বাগানীয়া মাইকী মতা বোৰেও মণিহাৰী আৰু কাপোৰৰ দোকান বোৰত খাৰুমণি আৰু ওলোমাই থোৱা ৰঙা-নীলা, সেউজীয়া ফ্ৰক চোলাবোৰ দৰদাম কৰিছে । বিৰদি বাট পাবলৈ নাই । সৰুকণ গৈ ভীৰৰ মাজত সোমাই পৰিল। সি হাতেৰে কোঁচনীত থকা টকা কেইটাৰ উমান ল'লে। তাৰ মোনাটোত চেণ্ডেলৰ জোখ অনা ব' সূতাডাল আছে।

বজাৰখনৰ আনটো মূৰত লাওপানীৰ বেপাৰ। বেপাৰীবোৰে বিৰিঙাৰ আঁৰত লুকুৱাই থৈছে কলহবোৰ, যাতে পুলিছৰ চকুত নপৰে। তাৰ পৰা সোঁফালে কিছু আঁতৰত এটা মানুহৰ জুম সৰুকণৰ চকুত পৰিল। কি ওলাইছে বুজ লবলৈ সৰুকণ আগবাঢ়ি গ'ল। ঝাণ্ডি মুন্দা খেল চলিছে। বজাৰবোৰত যে, ক'ত ৰকমৰ খেল ওলায় ঝাণ্ডি- মুন্দা, ফিটাখেল, ৰিংখেল আদি নানান তৰহৰ জুৱা খেল। সৰুকণৰ কাণত পৰিল, "এই ঝাণ্ডি-মুন্দা, লালপান, কালাপান...."। ছবি থকা প্লাষ্টিকৰ কাপোৰখনৰ ওপৰত চামৰাৰ খোলটোত গুটিবোৰ ভৰাই খেলুৱৈজনে চিঞৰিছে। সৰুকণ গৈ সেই জোখৰ পাওঁতেই হঠাৎ হুলস্থূল লাগিল। খেলুৱৈজনে বস্তুবোৰ লৈ দৌৰিব ধৰিলে, খেলি থকা মানুহবোৰেও ফৰিংচিটিকা দি যেনিয়ে তেনিয়ে দৌৰিব ধৰিলে। যাওঁতে কাষৰ মানুহবোৰ খুন্দিয়াই লুটিয়াই গ'ল কি হল কথাটো বুজাৰ আগতেই সৰুকণ খুন্দাত মুখ ঠেকেচা খাই পৰি গ'ল। ধুতিখনৰ গাঁঠিটো খুলি গ'ল খোচনিৰ পৰা টকা কেইটা আৰু কান্ধৰ কাপোৰখন পৰি গ'ল। সি কাপোৰখন তুলি টকা কেইটা খামোচ মাৰি ধৰিলে। থিয় হবলৈ নেপাওঁতেই পিছফালে তাৰ কান্ধত এটা মজবুত খামোচ সি অনুভৱ কৰিলে, উঠিবলৈ লৈ ঘূৰি চাই সি একোছা গোফেৰে সৈতে যি খন মুখ দেখিলে সেইখন এটা পুলিচৰ। টকা কেইটা তেতিয়াও সি খামোচ মাৰি ধৰি আছিল, ভয়ত সি বেঙেমুতা গৰুৰ দৰে কঁপিবলৈ ধৰিলে। পুলিচটোৱে খঙেৰে ক'লে "জুৱা খেলিব আহিছ, চাওঁ হাতত কি আছে" এই বুলি কৈয়েই সি সৰুকণৰ হাতৰ পৰা টকা কেইটা বেটৰ ভয় দেখুৱাই উলিয়াই ল'লে, "ৰঙা ঘৰৰ ভাত খুৱাম," তেতিয়াহে সৰুকণে বুজিলে জুৱাৰীবোৰ কিয় পলাইছিল। তাৰ কথা কব নোৱাৰা যেন লাগিল। তাৰ ডিঙিটো শুকাই গৈছিল। 'মই.....মই....., নাজানো......টকা কেইটা ছাগলী.....।"

"চুপ থাক, বাপেৰক ফাঁকি নিদিবি," পুলিচটোৱে কথাৰ লগতে সৰুকণৰ ককাঁলত গোড় এটাও সোধালে। লগৰ আন দুজন পুলিচ কাষ চাপি আহিল, 'এই জুৱাৰীবোৰে ধৰা পৰিলে নজনা হয়, যুধিষ্ঠিৰৰ ভাও ধৰে," সৰুকণে গোড় খাই পৰি যোৱাৰ পৰা উঠে মানে পুলিচ কেইটাই কিছু আতৰত ৰাখি থোৱা ভানখনৰ ফালে আগবাঢ়িল। সি দেখিলে দুজন মানুহ সিহঁতে হাত কেৰিয়া লগাই লৈ গৈছে। সিহঁত অপৰাধী নে নিৰপৰাধী সি নুবুজিলে। সি ভাৱিলে হয়তো ধৰি নিয়া কিজনৰ হাতত ছাগলী বেচা ধন নাছিল। হঠাতে যে কি হৈ গ'ল। কিন্তু টকা কেইটাৰ অবিহনে সি এতিয়া কি কৰিব। সি ভাবিলে, দৌৰি গৈ পুলিচটোৰ ভৰিত ধৰি টকা কেইটা ঘূৰাই বিচাৰিব। কাকুতি মিনতি কৰিব। মাৰিলেও আৰু দুটা গোড় মাৰিব। মাৰক, মাৰক তথাপি টকা কেইটা নহ'লে তাৰ যে কোনোমতেই নচলে, এটা সময়ত সি ভানখনৰ ফালে দৌৰিবলৈ ধৰিলে। সি তেতিয়া ভানখনৰ ওচৰ পাইছিল গৈ, তেতিয়া সেইখনে এটা গোজৰণি মাৰি ধোঁৱা উৰুৱাই তীব্ৰ গতিত চহৰ অভিমুখে গতি কৰিছিল। সি চকুৰে আন্ধাৰ দেখিলে, ঠাইতে বহি পৰিল। সি বাৰু এতিয়া কি সতে ঘৰলৈ যাব। মানুহজনীক কি ক'ব আৰু তৰু আৰু ধনটিক? তাৰ ওচৰত উত্তৰ নাছিল। মোনাটোৰ ভিতৰত থকা চেঙেলৰ জোখ অনা সূতাভাল সি এবাৰ লিৰিকি বিদাৰি চালে। এতিয়া সেইডালৰ তাৰ প্ৰয়োজন নাই। আচলতে তাৰ হিচাপটোৰেই প্ৰয়োজন নাই। যোগ-বিয়োগ কৰোঁতে বাৰেপতি খেলি মেলি লগা তাৰ অংকটোৰ উত্তৰটো সি পালে "শূণ্য"।

⌘⌘⌘

# এটি আশাৰ মৃত্যু

শ্ৰী হেমন্ত দোলাকাষৰীয়া
স্নাতক ২য় বাৰ্ষিক

টক্ টক্ টক্........

হঠাৎ বিকাশৰ টোপনি ভাঙি গ'ল । বাহিৰত ৰিম্ ঝিম্ ৰিম্ ঝিম্ বৰষুণ। ভালেমান দিনৰ পাছত অহা বৰুষুণ জাকে বেছ আমেজ দিছিল বিকাশক । লেপৰ তলৰ পৰাই সি শব্দটো ক'ৰ পৰা আহিছে জানিবলৈ কাণ দিলে-আকৌ শব্দ হ'ল টক্ টক্ টক্.... । শব্দটো যে তাৰ ৰুমৰ দৰ্জা খনৰ পৰাই আহিছে, সেয়া সি নিশ্চিতকৈ জানিলে। এটা হিম চেঁচা শিহৰণ তাৰ লেপৰ তলৰ পৰা শৰীৰটোৰ ওপৰেৰে বৈ যোৱাত সি কঁপি উঠিল। আন্ধাৰতে বেড চুইচটো খেপিয়াই 'অন' কৰি দিলে । বিছনাৰ পৰাই সি প্ৰশ্নবোধক দৃষ্টি নিক্ষেপ কৰিলে দৰ্জা খনলৈ । লগে লগে এক নাৰী কণ্ঠ ভাঁহি আহিল। "দুৱাৰ খন খোলা বিকাশ....মই বৰ কষ্ট পাইছোঁ," কোনোবা এগৰাকী নাৰীয়ে খুউব লাহে লাহে অথচ কৰুণ মাতেৰে কোৱা কথাখিনি বিকাশৰ কাণত ঝনঝনাই উঠিল। সমুখত কিবা এটা বিভৎস বস্তু দেখা পোৱাৰ দৰে একে জাপে উঠি বহিল সি। অকস্মাতে সন্মুখৰ খিৰীকিখনৰ ওপৰত চকু পৰিল তাৰ । বাৰাণ্ডাত জ্বলি থকা "নিয়ন" লাইট টোৰ পোহৰত খিৰিকিৰ আয়নাৰ মাজেৰে দেখিলে বগা কাপোৰ পৰিহিতা এগৰাকী নাৰী। ফিৰ-ফিৰিয়া বতাহত নাৰী গৰাকীৰ পাতল চাদৰখনে শৰীৰ এৰো এৰো হৈ ধুনীয়া মানুহ জনী হৈ বিকাশৰ চকুৰ আগত থিয় দিছে । বিছনাৰ পৰা নামি গৈ প্ৰশ্নবোধক দৃষ্টি লৈ খিৰিকিখন খুলি দিলে লগে লগে গোটেই মানুহজনী তাৰ চিনাকি যেন লাগিল সেয়া দেখোন আজিৰ পৰা এটা বছৰৰ আগতে মৃত্যুক সাৱতি লোৱা বিকাশৰ নৱ বিবাহিতা পত্নী। ভয়ত একো নাই হৈ দুয়োহাতে চকু মুখ ঢাকি সি চিঞৰি উঠিল ম-নি-ষা। বিকাশৰ অৱস্থা দেখি নাৰী মুৰ্ত্তিটোৱে খিলখিলাই হাঁহিলে আৰু ক্ৰমাৎ বেছিহৈ অহা হাঁহিৰ শব্দত তাৰ গোটেই কোঠাটো কপি উঠিল । লগে লগে খিৰিকিখন জোৰেৰে বন্ধ কৰি কেতিয়া যে বিছনাত উঠি লেপখনত মুখ গুজি পৰি থাকিল, সি সম্ভূলি গম নাপালে।

পুৱা 'ন' মান বজাত ভনীয়েক জোনালীয়ে দুৱাৰত 'নক' কৰাত সি সাৰ পালে । যোৱা ৰাতিৰ গোটেই ঘটনাটোৱে তাক কিবা খেলি মেলি লগাই দিলে।

সি খিৰিকিখনৰ ওচৰলৈ গৈ লাহে লাহে খিৰিকিখন খুলি দিলে। বাহিৰত নৱেম্বৰ মাহৰ কুঁৱলীৰ ঘন আৱৰন । বাহিৰৰ ঠাণ্ডা খিনিয়ে বিকাশৰ শৰীৰ আক্ৰমণ কৰি তাৰ দেহলৈ যেন এটা অদ্ভুত শিহৰণ আনি দিলে । প্ৰস্তৰ মূৰ্ত্তিৰ দৰে সি তাতেই থিয় হৈ থাকিল।

ঐ দাদা চাহ খাহি আকৌ..... । জোনালীৰ মাতত ঘূৰি চাই লাহে লাহে খোজ পেলালে পাক-ঘৰলৈ, কিন্তু বিকাশৰ মানস পটত তেতিয়াও জিলিকি আছিল মনিষাৰ সেই মুখখন। কিন্তু ...কোন বাৰু সেই মনিষা ?

মনিষা শইকীয়াৰ ঘৰ আছিল ধেমাজী মিলনপুৰ চুকত। দেউতাক গুণ শইকীয়া এজন ভাল খেতিয়ক । খেতিৰ উপাৰ্জনেৰে চাৰিজনীয়া সংসাৰখন ভালকৈয়ে চলাইছিল । জীয়েক মনীষাক বি. এ পঢ়াইছিল আৰু পুতেক অৰুপক ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এম. এ পঢ়াইছিল। চমুতে গুণ শইকীয়াৰ সংসাৰখন এখন সুখৰ সংসাৰ। বৰ মৰমৰ জীয়েক মনীষাই এদিন স্নাতক ২য় বৰ্ষত ভৰি দিলে গৈ অন্য ছোৱালীৰ দৰে তাইয়ো বহুতো -ৰঙীন বালি ঘৰ সাজিছিল লহপহীয়া যৌবনৰ বতাহত 'বা' বলাই বৰ আনন্দেৰে দিনবোৰ অতিবাহিত কৰিছিল তাই ।

অন্যহাতে বিকাশৰ ঘৰ আছিল লক্ষীমপুৰ জিলাৰ সেউজপুৰ গাঁৱৰ সেই তিনি আলিটোৰ ওচৰত । ঘৰত মানুহ বুলিবলৈ সি আৰু তাৰ ভনীয়েক জোনালী । মাক দেউতাক বহুদিনৰ আগতে ঢুকালে। বহু কষ্টেৰে বিকাশ বি-এচ-ছি টো পাছ কৰিলে। বৰ্ত্তমান সি এজন বিজ্ঞান বিভাগৰ শিক্ষক । ভনীয়েক জোনালীয়ো

এদিন ডাঙৰ হ'ল । তাৰো বিয়াৰ বয়স হ'ল ।

এদিন ফাগুনৰ কোনোবা এটা ক্ষন উতলা কৰা নিশা বিকাশ আৰু মনিষাৰ বিয়া হৈ গ'ল । মনিষাৰ মাক দেউতাকে হিঁয়া উবুৰিয়াই আৰ্শীবাদ দিলে । ভগৱানৰ ওচৰত কাতৰে প্ৰাৰ্থনা জনালে যাতে সিহঁতে সুখেৰে থাকে কিন্তু সেই সুখ মনিষাৰ ভাগ্যত নঘটিল । গাৰ পৰা মাহ হালধিৰ গোন্ধ গ'ল কি নগ'ল। তেতিয়াই তাইৰ জীৱনলৈ নামি আহিল অমাৱশ্যাৰ ঘোৰ আঁউসী । কেইদিন মান মনিষাই আনন্দেৰেই বিবাহিত জীৱন অতিবাহিত কৰিছিল । কিন্তু এদিন ইয়াৰ ব্যতিক্ৰম হল। বিকাশে স্কুললৈ যোৱাৰ সময়ত মনিষাক ৰুমৰ ভিতৰত ৰাখি বাহিৰৰ পৰা দৰ্জাখন বন্ধ কৰাৰ এটা অদ্ভুদ নিয়ম উলিয়ালে । যি কাৰ্য্য সাধাৰণতে মগজুৰ ব্যতিক্ৰম থকা লোকেহে কৰিব পাৰে ।এনে আচৰণত মনিষা ক্ষু গ্ন হৈছিল ।তথাপি ওৰে দিনটো তাই সেই বন্ধ কোঠাতেই পাৰ কৰি দিছিল।

এদিন দুদিনকৈ কালৰ গৰ্ভত তিনিটা মাহ পাৰহৈ গ'ল । বন্ধ কোঠাত থাকি তাই এক প্ৰকাৰ পাগলীৰ দৰে হৈ পৰিছিল । এদিনৰ এটা ঘটনাই মনিষাক মানসিক ভাবে ভীষণ আঘাত দিলে । যিটো আঘাত তাই জীৱনৰ বাকী সময় খিনিত কেতিয়াও পাহৰিব নোৱাৰিলেহেঁতেন। মনিষাৰ ককায়েক এদিন মৰমৰ ভনীয়েকৰ ওচৰলৈ আহিল। আৰু গ'ল । ভনীয়েকক দেখাৰ সৌভাগ্য ককায়েকৰ নঘটিল কাৰণ মনিষা তেতিয়া বিকাশৰ বন্ধ কোঠাত আৱদ্ধ । ককায়েকৰ উপস্থিতি জানিও তাই এযাৰ মাত দিবলৈ সাহস গোটাব নোৱাৰিলে। কান্দি কান্দি বিছনাতে অজ্ঞান হৈ গৈছিল । তথাপিও তাই জীয়াই থকাৰ হেপাঁহকণ এৰিব পৰা নাছিল । জীয়াই আছিল জীয়াতু ভূগি আৰু দহটা দিন। সেই কেইদিন তাই জীয়াই আছিল যদিও সেয়া মৃত্যুৰ সৈতে যুঁজি যুঁজি তাই জীয়াই আছিল এই দহটা দিন। মাক-দেউতাকৰ ঘৰত ৰং-বিৰঙৰ সপোন দেখা মনীষাই মানসিক যান্ত্ৰণাৰ বাদে বিবাহিত জীৱনত পালে কি ? তাইৰ হিচাপত পোৱাৰ ঘৰত এটা ডাঙৰ শূন্য । সেই দিনাও বিকাশে পুৱা ৮-৩০ বজাতে মনীষাক ৰুমৰ ভিতৰত ৰাখি বাহিৰৰপৰা দৰ্জাখন বন্ধ কৰি স্কুললৈ গুছি গ'ল । এই কাৰ্য্য নিত্য নৈমিত্তিকতাত পৰিণত হৈছিল যদিও সেইদিনাৰ এনে কাৰ্য্যক মনিষাই সহজভাৱে লব নোৱাৰিলে তাইৰ মনত বহুতো কথাই খুন্দা দিবলৈ ধৰিলে । ককায়েকক লগ কৰিব নোৱাৰা ঘটনাতো তাইৰ মনলৈ বাৰে বাৰে আহিবলৈ ধৰিলে। পৰিণতি স্বৰূপে তাই আত্মহত্যা কৰি নিজকে মুক্ত কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিলে বাধাহীন ভাৱে অহা অশ্ৰুৱ বাবে মনীষাক আৰু বেছি উত্তেজিত কৰি তুলি দেউতাকক সকলো জনোৱাৰ উদ্দেশ্যে তাই এখন চিঠি লিখি ধৰিলে।

পূজনীয় দেউতা,

পত্ৰে মোৰ ভক্তি ভৰা শ্ৰদ্ধা গ্ৰহণ কৰিব । আপোনালো ভালেই বোধ কৰো মোৰ খুউব ভাল দেউতা বৰ শান্তিতে আ মই (কান্দি কান্দি অৱস হৈ পৰিছিল তাই) আপোনালো ভাবিছিল, মোৰ সুখ হোৱাটো; আৰু তাক চাই আপোনালো আনন্দিত হব ।

কি....... কওঁক দেউতা; ময়ো জানো এখন সুখৰ সং পড়াৰ সপোন দেখা নাছিলো ?

মোৰ জানো জীয়াই থকাৰ আশা নাছিল ? কিয় আপোনালোকে এনেদৰে মৃত্যুৰ মুখলৈ ঠেলি দিলে দেউ কিয় ? কিয় ? ? যদিও মই এইয়া আত্ম হত্যা কৰিবলৈ সি ললো, তথাপিও যেন এইয়া আত্ম হত্যা নহয়। বিকাশে আত্ম হত্যা কৰিবলৈ বাধ্য কৰালে দেউতা । এই চিঠিখনো মই বন্ধ কোঠাৰ পৰাই লিখিলো। নাজানো আপোনাৰ হা পৰেগৈ নে নপৰে। বিয়াৰ পিছৰে পৰা আপোনালোকে কো মোক দেখিবলৈ নাপালে। বেয়া নাপাব, তাৰ বাবে আপোনা দোষী নহয় । দোষ মোৰ, মোৰ ভাগ্যৰ।

শেষত চিঠিখনৰ চকুৰ পানী খিনিকে আপোনালো মৰমৰ মনি বুলি আকোঁৱালি লব দেউতা, আকোঁৱালি লব

চিঠিখন লিখি শেষ কৰিবলৈ তাইৰ ধৈৰ্য্য হেৰাই একেজাপে বহাৰ পৰা উঠি বিকাশৰ আলমিৰাৰ পৰা এ বটল টো আনি বৰ তৃপ্তিৰে পি খালে । লগে লগে ছট ফটাই ফটাই মনিষাৰ নিষ্পাপ দেহাটো এসময়ত নিঠৰ হৈ গ'ল

তেতিয়াৰে পৰা বিকাশে এদিনো শান্তিত থাকিব পৰা চকু হাল মুদিলে কৰুণ ভাৱে ভাঁহি আহে সেই শব্দটো 'দুৱা খোলা বিকাশ" । আজিও সি দিন বোৰ অশান্তিত চট্ কটাইছে । মন ভালে থাকিলে কেতিয়াবা স্কুললৈ যায় কেতিয়াবা নাযায় । ৰাতি শুবলৈ ললেই দুৱাৰত শব্দ হয় টক্ টক্ । লগে লগে ভাঁহি আহে মনিষাৰ সেই কাতৰ দুৱাৰ খন খোলা বিকাশ" মই বৰ কষ্ট পাইছো "। ■

*(গল্পটি সম্পূৰ্ণ কাল্পনিক)*

# "আত্মগোপন"

শ্রীসত্য ৰাজখোৱা
*স্নাতক প্ৰথম বৰ্ষ (কলা)*

তোমাৰ চিন্তা তোমাৰ মনোবল আৰু তোমাৰ সাহসৰ পৰিচয় পাই মই সুখী হৈছো। তুমি আমাৰ দলত সোমোৱাৰ আগেয়ে তোমাৰ পৰীক্ষা এটা লোৱা আমাৰ কৰ্তব্য।

বন্ধু এই যে জলন্ত মমৰ শিখাডাল দেখিছা। তাৰ ওপৰত তোমাৰ হাতদুখন দাঙি ধৰা। দলপতি জনৰ নিৰ্দেশ মতে মই জলন্ত শিখাডালৰ ওপৰত হাত দুখন দাঙি ধৰিলোঁ। লাহে লাহে গোটেই হাতখন যেন জ্বলিব ধৰিলে, কেঁচা মঙহ পোৱাৰ দুগন্ধই যেন গোটেই কোঠাটো আগুৰি ধৰিলে। এনেতে পুনৰ ধ্বনিত হ'ল "হাতখন আঁতৰাই আনা।"

"নানো, যিখন হাতে মোৰ আই, মোৰ ভাই-ভনীহঁতৰ দুবেলা দুসাজ ভাত, এজোৰ কাপোৰ যোগান ধৰিব নোৱাৰে সেই হাত জ্বলি পুৰি শেষ হৈ যাওঁক।

"ধন্যবাদ।"

দলপতিজনে ফু মাৰি শিখাডাল নুমুৱাই দিলে। লগে লগে এজন ডাক্তৰ সোমাই আহিল। মোৰ পোৰা হাতখনত প্ৰয়োজনীয় মলম-ঔষধ আদি দি বেণ্ডেজ কৰি দিলে। দলপতিজনে পুনৰ আৰম্ভ কৰিলে-

চোৱা বন্ধু, তুমি আমাৰ লগলৈ আহিছা। আমি ভাল পাইছো, আমি আটাইয়ে এক মহান আৰু পবিত্ৰ উদ্দেশ্য সাধনৰ বাবেহে আমি আমাৰ কামবোৰ কৰি গৈছো। তথাপি এই দেশৰ সংবিধান এই দেশৰ চৰকাৰ এই দেশৰ প্ৰচলিত আইনৰ দৃষ্টিত আমি আটায়ে অপৰাধী দস্যু আৰু দুৰ্বৃত্ত। আমাৰ বাবে এই দেশৰ চৰকাৰৰ আইন সংগত ৰায় হ'ব মৃত্যুদণ্ড। এতিয়া কোৱা তুমি হঠাতে অকাল মৃত্যুবৰণ কৰিবলৈকে প্ৰস্তুত নে?

এইবাৰ মই দৃঢ়তাৰে কলো-- কাৰ মৃত্যু কেতিয়া হব কোনেও নাজানে। এই দুনিয়াত কোনোৱে অমৰ নহয়। মানুহ মৰণশীল। এদিন আপুনিও মৰিব।ময়ো মৰিম। তথাপি যদি কেনেবাকৈ কোনো এক পৱিত্ৰ কৰ্তব্য কৰিবলৈ গৈ মৰিব লগা হয়, যদি মই মোৰ দেশ মাতৃৰ মুক্তিৰ সংগ্ৰামৰ শ্বহীদ হব পাৰো। তেনে মৃত্যুৰ বাবে মই সদায় প্ৰস্তুত।"

"ধৰিলোৱা তুমি যে আমাৰ লগলৈ আহিছা এই কথা চৰকাৰী চোৰাংচোৱাই গম পাই গ'ল তেতিয়া কি হব জানানে?"

"তুমি যে কৈছিলা তোমাৰ এজনী বাইডেউ আছে আৰু এজনী গাভৰু ভনীয়েৰা আছে আৰু বিধৱা আই আছে তেওঁলোকক চৰকাৰে সুখেৰে থাকিবলৈ দিবনে?"

"কি কৰিব? সিহঁতক মাৰি পেলাব নহয়? মোৰ বাইদেউ-ভণ্টীৰ ওপৰত চৰকাৰী গুণ্ডাহঁতে অত্যাচাৰ কৰিব নহয়! ৰবা আৰু আছে। তুমি কলৈ যোৱা, কাৰ লগত ফুৰা কেতিয়া কত থাকা, এইবোৰ কথা তোমাৰ পৰিয়ালৰ উপৰিও তোমাৰ অৰ্থাৎ তুমি ভাল পাই থকা ৰুবীকো সুধিব পাৰে তেতিয়া যদি ৰুবীয়ে তোমাৰ সঙ্গীসকলৰ নাম কৈ দিয়ে?"

"ৰুবীক মই ভাল পাওঁ ঠিকেই, কিন্তু এতিয়াও যে মাকৰ ঘৰতে আছে। মোৰ দৈনন্দিন কাম কাজৰ খবৰ তেওঁ ৰাখিব নোৱাৰে।"

"কিন্তু পুলিচে যে বিশ্বাস নকৰিব।"

"কি বিশ্বাস নকৰিব?"

"এইয়ে তোমাৰ বন্ধু বৰ্গ আমাৰ গোপন ঘাটিলৈ তোমাৰ আহ-যাহ সম্পৰ্কে ৰুবীয়ে একো নাজানে এই কথা?"

"পুলিচে বিশ্বাস কৰিব লাগিব।"

"কলো নহয় পুলিচে বিশ্বাস নকৰে।"

"তেনেহ'লে কি কৰিব।"

তোমাৰ মৰমৰ ৰুবীৰ ওপৰত অত্যাচাৰ কৰা হব। তেওঁৰ শালীনতা নষ্ট কৰা হব। তেওঁৰ ৰূপ যৌৱন কিছুমান লম্পটৰ ভোগৰ সামগ্ৰী হব।

"অসম্ভৱ অসম্ভৱ" এখন সুসভ্য দেশত এনে কাণ্ড হব নোৱাৰে।"

"হব পাৰে- হব পাৰে বন্ধু। এজন অপৰাধীক ধৰিবলৈ গৈ দহজন নিৰপৰাধী লোকক হাৰাশাস্তি কৰাটো এইখন দেশত অতি সাধাৰণ কথা।"

"এনে হোৱা অনুচিত, এইয়া অন্যায়। আজি কুৰি শতিকাৰ শেষ সীমাত উপনীত হৈ আমি পুনৰ ষোল্ল শতিকালৈ উভতি যাব নোৱাৰো। আমি পুনৰ ল'ৰা ৰজাৰ শাসন চলিবলৈ এৰি দিব নোৱাৰো। এনে ব্যৱস্থাৰ বিলুপ্তি ঘটাব লাগিব।

"অকলশৰে তুমি একো কৰিব নোৱাৰিবা বন্ধু। অকলশৰে মইয়ো একো কৰিব নোৱাৰো। একতাইহে বল। যদি আমি সংগঠিত হৈ পৰ্য্যায়ক্ৰমে কামত আগবাঢ়ো- মোৰ বিশ্বাস এদিন নহয় এদিন আমি সফল হমেই। এতেকে আহা বন্ধু হাত মিলোৱা। ❖

# তিক্ততা

শ্ৰীমতী কৰবী নাথ
*স্নাতক ২য় বৰ্ষ*

কেইদিনমানৰ পৰা ৰমেনৰ ভাৱ হৈছে, তাক যেন মানুহবোৰে ইতিকিং কৰিব ধৰিছে। সি যেন চিৰিয়াখানাৰ এটা জন্তু হৈ পৰিছে। কাৰোবাৰ দুচকুৰ দৃষ্টিয়ে যেন তাৰ ওপৰেদি বৈ যোৱা ধুমুহাচাটিক পুতৌ কৰে।

অথচ কিছুদিনৰ আগতে তাৰ ভাগ্য সকলোৰে ঈৰ্ষাৰ লক্ষ্য আছিল। এদিন সি নিজেও কম সময়ৰ বাবে হলেও গৰ্ব কৰা যেন অনুমান হৈছিল। কিন্তু এদিন এই গৰ্বিত ধ্বজা খহি পৰিছিল। পপীয়া তৰাৰ দৰে। এক মানসিক অন্তৰ্দ্বন্দ্বত তাৰ বিবেক দেই পুৰি মাৰিছে। সি আজি অনুতাপত অগ্নিদগ্ধ, যেতিয়া ভুল-শুদ্ধৰ বিচাৰ কৰাতকৈ কেইটামান টকাৰ প্ৰয়োজনীয়তাক বেছি গুৰুত্ব দিছিলে; তেতিয়া তাৰ মানসিকতাৰ মৃত্যু ঘটাৰ উপৰিও ঘৰখনক সমাজৰ চকুত হাঁহিয়াতৰ পাত্ৰ কৰি তুলিলে।

ৰমেনে এনে এটা অস্বাভাৱিক পৰিস্থিতিৰ সন্মুখীন হবলৈ সঁচাই বিচৰা নাছিল। নিমাক বিয়া কৰাই ঘৰখনত অকনমান শান্তিৰ সমল যোগাব পাৰিব বুলিয়েই ভাবিছিল। কিন্তু সেই শান্তিৰ অন্তৰালত যে মৃত্যুমুখী যাত্ৰীৰ মৃত্যুৰ আগ মূহুৰ্তৰ সজীৱতাখিনিহে মাত্ৰ আছিল তাক বুজাত তাৰ পলম হৈছিল।

এটা অদ্ভুত কৌশল বুজি উঠাৰ লগে লগেই সেই হাঁহিৰ মৃত্যু ঘটিছিল। ইফালেদি নতুন আঁচনি পৰিকল্পনাৰ সময় পাৰ হৈ গৈছিল। অনুগ্ৰহ সৌভাগ্য বুলিয়েই গ্ৰহণ কৰাত আপত্তিৰ কাৰণ নাছিল বুলি ভাবিছিল। এজন সন্মানিত বিষয়াৰ জোঁৱাই হ'বলৈ পোৱাটো বহুতৰ দৰে তেওঁ নেওঁচা দিব নোৱাৰিলে।

এয়া ৰমেনে আজি অতীত আৰু বৰ্তমানৰ মাজত তুলনা দি চাইছে। ছিগাৰেটৰ টুকুৰাবোৰেৰে ছাইদানীটো ভৰাই পেলাইছে। ছিগাৰেটটো ক্ৰমে জ্বলি জ্বলি শেষ হোৱাৰ দৰে তাৰ জীৱনটোও জ্বলি পুৰি শেষ হৈ গৈছিল যেন অনুভৱ হৈছিল। তাৰ মনৰ দাপোনত মাথো ভাঁহি উঠিছে কিছুমান কলংকৰ টুকুৰা টুকুৰ চিহ্ন।

চাৰিজনী ভনীৰ ওপৰত ৰমেনেই ঘৰখনৰ একমাত্ৰ পুত্ৰসন্তান আছিল। ঘৰখনৰ অৱস্থা যদিও স্বচ্ছল নাছিল তথাপি দেউতাকে অশেষ কষ্ট কৰি তাৰ জীৱনক গঢ় দিবলৈ উঠিপৰি লাগিছিল। ডাঙৰ দুজনী ভনীয়েকৰ বিয়াৰ প্ৰস্তুতি চলোৱা হৈছিল; কিন্তু অৰ্থ সংকটৰ কথা মনত পাৰিলে ৰমেনৰ মন কোঙা হৈ গৈছিল। পিছৰ দুজনীয়ে উচ্চতৰ বিদ্যালয়ৰ শিক্ষাকে সম্পূৰ্ণ কৰিব নোৱাৰিলে। ঘৰৰ সকলোৰে তাৰ ওপৰত এটা ৰঙীন আশা। এদিন হয়তো ৰঙীন সপোনক সি বাস্তৱত ৰূপায়িত কৰিব। মাকে হাত আৰু কাণৰ অলংকাৰৰ মোহ ত্যাগ কৰি তাৰ কলেজৰ মাচুল যোগাইছিল।

ডিষ্টিংচন সহ বি এ মহলাত উত্তীৰ্ণ হৈছিল। এম এ পঢ়াৰ ৰঙীণ আশাত বালিৰ চৰ পৰিল। তথাপিও সি আক্ষেপ কৰা নাছিল। কলেজত পঢ়াৰ দিনলৈকে ৰমেনৰ মনত পৰে "মই যেন ঘৰলৈ গ'লে সকলোৱে হাঁহি হাঁহি বুজাব খোজে ঘৰখনত একোৰেই অভাৱ নাই।" কিন্তু এতিয়াচোন লাহে লাহে, বুজি উঠিছে, সেইয়া আছিল মিছা আনন্দত ডুবাই ৰখাৰ ব্যৰ্থ প্ৰচেষ্টা মাথোন। ইমানদিনে যিকুৰা জুইৰ উত্তাপত তাৰ উত্ৰাৱল যৌৱনটোক কলেজৰ পৰিসীমাৰ মাজেদি গম নোপোৱাকৈয়ে পাৰ কৰি দিছিল। সেইয়া আছিল দেউতাকৰ অন্তৰ দহা জুই, সেই জুইৰ দহিকা শক্তিৰ প্ৰভাৱত সি আজি ছটফটাব লগাত পৰিছে। দেউতাকৰ কামিহাড় কেইডাল লিখিব পৰা হ'ল। মাকৰ মূৰৰ ক'লা চুলি বিলাকে বগা বৰণ সলালে। ভনীয়েক কেইজনীয়ে সিহঁতৰ দাদাকৰ ভৱিষ্যতৰ ভেটি সুদৃঢ় কৰিবলৈ যত্ন লৈছিল। ঘৰখনৰ প্ৰত্যেকেই তাৰ বাবে একোডাল ধূপ হৈ জ্বলি ৰ'ল।

অনুভৱ কৰিছিল সি যেন বিস্তীৰ্ণ মৰুভূমিৰ অকলশৰীয়া পথিক। মৰুদ্যানৰ আশাত মৰিচিকা খেদি ফুৰিছে। উত্তৰাধিকাৰী সুত্রে পোৱা এপুৰা মাটিৰ দুবিঘা তাৰ পঢ়াৰ বাবদ বন্ধকত গ'ল। সেই মাটি সিহঁতৰ নিজা বুলি ভবাৰ আৰু থল নাই। চাকৰিৰ মোহে তাক আমনি কৰিছিল। কিন্তু এইখন দেশত তাৰ দৰে পৰিয়ালৰ এজন যুৱকে চাকৰি পোৱাটো এটা অলিক সাঁথৰৰ বাদে একো নহয়। বি এ ডিগ্ৰীৰ অপ্ৰয়োজনীয়তাক এতিয়াহে বাৰুকৈয়ে উপলব্ধি কৰিব পাৰিছে সি। 'অসাম ট্ৰিবিউন'ৰ দ্বিতীয় পৃষ্ঠা চাই চাই আমনি লাগিলে। শেষত আশা একপ্ৰকাৰৰ বাদেই দিলে। নতুন চাকৰিৰ বাবদ কেইবাবাৰো লৰি গৈ যেতিয়া ভগ্ন মনোৰথ লৈ ঘূৰি অহিছিল, তেতিয়া সি জীয়াই থকাৰ সাৰ্থকতা হেৰুৱাই পেলাইছিল। সি নিজকে অপৰাধবোধ কৰিছিল। ক্ষীণ আশা লৈ সদায়েই বাতৰি কাকতত চাকৰিৰ সন্ধান পায় নেকি চায়েই থাকে। সদায় অতীষ্ঠ হোৱাৰ বাবেই নেকি জানো এদিন এটি নতুন চাকৰিৰ সন্ধান পালে। চাকৰিটো এফ. চি. আই. ইন্সপেক্টৰ। পোষ্ট এটা, আৰ্হতা 'গ্ৰেজুয়েট' হ'ব লাগে। খবৰটো পঢ়াৰ পিছত তাৰ মনত এক বেলেগ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল। এক অজানিত আনন্দত তাৰ মনটোৱে খন্তেকৰ কাৰণে খেলি গ'ল। আবেদন-পত্ৰ দিলে। ভয় হৈছিল জানোছা অন্য কেইবাৰৰ দৰে হয়।

তাৰ অন্তৰত পোৱা নোপোৱাৰ সেউজ বুলীয়া আশাই হিল্লোল তুলিলে। নিমন্ত্ৰণী পত্ৰ এদিন পাইছিল। সি নিৰ্দিষ্ট দিনত এশ এবুৰি চিন্তা মনত ভাবিয়েই ওলাবলৈ ঠিক কৰিলে। যাত্ৰাৰ মূৰত দেখিলে এহাল শালিকা, পিছলৈ ঘূৰি চাবৰ মন গৈছিল তাৰ, চোৱা নাছিল। চালে বোলে যাত্ৰা ভংগ হয়। তথাপি মানসনেত্ৰে দেখিলে মাক ভনীয়েক কেইজনীয়ে সজল নয়নে তালৈ চাই আছে। দেউতাকে আশীৰ্বাদৰ সঁহাৰি জনাই এটি দীঘলীয়া কাহ মাৰিছিল।

কাৰ্য্যালয় প্ৰাঙ্গনত যেন এখন যুৱ মেলা বহিছিল। ভবাতকৈ অধিক প্ৰাৰ্থী এটি পোষ্টৰ বাবে দৌৰী আহিছে। পোৱা-নোপোৱাৰ এটি দুৰু দুৰু কঁপনিৰে। এটা সময়ত তাক অফিচৰ ভিতৰলৈ মাতি নিছিল এজন চকীদাৰে। ৬/৭ জনমান ভদ্ৰ লোকৰ অবান্তৰ প্ৰশ্নৰ উত্তৰ দি এসময়ত ওলাই আহিলে। কিন্তু সি ভাবিব ধৰিলে, "মোক মাথো কিয় ঘৰ ক'ত কিমান আৰু শিক্ষা কিমান, মোটামুটি সাধাৰণ কেইটিমান প্ৰশ্ন কৰিলে। ইয়াত জানো এজন প্ৰাৰ্থীক নিৰ্বাচিত কৰিব পাৰে।"

কাৰ্য্যালয়ৰ ছাপ্ৰাচীটোৱে তাক এখন কাগজ দি ক'লে যে বস্তুটো গোপনীয়। এটুকুৰা শ্লিপ। সি অবাক হৈ কাগজ টুকুৰা মেলি চালে "চাকৰি প্ৰয়োজন যদি তলৰ ঠিকনাত মোক লগ ধৰিবা।" প্ৰশ্নবোধক চিনৰ দৰে লাগিল। ইমান দিনৰ মূৰত আজি আকৌ এক বেলেগ ইণ্টাৰভিউৰ অভিজ্ঞতা অৰ্জন কৰা যেন লাগিল তাৰ। আশা-নিৰাশাৰ ভাৰৰ এটি তৰঙ্গ উঠি যোৱা যেন লাগিল।

পূৰ্বৰ পৰিকল্পনা মতে ঘৰ বিচাৰি উলিওৱাত তাৰ পলম নহৈছিল। গেটৰ 'নেমপ্লেট'ৰ সৈতে শ্লিপ টুকুৰাৰ নামটো একে দেখি প্ৰকাণ্ড গেট খুলি সি সোমাই গৈছিল। প্ৰকাণ্ড এলচিচিয়ানটোৱে এটুকুৰা মঙহ খাই আছিল। তাক দেখি ৰৌ-ৰৌৱাই উঠিল। ধনী মানুহৰ এলচিচিয়ান আৰু সিহঁতৰ জীৱনৰ মাজত পাৰ্থক্য বিচাৰি চালে। তাৰ গোজৰণি আওকান কৰি তাৰ অজ্ঞাতে হাতটোৱে কলিং বেলটো হাত দিছিল।

"অ' তুমি আহা, বহা!" প্ৰায় লগে লগেই ভিতৰ ফালৰপৰা অহা শব্দ কেইটাৰ গৰাকীৰ প্ৰতি সি দৃষ্টি ঘূৰাইছিল। সি আচৰিত হৈছিল যে বহুদিনৰ চিনাকীৰ দৰে ব্যৱহাৰ কৰা এইজন মানুহেই তাৰফালে একে থৰে ৰ' লাগি চাইছিল। সি নমস্কাৰ জনাবলৈকে পাহৰিছিল। তেখেতৰ অনুৰোধক্ৰমে দ্ৰয়িং ৰুমতে বহি পৰিল। ভিতৰলৈ কাৰোবাক সি অহাৰ কথা জনালে। এনে এটা পৰিস্থিতিত সি হতভম্বৰ দৰে হৈ পৰিছিল। মুখত এটি মৃদু হাঁহি আঁকি লৈ তেখেতে তাক সুধিলে "অ' তোমাৰ নামটো কি কৈছিলা। পাহৰিলোৱেই নহয়।" "মৃদুল বৰা" তেখেতৰ অনুমান। নহয়, "মোৰ নাম ৰমেন বৰুৱাহে।" কিয় জানো তাৰ মাতটো কঁপি উঠিছিল। একে লেথাৰিয়ে যে মাকৰ ঘৰুৱা অৱস্থাৰ পৰা সকলো বিলাক সুধি গ'ল। সিও পাৰ্য্যমানে উত্তৰ দিছিল। এটা সময়ত তেখেতৰ গাভৰু জীয়েক নিমাই লৈ অহা এক ৰাজকীয় সুৰুচিপূৰ্ণ জলপানৰ শ্ৰাদ্ধ কৰিছিল। তেখেতেই তাক নিমাৰ আগত চিনাকী কৰি দিছিল। বহু সময় পলম হোৱাৰ পিছত সি অধৈৰ্য্য হৈ পৰিছিল। তাৰ আগমণৰ কাৰণে তেতিয়াও উলিওৱা নাই কিয়? শেষত নিৰুপায় হৈ সি নিজেই সুধিলে "চাৰ! মোক যে মাতিছিল।"

"অ' তোমাৰ চাকৰিৰ বৰ প্ৰয়োজন নহয়নে? "হয়

চাৰ! ঘৰৰ অৱস্থাৰ কথা আপোনালোকক কৈছিলোৱেই।"
"ও! তোমাক চাকৰিটো দিয়া হ'ব, যদিহে এটা চৰ্ত মানি লোৱা।"

"চাৰ'-

"এইটো লোৱা ঘৰত খুলি চাবা।" এটা খামৰ ভিতৰত এখন চিঠি আগবঢ়াই দিলে।

"মই আশা ৰাখিছো তোমাৰ সুবুদ্ধি উদয় হ'ব, এনে সুবিধা উপেক্ষা নকৰিবা। সোনকালে মোক জনাবা হা।",

ঘৰ পায়েই সি খামটো খুলি চালে। সেই চিঠি তাক উদ্দেশ্য কৰি লিখা। সেইয়া কেনেকৈ সম্ভৱ হ'ব পাৰে!........ সেই প্ৰস্তাৱত মান্তি হ'লে মানুহে জানোচা ইতিকিং কৰে। "ৰিজাই চালো এদিন চাকৰিৰ বাবে হাবাথুৰি খাইছিলো"। কিন্তু এতিয়া চাকৰি আৰু ছোৱালী, চিঠিখনত লিখা আছিল- যদিহে সি মান্তি হয়, বিয়াৰ সম্পূৰ্ণ খৰচ দিয়াৰ উপৰিও অতিৰিক্ত দহ হেজাৰ টকা। সি ভাবিছিল ১০ হেজাৰ টকাৰ বিনিময়ত নিজকে বিক্ৰী কৰি নিদিওঁ। আৰু সঁচাকৈয়ে জানো তাৰ আত্ম সন্মান আছে। যুগে আজি পাট্টা দিছে কাক? সি নিজৰ এই মিছা পৌৰষত্বক বজাই ৰাখি ঘৰখনত অধিক অশান্তিৰ সৃষ্টি কৰাতকৈ টকাৰ প্ৰয়োজন বেছি বুলি ভাবিলে। এই প্ৰস্তাৱত সন্মত হোৱাৰ পিছত সি আত্মগ্লানিত দহি পুৰি শেষ হৈ তাৰ ভৱিষ্যৎ জীৱন অশান্তিত পাৰ হৈ ঘৰখনক জ্বলালে। তাৰ মানসিকতাক বিক্ৰী কৰি হ'লেও ঘৰখনৰ এফেৰি চিন্তাৰ বাবে নিজকে বিক্ৰী কৰিলে।

মাক-দেউতাকৰ আগত সি চাকৰি এটা পোৱাৰ কথা কলে। দেউতাকে তাৰফালে বিশ্বাস অবিশ্বাসৰ সানমিহলি দৃষ্টি নিক্ষেপ কৰিলে। ভনীয়েকহঁতে আনন্দত আত্মহাৰা হৈছিল। শেষত..... বৰুৱাৰ প্ৰস্তাৱৰ কথা ঘৰত প্ৰকাশ কৰিলে। তেতিয়া এটি বিষাদৰ সুৰ বাজি উঠিছিল সকলোৰে প্ৰাণত। মাকৰ আক্ষেপ মাথোন ইমানেই 'পো-নাতিৰ' মুখ নেদেখাকৈ আগেয়ে দুজনীমান উলিয়াই দিব পৰা হ'লে ভাল আছিল। গোটেই কথাটো সি বুজাই দিলে। "নিমাক বিয়া কৰালে ঘৰখনত পোহৰৰ মুখ দেখিবলৈ পোৱা যাব।" অন্তৰত জ্বলি থকা জুই সি বহু কষ্টেৰে দমাই ৰাখিছিল। আশানুৰূপ সন্মতি পাই...... খুব আনন্দিত হৈছিল সি। নিমাই লাজ মিহলি আভাৰে তাৰ লগত সহজ হ'বলৈ চেষ্টা কৰিছিল।

নিমা সঁচাকৈয়ে দেখাত বৰ সুন্দৰী আছিল। ঘৰখনৰ লগত বিশেষ পৰিচয় হোৱাৰ পিছত নিযুক্তিৰ পত্ৰখনলৈ ঘৰাভিমুখে হৈ আহিছিল।

নভবাকৈয়ে ঠিক এমাহৰ পিছতেই তাৰ বিয়া সম্পন্ন হৈ গৈছিল। বৰুৱাৰ টকাৰেই বিয়া শেষ হ'ল। তেখেতৰ অনুগ্ৰহ তাৰ দেউতাকহঁতে আশীৰ্বাদ বুলি গ্ৰহণ কৰিছিল। তেখেতৰ কথা ৰাখি পিছত ১০ হেজাৰ টকাৰ গৰাকী হৈছিল। ঘৰখনত অকণমান পোহৰৰ ৰেঙণি পৰিছিল। তাক সমনীয়া সকলে ঈৰ্ষাৰ চকুৰে চাইছিল। সিওঁ তাৰ জীৱনলৈ এক প্ৰকাৰৰ সৌভাগ্যৰ বন্যা নামি আহিছিল বুলিয়েই ভাবিছিল।

মাকে এটি নাতিৰ বাবে মনে মনে হেঁপাহ পুহি ৰাখিছিল। কিন্তু উপযুক্ত সময়ৰ বহু আগতেই সেই ইচ্ছা পুৰণ হ'ল। বিয়াৰ ৪ মাহৰ পিছত নিমাৰ গাত মাতৃত্ব হোৱাৰ চিন অতি বেয়াকৈ জিলিকি উঠিল। সি ভয় খালে এইয়া আকৌ কেনেকৈ সম্ভৱ? ঠেকা খাই খাই টুকুৰা টুকুৰ হোৱা মগজুটোৰ অভিজ্ঞতাই সহজেই ধৰা পেলালে। কেইদিন মানৰ পিছত নিমাৰ এটি সন্তানে সকলোকে আচৰিত কৰি পৃথিৱীৰ বুকুলৈ নামি আহিল। তাৰ ভাৱত আউল লাগিল। কিয় কেনেকৈ ৪ মাহৰ ভিতৰতেই........।

মাকৰ কোটৰাগত চকু দুটাৰপৰা ওলাই অহা তপত চকুলোখিনিত প্ৰতিফলিত হৈ উঠিল তাৰ হীন পৌৰষত্বৰ প্ৰতিচ্ছবি। ভনীয়েকহঁতৰ অসহায় অৱস্থাটোৱে তাক যেন চিঞৰি চিঞৰি কৈছে "মই অপদাৰ্থ"। এটি শিশুৰ ক্ৰন্দন ধ্বনিয়ে তাৰ পিতৃত্বক উপহাস কৰিছে।

সি উত্তেজিত হৈপৰিছে। তাৰ মন গৈছে যেন নিমাৰ মাতৃত্ব আৰু শিশুটিৰ কান্দোন চিৰ দিনৰ কাৰণে বন্ধ কৰি দিব। চকীখনৰপৰা উঠি সি ইফালে সিফালে ঘূৰোতে ছাইদানীটোলৈ অজানিতভাৱে যে চকু পৰিল। সি নিজকে এটি ছিগাৰেটৰ টুকুৰা যেন অনুভৱ হ'ল।......... আজি কোনো প্ৰয়োজন নাই। সি মাথোন এতিয়া এটি বস্তুৰ অভাৱ অনুভৱ কৰিছে। "পিস্তলৰ"...... ভদ্ৰতাৰ মুখাখন এটা পিস্তলৰ গুলীৰে উৰুৱাই দিব। ভদ্ৰলোকৰ ভিতৰত লুকাই থকা চৰিত্ৰটো সমাজৰ চকুত ধৰা পেলাই দিবলৈ বস্তুটোৰ মাথোন অভাৱ সিহঁতৰ দৰে বিশ্বাসঘাটকবোৰক তিলতিলকৈ ধ্বংস কৰিলেহে সমাজ পৰিৱৰ্তন হ'ব। কব নোৱাৰাকৈয়ে হাতৰ মুঠি দুটা যেন ক্ৰমাৎ টান হৈ পৰিছে। কব নোৱাৰাকৈয়ে সি দৌৰ মাৰি বাৰান্দালৈ ওলাই গৈছিল। □

# নিসংগ

শ্ৰীমধুস্মিতা চেতীয়া
*স্নাতক ১ম বাৰ্ষিক*

ৰাস্তাৰ মাজতে পৰি থকা শিল এটাত বৰ বেয়াকৈ উজুটি খালে মল্লিকাই। তাইৰ মনত পৰিল শাৰীখনৰ পাৰিটো ফিচি-কি গৈ সামান্য ওলমি গৈছে। তাতে জোটাপুটি খাই তাই শিলত উজুটি খালে। ধেৎতেৰিকা! শাৰীখন আৰু বেছিকৈ ফাটি গ'ল চাগৈ। মাকে তাইক ৰাতিপুৱাই চিলাই লবলৈ কৈছিল, তাইহে এলাহতে নিচিলালে পা এতিয়া মজাটো। ভাল বুলিবলৈ এইখনেই শাৰী আছিল গৈ, এতিয়া তাকো চাগৈ ভালকৈ ফাটিল। বুঢ়া আঙুলিৰ নখটোও বৰ চেক্‌চেকাইছে দেখোন। এইখিনিতে চাবলৈও উপায় নাই। সৌ দোকানখনৰ আগতে কেইটামান "ৰ'ড চাইড ৰোমিঅ" ৰৈ আছে, সিহঁতক চল দিব নোৱাৰি। ল'ৰা কেইটা যে ছোৱালীৰ বাবেই 'জান' দিওঁ দিওঁকৈ থাকে। তাইৰ বাবেতো কথাই নাই।

একো নাই হোৱা ভাব এটা দেখুৱাই তাই দোকানখন পাৰ হৈ কেঁকুৰী এটাৰ আঁৰ হৈয়েই শাৰীখন চালে এ বহুত ফাটি গ'ল আঙুলিৰ নখটোৰ দাঁতিটো তেজ বিৰিঙি উঠিছে। উঠক! এতিয়া সমস্যাটো হ'ল শাৰীখন লৈহে। এইখনেই একমাত্ৰ শাৰী আছিল। এইখন পিন্ধিয়েই তাই ইন্টাৰভিউ দিবলৈ যায়, পলক লগ কৰিবলৈ যায়, বিয়া-চিয়া খাবলৈ যায়। এতিয়া ৰিপু কৰিব নোৱাৰিলে ভীষণ দিগদাৰ হ'ব।

শাৰীখনৰ কাহিনীটো তাইৰ মনত পৰিল। এদিন পল আৰু তাই কলেজৰ আগৰ ৰাস্তাইদি একেলগে গৈ আছিল পলৰ জেপত কেইটামান খুচুৰা পইচা আছিল হবলা, খোজৰ তালে তালে জুনুক-জানাক বাজি আহি আছিল। তাই ধেমালীতে এবাৰ সুধিলে-- বাঃ বহুত পইচা আছে যেন পাওঁ। ধেৎ নাই নাই আশী পইচা আছে, ফিল্টাৰ এটা খাব লাগিব। পলে ক'লে।

বৰ ভাল কামটো লৈকে থৈছা। ছিগাৰেট খোৱাতকৈ আৰু ভাল কাম কি আছে। তাই ঠাট্টা কৰিছিল তাক, তাতকৈ যদি মোক শাৰী এখনকে আনি দিলাহেঁতেন। ধেমালী কৰি কোৱা কথা; কিন্তু পলে সঁচাকৈয়ে চিগাৰেট খাবলৈ এৰি দিছিল। দুমাহমান পিছত তাইৰ জন্ম দিনত সি এই শাৰীখন তাইক প্ৰেজেণ্ট দিছিল, চিগাৰেটৰ জমা হোৱাৰ পইচাৰ লগতে নিজে টিউচন কৰা কেইটামান পইচা মিলাই।

পলৰ ঘৰত তাৰ মাক আৰু দেউতাক আছে। প্ৰাইমেৰী স্কুলৰ ৰিটায়াৰ্ড শিক্ষক। দেউতাকৰ পেঞ্চনৰ টকাৰে ঘৰখন কোনোমতে টানি টুনি চলি থাকে।

নিজে টিউচন কৰি পলে এম এ পৰিছিল। এতিয়া ডিগ্ৰী লৈ ঘৰতে বহি আছে। অৱশ্যে মাজে মাজে ইন্টাৰভিউ দি থাকে। পলে কয়, টকা লুট কৰিবলৈ ৰিভলভাৰ আৰু চাকৰি লুট কৰিবলৈ টকা পিছে মোৰতো চাকৰি নায়েই, টকাও নাই আৰু ৰিভলভাৰো নাই.... দুয়োটাই হাঁহিছিল।

পলে আকৌ কৈছিল, বুঢ়াৰ হাতত কেইটামান সাঁচতিয়া টকা আছে। মাজে মাজে তাৰেই চাকৰিৰ মালিকক মৰ্টন খুৱাবলৈ কয়। কিন্তু কাৰবাৰটো মোৰ বৰ সুবিধা যেন নালাগে দেখোন। আজি ঘোচ খুৱালে কাইলৈ ঘোচা খাব লাগিব আৰু ঘোচ খালে ঘোছা খাবলৈ কিমান দূৰ? অতকৈ কলিং লেটাৰেৰে ঠোঙা সাজি বিক্ৰী কৰাই ভাল মইনা।

দুয়ো আকৌ হাঁহিছিল। কিন্তু মল্লিকাৰ বুকুখন গৌৰৱত ফুলি উঠিছিল। তাইৰ অৱস্থাও পলতকৈ কোনো গুণে ভাল নহয়। তাহানি দেউতাক ঢুকুৱাৰ আগতেই সাজি থৈ যোৱা ভাৰাঘৰটোৰ পইচাৰে সিহঁতৰ পৰিয়ালটো মানে মাক, ককায়েক আৰু তাই কোনোমতে চলি থাকে। কাৰণ ককায়েকে

এম এচ চি পাছ কৰি বেকাৰ হৈ মানে টিউচন কৰি বহি আছে আৰু তাই বি এ। কিন্তু তাই কোনোপধ্যেই দুৰ্নীতিৰ লগত আপোচ কৰিব নোৱাৰে। ককায়েকেও নহ'লে........।

যা, ভাবি কি লাভ। তাই এতিয়া পলৰ ঘৰলৈ গৈ আছে আৰু পলক তাই কেতিয়াও গোমোৰা মুখ দেখুৱাব নোৱাৰে। তাই নথকা হ'লে সি কেতিয়াবাই ভাগি পৰিলেহেঁতেন। তাই থাকোতে তাই সেইটো কেতিয়াও হ'বলৈ দিব নোৱাৰে। কিছুদিন আগতে সি কলেজ এখনৰ ইণ্টাৰভিউ এটা দিছিল। দুই এদিনৰ ভিতৰতে তাৰ ৰিজাল্ট ওলোৱাৰ কথা, গতিকে তাৰে খবৰ কৰিবলৈও তাইৰ এই পলৰ ঘৰলৈ যাত্ৰা। যদি ৰিজাল্ট দিছে, চাকৰি নাই পোৱা যদি। সি চাগৈ মুখ ওন্দোলাই বহি আছে। তাতে তায়ো যদি মুখ ওন্দোলাই যায় তেন্তে তাৰ মনোকষ্ট বৃদ্ধিহে হ'ব। নকমে। আজি তাই পলক বহুত কথা কবলৈ আছে। দুয়ো হায়াৰ ছেকেণ্ডাৰীত পঢ়াৰ পৰাই ইটোৱে সিটোক চিনি পায়। কিন্তু সেই চিনাকি সিহঁতে আৰু কিমান দিন বহন কৰি নিব? তাতে দুয়ো দুয়োৰে ঘৰুৱা অৱস্থাৰ কথা খুব ভালদৰে জানে আৰু সিয়েই সিহঁতৰ বিয়াখনৰ আগত বাধা দিছে। পলে যে এই অৱস্থাত বিয়াৰ কথা তুলিবলৈ সাহস নকৰে, সেইটো তাই ভালদৰে জানে। কিন্তু তাই কেতিয়াও নিৰাপত্তাৰ ক্ষেত্ৰত জীৱনৰ সুখ-শান্তি বিসৰ্জন দিব নোৱাৰে। আজি তাই তাকে পলৰ আগত কব। বিয়াটো এদিন হ'বই লাগিব। বিয়াৰ পিছতো সিহঁত আগৰ দৰেই চলি থাকিব।

পলৰ কথা ভাবি তাইৰ নখৰ বিষ পাহৰি গ'ল। তাইৰ খোজ দ্ৰুত হৈ আহিল।

দুৱাৰ খুলি দিলে পলৰ মাকে, হব লগীয়া বোৱাৰীক দেখি আনন্দ পালে। আহা আহা সিতো তোমালোকৰ ঘৰলৈকে যাবলৈ ওলাইছিল। ভালেই হ'ল তুমি আহিলা। সি ৰূমতে আছে সোমাই যোৱা। পল, মল্লিকা আহিছে, মাকে ভিতৰলৈ চাই চিঞৰিলে।

মাকৰ হাঁহিতো দেখি বাতৰিটো আগতেই অনুমান কৰ ললে। খৰ খোজেৰে তাই ভিতৰ পালেগৈ।

কোনো কথাৰ প্ৰয়োজন নাছিল। তাই পলৰ কাষ চাপি গ'ল। ইমান দিন সাঁচি থোৱা চকুপানীখিনি তাইৰ চকুৰে বাধা নামানি বৈ আহিল। পলেও কান্দিছিল। অৱশেষ চাকৰিটো পালা। বহুত সময়ৰ পিছত তাই সুধিলে।

ওঁ পালো। কিন্তু মই দেউতাৰ সহায় লব লগা হ' মল্লিকা। বহুত পইচা আছে বুলি হোটেলত ভালকৈ খা বৈ উঠাৰ পিছত 'পকেট মাৰে' মানি বেগটো লৈ গ'ল বু গম পালে যেনেকুৱা লাগে, তেনেকুৱা লাগিল মল্লিকাৰ

-- মানে? তাই সুধিলে। তাই যেন বাকীকেইটা পকে চাব খুজিছে।

দেউতাৰ টকা কেইটা খৰচ হ'ল। কিন্তু মোৰ উপা নাছিল মল্লিকা।

মল্লিকাৰ মুখখন ক'লা পৰি গ'ল। তাই পলৰ কাষ পৰা ধৰফৰাই উঠিল।

কি হ'ল পলে সুধিলে।

ৰাস্তাত উজুটি খাইছিলো নখটোত লাগিছে। তাই ক'লে

চাওঁ চাওঁ বুলি পল ব্যস্ত হৈ পৰিল। নাই বৰ বে নহয়, তাই ক'লে।

তথাপি পলে জোৰকৈ ডেটল-চেটল সানি আঙুলি বেণ্ডেজ কৰি দিলে।

মই যাওঁ পল। মল্লিকাই ক'লে। দাদা ঘৰত না মা অকলে আছে। দুয়ো একেলগে আগবাঢ়িল। পলে ক' মোৰ উপায় নাছিল মল্লিকা। অৱশেষত এনেকৈয়ে চাকৰি কিনিব লগা হ'ল। কিন্তু মই চাকৰিটো নলৈ কেনেকৈ থা কোৱাচোন। ঘৰৰ চিন্তা..... তোমাৰ..... চিন্তা...... আমাৰ নি মানুহৰ বাবে আদৰ্শবাদ, গল্প উপন্যাসৰ বস্তু মল্লিকা। বাস্ত

আমাক আমাৰ নিজৰ মতে আগুৱাবলৈ নিদিয়ে। তুমি নুবুজিবানে মোৰ কথা?

মই কি কৰিম একো বুজিবই পৰা নাই পল। তোমাৰ কামক মোৰ মনে কেতিয়াও সমৰ্থন কৰিবলৈ নিদিয়ে পল। মই আজি তোমাক বিয়াৰ কথা কবলৈ আহিছিলো। কিন্তু বিশ্বাস কৰা, যেতিয়া মই তোমাৰ চাকৰিৰ কথা শুনিলো তেতিয়া একো ক'ব নোৱাৰিছিলো।

আন্ধাৰ হৈ আহিছিল ৰাস্তাত মানুহ নাছিল পলে মল্লিকাক কাষ চপাই লৈছিল। সি গম পালে, তাই কান্দিছে।

মল্লিকাৰ দীঘল চুলিবোৰৰ মাজত আল-ফুলকৈ আঙুলি বুলাই সি ক'লে- তুমি উজুতি খালে মই মাত্ৰ বেণ্ডেজহে কৰিব পাৰো মল্লিকা, ভালতো কৰিব নোৱাৰো। মই উজুতি খালে তুমি জানো মোক..... অন্ততঃ তুমি নধৰিবানে মোক পৰিবলৈ দি তুমি আঁতৰি যাবা?

মোৰ ইমান শক্তি নাই পল। মল্লিকাই পলৰ মুখলৈ চাই ক'লে। পাৰিলে মোক ক্ষমা কৰিবা।

দুয়ো পুনৰ আগবাঢ়িল। কোনেও কথা কোৱা নাছিল-- তুমি আৰু আহিব নালাগে। বাকীডোখৰ মই অকলেই যাব পাৰিম। ■

## কৌতুক

শ্ৰীমহানন্দ গগৈ
স্নাতক প্ৰথম বাৰ্ষিক

১। ছোৱালী কেইজনীমানে আড্ডা মাৰি থাকোতে এজনীয়ে আনবোৰক সুধিলে--
ঃ আমাৰ নিচিনাকৈ লৰাবোৰে জুমপাতি কি কথা পাতে বাৰু?
ঃ আমি যিবোৰ কথা পাতো সেইবোৰেই।
তাৰে এজনীয়ে বিজ্ঞৰ দৰে উত্তৰ দিলে। বাকী আটাইকেইজনীয়ে ইচ্ কটা ল'ৰাবোৰ ইমান অসভ্যনে?

শ্ৰীপ্ৰদীপ শৰ্ম্মা
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

১। বাতৰি কাকতত মদৰ অপকাৰিতাৰ বিষয়ে লিখা প্ৰবন্ধটো পঢ়ি উঠি গিৰিয়েকে কলে-- ঠিক আছে আজিৰ পৰা এৰিলো।
ঃ কি আপুনি মদ এৰিব?? ঘৈণীয়েকে আনন্দত জপিয়াই সুধিলে।
ঃ মদ নহয়, এই কাকত আলোচনীৰ কথাহে কৈছো।

শ্ৰীভূপেন বৰা
উঃ মাঃ প্ৰথম বাৰ্ষিক

১। মোৰ ৯৪ বছৰ বয়স হ'ল পৃথিৱীত মোৰ এজনো শত্ৰু নাই।
-- কেনেকৈ ?
-- কাৰণ তেওঁলোকৰ এজনো বাচি থকা নাই।

# দুখৰ দিন আৰু কিছু সংলাপ

অধ্যাপক ৰাজীৱ বৰা
*অসমীয়া বিভাগ*



**১ম সংলাপঃ**

এতিয়া জোনাকে বিনাই ৰাতিবোৰৰ অহংকাৰত
পৃথিৱীৰ মৌন ওঁঠত কঁপি উঠে জোনাকৰ অস্ফুট বিননি
ৰাতিৰ প্ৰহৰ ভাঙি দুবাহু কোবাই উৰি যায় আকাশলে
জাক জাক দুখৰ চৰাই। কুঁৰলীৰ চাদৰত নিৰৱে উচুপে
যন্ত্ৰণাত কাতৰ হোৱা আকাশৰ মুখ
শোকাকুল দিনৰ টিপ চহী বুকুত সাৱতি
নদীয়েদি মাজে মাজে বৈ যায় তেজৰ এসোঁত।

**২য় সংলাপ ঃ**

হৃদয়ক কবৰ দিয়া সভ্যতাৰ দুবাহুত বিধ্বংসী কামনা
তেজৰ লোভতে জ্বলে উন্মত্ত দিনৰ শুকান শলিতা
তেজত অস্পষ্ট হয় কোনোবা কবিৰ প্ৰেমৰ কবিতা
এতিয়াতো পৃথিৱীত তেজৰ দামেই সস্তা।



**৩য় সংলাপ ঃ**

উপাধিৰ উহেদি যদি উদ্‌গীৰণ হয় জিঘাংসাৰ ধোঁৱা
অনাগত প্ৰজন্মলৈ উপাধি নানিবা।
যদি সেন্দুৰত দীঘল হয় মৃত্যুৰ দিন আৰু বোৰখাত নামি আহে
শাণিত অস্ত্ৰ অথবা আশীৰ্বাদৰ ৰং
তেতিয়া তোমাৰ শিশুবোৰক উলংগ কৰি শৰীৰত মেলি দিবা
ৰ'দ আৰু বতাহৰ অদৃশ্য চাদৰ– নামবিহীন একমাত্ৰ
নতুন পোছাক; য'ত কোনোদিন নুফুটিব
ভয়াৰ্ত হৃদয়ৰ দুখৰ অভ্ৰানি।

**৪ৰ্থ সংলাপ ঃ**

এই বাটে বহুদিন পোহৰ অহা নাই; সূৰ্য্য য'ত অনাহূত নাম
অৰণ্যৰ বাহু চুই এই বাটে যোৱা নাই নদী
তৰা ফুলাৰ উৎসৱতো অৰণ্যত হোৱা নাই কাতৰ ঝিলিৰ হৃদয়
এই বাটে বহুদিন প্ৰেম অহা নাই সৰা নাই টেবুলত
উজাগৰী নিশাৰ মমৰ টোপাল। এই বাটত থিয় হ'লেই
বুকুৰপৰা বাঢ়ি যায় বুকুৰ দূৰত্ব হাতৰপৰা পিছলে হাত
প্ৰজলিত চিতাৰ ঘ্ৰাণ লৈ উৰি আহে দুৰ্দিন প্ৰবাহ।



**শেষ সংলাপ ঃ**

এই পথেৰেই এদিন আহিব এজাক পোহৰৰ শিশু
শিথিল শৰীৰতো দেও পাৰিব ভোগালী ধানৰ এসাজ খোৱা ম
সেয়ে নেকি যন্ত্ৰণাতো মধুৰ হয় জোনাকৰ নিৰৱ ক্ৰন্দন
তথাপি আজি ৰাতিৰ পূৰ্ণিমাৰ জোন
যেন বাৰুদে জ্বলাই দিয়া গাভৰুৰ কমনীয় মুখ। □


# বৈভৱ

শ্ৰীলীলা বড়া
*অধ্যাপক অসমীয়া বিভাগ*

ইয়াত আছোঁ
তুমি আৰু মই
হাঁহি আছে– ফুলো আছে,
হুমনিয়াহৰ সৈতে শুই।
নেওতাৰ পাঁচ নম্বৰত
গণিকাৰ হিচাপ
ফুল আৰু মই
তুমি আৰু হাঁহি
একান্ত নিজৰ কৰি
সাঁচি থয় তুমিও সাঁচিবা
এদিন। □

# জাগৃত অনুভূতি

**মিচেছ এলিচবেগ বৰভূঞা**
*অধ্যাপিকা, বুৰঞ্জী বিভাগ*



মই শুনিছিলো–
কোনোবাই সুধিলে খন্দা হ'ল জানো কবৰ
আৰু যে নাই বেছিপৰ।
সেইখন মোৰ সপোনৰ পৃথিৱী, পৃথিৱী আছিল মোৰ মধুৰ সপোন
মোৰ বাবে সকলোৱে আজি বুকুৰ আপোন।

মৌনভাৱে নিমাতে তুমি কিমান যে ভাবিছা
তোমাৰ সেইবোৰ কব লগা কথা
যি কথা কোনোদিন কবকে নোৱাৰা;
সেই ভাবি দুচকুৰ বন্যাৰে
সেমেকাই নেপেলাবা তোমাৰ পৃথিৱী।

তুমি জানো মোক দেখিছা
মইযে তোমাৰ নিচেই কাষত
মোৰ বিদায় সম্ভাষণত ব্যস্ত তুমি
মই আত্মা-সাজি নিৰৱ দৰ্শক আজি।

তোমাৰ পৰা বহু আঁতৰত এটা অন্ধকাৰ কবৰত মোৰ জন্ম হ'ল
তোমালৈ খুউব মনত পৰা এটা বৃত্তৰ মাজত।
মই যেতিয়া আছিলো মাতৃ তোমাৰ গৰ্ভত
বুজিও নুবুজিলো জানিও নেজানিলো
কিমান যে মৰম তোমাৰ মৃত্যুৰ পিছত।
মই যেতিয়া আত্মা, দেখিছো তোমাৰ নিৰৱ উচুপনি
শুনিছো বিষাদৰ হুমনিয়াহ আৰু যন্ত্ৰণাৰ বিননি।
কাৰণ তুমিযে মাতৃ- মোৰ জন্মদাত্ৰী।

মোৰ কৰ্কশ ব্যৱহাৰে তোমাক বিষাদিত কৰা
সেইবোৰ দিন পেলোৱা পাহৰি
দিয়া মোক আশীষ নিৰ্মালি-
পুনৰ জন্মৰ বাবে তোমাৰ গৰ্ভত
এয়া মোৰ অন্তিম কামনা। □

# মুক্ত কণ্ঠেৰে–

**শ্ৰীহেমন্ত ভূঞা**
*স্নাতক ১ম বাৰ্ষিক*

মোৰ চেতনাত এখন সমাজৰ স্বপ্ন
য'ত দৃষ্টিৰ পৰা আঁতৰি যায় ঘৃণা,
আগবাঢ়ি আহে পাৰস্পৰিক সহায়ৰ হাত
তেজৰ ফল্গু হওঁক অলীক সপোন।

বলিশাল অথবা ৰক্তপ্ৰবাহী নদী
খাটি খোৱাৰ দুৰ্দশা অথবা অট্টালিকাৰ ভেম
নিৰ্বাসিত হয় য'ত অনন্ত কাললে–

তেনে সমাজৰ স্বপ্ন এতিয়া
সঘনে আহে মোৰ চেতনালৈ।

## ।। সেই দিনটো যেন কোনো দিনা নাহে।।

**শ্ৰীগুনীন চন্দ্ৰ বৰুৱা**
*স্নাতক ১ম বাৰ্ষিক*

সেই দিনটো যেন ঘূৰি নাহে ঃ
যিদিনা হিয়াধুনি কান্দিছিল বনৰ চৰায়ে
বুকুৰপৰা প্ৰৱাহিত হৈছিল বিষময় তেজ
অন্ধকাৰে লুটিছিল সন্ধিয়াৰ গাভৰু যৌৱন
কিযে নিৰ্ল্লজ প্ৰকাশ- !
সেই দিনটো যেন আৰু নাহে
মনৰ তেজাল ঘোঁৰা এতিয়া নিদ্ৰালু হ'ল।

বুট জোতাৰ শব্দত সিদিনা আতংকিত মোৰ স্বদেশ
উত্তেজনাত কঁপিছিল নিঃকিন শৰীৰ
ৰুদ্ধ হৈছিল স্বপ্নাতুৰৰ গুমগুমনি
এতিয়া নিৰ্জনতাৰ বুকুত
নিঃ সহায়ৰ শোকাৰ্ত বিননি।

সেই দিনটো যেন আৰু নাহে
যিদিনা নিৰ্মাণৰ সলনি বাজিছিল ধ্বংসৰ শঙ্খ
বনজুইৰ দৰে জ্বলিছিল নিৰ্দোষ শিশুৰ হৃদয়
মন্দিৰে-মছজিদে প্ৰাৰ্থনাৰ বেদীত উচুপিছিল ভয়াৰ্ত মন।


সেই দিনটো যেন আৰু নাহে
আহে যদি আহক এটা নতুন প্ৰভাত
যিদিনা বতাহৰ সৈতে বৈ যাব শেৱালীৰ সুবাস
জিঘাংসা নত হ'ব নিৰ্মাণৰ বেদীত
মূৰ তুলি ঠিয় দিব মোৰ আহত স্বদেশ
শাৰদীয় নীল নীলিমাৰ ওৰণিৰ তলত।

OOO


## সোমদিৰিৰ পাৰৰ এটি অঞ্চল

**শ্ৰীমতী মণিষা শইকী**
*উঃ মাঃ ২য় বাৰ্ষি*

মই সদায়ে অতিক্ৰম কৰা ঠাইখিনি
সোমদিৰিৰ এটি পাৰ অঞ্চল
নিৰ্জনতাৰ অনুভূতিত
পকা ধানৰ ওপৰেৰে জিৰ্‌জিৰ্‌কৈ
পাৰ হোৱা মৃদু বতাহ
শিক্ষাৰ অতিথিশালা বুকুত সাৱতি লৈ
বিস্তীৰ্ণ পথাৰ। য'ত
জাক জাক টোকোঁৰা চৰাইৰ কলৰৱ।
মই সদায় অতিক্ৰম কৰা ঠাইখন
সোমদিৰিৰ পাৰৰ এটি অঞ্চল।
মোৰ প্ৰথম প্ৰৱেশত
নদীৰ ওপৰেদি পাৰহৈ গৈছিল
কোমল আভাৰ এটি সূৰ্য্য
বাঁহ গছত ৰ'দকাচলি লোৱা বগলীবোৰে
মাৰিছিল উৰা
গৈ গৈ পাইছিল কনপোনা খুড়াৰ ঘোঁৰা।
মই অতিক্ৰম কৰা এই ঠাইখিনি
সোমদিৰিৰ বুকুৰ চিনাকী
য'ত সদায়ে মুখৰিত হয়
কবিতা, গীত-মাত, ভাওনা-সবাহৰ সমধুৰ ধ্বনি
ভৰিষ্য- উন্মুখ এই ঠাইৰ মোহত বিচাৰি পাওঁ
মোৰ জীৱনৰ কবিতাৰ ধাৰা। ❑



# ঃ আইৰ চকুত কিয় চকুপানী ঃ



**শ্ৰী পুতুল ৰাজখোৱা**

*স্নাতক তৃতীয় বৰ্ষ*

আইৰ চকুত কিয় চকুপানী ?
এদিন আই আছিল সেউজী শ্যামলী
দূৰ দিগন্ত ব্যাপি বৈ যোৱা
কেঁচা কোমল সেউজী হাঁহি
বিস্তীৰ্ণ সেউজ শ্যামলী শিৰত
কেঁচা সোণৰ মুকুতা পিন্ধি
হালি-জালি উলাহতে নাচিছিল,
পাহাৰীয়া জুৰটিয়ে অবিৰত সুৰৰ তৰঙ্গেৰে
সৰগৰ দেৱতাকো বলিয়া কৰিছিল।
কোনে কাঢ়ি নিলে আজি
স্বৰ্ণ প্ৰসৰিনী আইৰ ওঁঠৰ হাঁহি
আজিও আছে আই সেউজী শ্যামলী
কিন্তু, আগৰ হাঁহি আৰু নাই।
আজি কেৱল আছে-
প্ৰাণহীন, সুৰৰ ধ্বনি বেদনা কাতৰ
প্ৰাণস্পৰ্শী বিননিৰ কৰুণ লহৰ,
যেন নুমাই যাব খোজা শিখাৰ শেষ কঁপনি।
আইৰ সেউজ হাঁহিত আজি তেজৰ চকুলো
বৰলুইতত গলিত মৃতদেহৰ সোঁত
লুইতে আজি কঢ়িয়াই নিছে
কোনোবা মাতৃৰ বুকুৰ ধন
কোনোবা গৃহবধুৰ কঁপালৰ
তেজৰঙা সেন্দুৰৰ ফোঁট।
এতিয়া আহত প্ৰতিখন হৃদয়ে ধিক্কাৰ দিছে
গাভৰু দেহৰ কেঁচা মঙহৰ সোৱাদ লোৱা
বীভৎস শগুনবোৰক। কিন্তু প্ৰৱেশিছে জানো
সিহঁতৰ কৰ্ণকুহৰত সেই ধ্বনি
আইৰ চকুত কিয় চকুপানী ? □

# মই যদি



**শ্ৰীভূপেন ৰাজখোৱা**

*স্নাতক ২য় বাৰ্ষিক*

মই যদি এটি জুৰি হওঁ
খিলখিলাই নামি আহোঁ পাহাৰৰ পৰা
চাবনে মোক কোনোবাই নয়ন জুৰাই।
মই যদি এপাহী গোলাপ হওঁ
ফুলনি শুৱাই ফুলা
চৌদিশে আমোল মোলায়,
থব হৈ ৰবনে পথক্লান্ত কোনোবা পথিক।
মই যদি এটা তৰা হওঁ
লুকা-ভাকু খেলোঁ
ৰচিবনে কোনোবা কবিয়ে সুবীয়া কবিতা।
মই যদি হওঁ বসন্তৰ কুলিটি
বিহুৰ বাতৰি দিওঁ
কুউ, কুউ ধ্বনিৰে
ঢাপলি মেলিবনে কোনোবা বিহুৱা নাচনী। □

# ৯৪ৰ নতুন বন্দী

শ্ৰীপ্ৰদীপ দত্ত
*গ্ৰন্থাগাৰিক*

পিঞ্জৰাত ভৰাই থোৱা বাঘটোৰে
ক্ষুদ্ৰ গেলা মঙহ টুকুৰা টানি আছে
জীয়াই থকাৰ দুৰ্বাৰ হেঁপাহত।
তাৰ প্ৰতিদিনাৰ চিন্তাত উদ্ভাষিত হৈ উঠে
পেট ভৰাই খাবলৈ পোৱাৰ সপোন।

স্বাস্থ্যৰ বাবে নিবিচাৰে সি সুখাদ্যৰ স্বাদ
জীয়াই থকাই তাৰ কাম্য আৰু নিৰৱ প্ৰতীক্ষা
পাব নেকি তাৰ প্ৰাপ্য।
কোনে দিব?
প্ৰতিহিংসাত জিলিকি উঠে ঘোলা চকু মোৰ।


এতিয়া কেইবাটাও বাঘ পিঞ্জৰাত সোমাল
খং আৰু ভয়ত জ্বলি আছে সিহঁতৰ দুচকু,
সিহঁতৰ প্ৰতীক্ষা—
কৃত্ৰিম হাঁহি মাৰি পলাই যোৱা দিশটোলৈ। □

# ঃ আমি একে পথৰে যাত্ৰী ঃ

শ্ৰীমতী নিজৰা কলিতা
*স্নাতক ২য় বাৰ্ষিক*

*একে ঈশ্বৰ একে আল্লা একে ভগৱান*
*একে ৰাম একে ৰহিম একে আমাৰ প্ৰাণ।*
*একেই মাতৃ একেই ধাত্ৰী নাম ধৰিত্ৰী*
*একে আমাৰ জন্ম ইতিহাস একে পথৰ যাত্ৰী।*
*একে স্বৰ্গ, একে বেহেস্ত একে শান্তিৰ ধাম।*
*মনু শতৰূপ আদম-ইভ একে বংশ নাম।*
*একে আকাশ একে বতাহ একে আমাৰ আশা*
*হৰ্ষ-বিষাদ একে আমাৰ এডাল সুঁতাৰে গঁথা*
*আমি একে পথৰ যাত্ৰী।* □

# প্ৰহৰী



শ্ৰীমালিন্য গগৈ
*স্নাতক ২য় বাৰ্ষিক*

মই মাতৃভাষাৰ বন্দুকত
ভৰাই লৈ শব্দৰ গুলী
নিক্ষেপ কৰো অহৰহ শত্ৰুৰ হৃদয়লৈ
ঢলি পৰে নিশাৰ অমঙ্গলীয়া ফেঁচাবোৰ।
শব্দৰ ঝংকাৰত থমকি ৰয়
মাতৃৰ উৎপীড়নকাৰী সহস্ৰ ৰাৱনী সেনা,
ৰক্ষা পৰে আইৰ স্বাতন্ত্ৰ্য-নিজস্বতা!
লিখনিৰ খোঁচত মোৰ
ধ্বংস হয় মাতৃ ভাষা নিৰ্বাসনৰ গভীৰ নিৰ্জনতা
সুৰক্ষিত হয় মাতৃৰ সতীত্ব- পৱিত্ৰতা।
নাশিবলৈ ব্যক্তিবাদ, পুঁজিবাদ আৰু জাতিৰ ভিন্নতা
মোৰ বন্দুক সদৃশ লিখনিয়ে বিচাৰে
আইৰ সমস্ত স্বাধীনতা।
শান্তি মোৰ প্ৰতীক, প্ৰেম একতাৰ সেঁতু বান্ধোন
ভাতৃত্বৰ এনাজৰী লৈ মই
সংস্কৃতিৰ বাহক
অন্ধকাৰক ভেটা দিবলৈ মই
পোহৰ সীমান্তৰ পহৰীয়া। ◆

# সংলাপ

শ্ৰীশৰৎ কাকতি
*স্নাতক ৩য় বৰ্ষ*

প্ৰথম ঃ বহুদিনৰ আগতে শুনিছিলো,
বুঢ়ী আইৰ কোলাত বহি,
মৰহা সময়ত স্বাধীনতাৰ নামত,
বিষ্ণুৰাভাৰ এটি কণ্ঠ-সংগীত,
হৃদয় বিদৰা কবিৰ কণ্ঠস্বৰে,
শ্যামলিমা কালৰ উৰনী উৰাই।

দ্বিতীয় ঃ মোক লাগে এখন নিকা সমাজ,
জনতাৰ বুকুয়েদি পাৰহে নাযায়.
অথাই সাগৰৰ হাড় কঁপোৱা বতাহ,
এমুঠি অন্নৰ বাবে সাক্ষাৎকাৰৰ বেলা,
প্ৰতিজন জনতাক অৰ্থ-পিশাচহতে,
ভেবাকুটীয়া ধেমালীয়ে সম্ভাষণ নজনায়।

তৃতীয় ঃ মোক লাগে এখন বিচাৰালয়,
শ্বহীদৰ বিবেকত থিতাপি লোৱা,
জয়গানৰ স্বাধীনতাৰ সংলাপ,
শাসক দলৰ মাজত খোদিত হোৱা,
বিচাৰৰ দিনা বন্দুকৰ ট্ৰিগাৰ দেখি,
পলাই নোযোৱাৰ সাহস।

চতুৰ্থ ঃ সময়ৰ চাকনৈয়াত মন-পিৰালিত বহি,
ভাবিছিলো কোন দেশৰ স্বাধীনতাৰ সপোন?
দেখিছিলো চেইণ্ট হেলেনাত বাগৰি অহা,
নেপোলিয়ন ব'নাপাৰ্তৰ হুমুনিয়াহৰ চকু-দুটি।

পঞ্চম ঃ মোক লাগে মহাত্মাৰ দৰে স্বজাতি লোক,
আচম্বিতে এপদ বস্তু যাঁচি খ্যাতি লোৱা,
ইংৰাজৰ উপনিৱেশিকতাৰ শিকলি খুলি,
গৰ্ভৱতী তিৰোতাৰ চকুৰ লোতক মচিব জানে।

ষষ্ঠ ঃ মোৰ কবিতাৰ সাঁজত ভাবৰ মঞ্জুৰী,
জন অৰণ্যত মই এজন অনাভূৰা,
আছিলো মৰুদ্যানৰ পদযাত্ৰী,
এতিয়া গিৰিখাটৰ বৰফৰ মাজত। □□

# আৰাধনা

অধ্যাপক পৰশ গোস্বামী
*ৰাজনীতি বিজ্ঞান বিভাগ*

শিল ভঙা বনুৱা মই
দিনৰাতি বান্ধিছো গঢ়িছো
জীৱনৰ অবিৰত আলি;
বাটৰুৱাৰ কিযে বিপত্তি?
কৰিছো আৰতি,
মাথো তেজৰ চেকুৰা সৰি পৰে
উপলব্ধিত............

যেন সৌৰভ বিলাই যোৱা
ৰাতিৰ এপাহ শেৱালী।।
আকোঁৱালি লৈ আগুৱাই আছোঁগৈ...........
পাবলৈ............
ৰূপালী জোনে বহন
বিলোৱা খনি।

মৰুময় সপোন দেশত
দিনে ৰছো দিনে গাও
মৌ সনা কবিতাৰ চন্দ
সেউজ তবাৰ স্মৃতি
লুকা-ভাকু কৰে নিতে
সঁচাই অপেক্ষিত পেইতি? ●

## ।। বিদায় ।।

শ্ৰীকেশ ৰাম নাথ
*স্নাতক ২য় বৰ্ষ*


বিদায় বন্ধু! মাগিছো মেলানি
মৃত্যুৰ শয্যাত আজি পৰিছো বাগৰি।
বীৰৰ সন্তান মই মৃত্যুলৈ নাই ভয়,
গুলীবিদ্ধ মুখত শেঁতা হাঁহি লৈ
মৰণ যন্ত্ৰণাত ছট্‌ফটাই তোমাৰ ওচৰত
মাগিছো বিদায়।

অতৰ্কিতে দুবৃত্তই আজি মোৰ শিবিৰত
বন্দুকৰ গুলীৰে থকা-খৰকা কৰিলে গোটেই শৰীৰ।

এয়া বন্ধু! মই আজি
তেজেৰে লুতুৰি-পুতুৰি
মোৰ মৃত্যুৰে তোমাৰ হৃদয়তো জ্বলাব অগনি।

অসম মাতৃৰ পূজাত সকলোকে বিষৰ্জন দি
দুহাতেৰে মই মৃত্যুক ধৰিছো সাবতি।

বন্ধু! নুটুকিবা চকুলোঁ
মোৰ দৰে আজি বীৰৰ সাজেৰে সাজি
তুমিও ওলোৱা।





## ৰঙানদী

শ্ৰীমনোজ কুমাৰ গগৈ
*স্নাতক ২য় বৰ্ষ*

শ্যামলী আইৰ বুকুত চিৰ বহ্নিমান তুমি
বলিয়া যৌৱনত আত্মহাৰা হৈ
তুমিয়ে বিলোৱা অমৃতৰ ধাৰা
সঁচাকৈয়ে তুমি, তুমি ৰঙানদী।
বৰ্ষাকালত যেতিয়া তোমাৰ ধেমালীত
আমাৰ সপোনবোৰ হৈ ৰয়,
তেতিয়া নিমজ্জমান নিজৰ মাজত
নিৰাপত্তাৰ গোপন কক্ষত
লালসাৰ চকু মেলি পোহৰ নেদেখো
ক্ৰোধত বিৰোধ হওঁ তোমাৰ লগত।
তথাপি
ভাঁহি উঠে মানস পটত
ধেমালীৰ দিনবোৰ
তোমাৰ কোলাতে বহি কঁহুৱাৰ মাজে মাজে
নাছিলোনে খেলা মই
ধেমালীৰ প্ৰথম আখৰা।

# সমিধান

শ্ৰীপ্ৰবীন গগৈ
স্নাতক প্ৰথম বাৰ্ষিক

মই আজি দিকভ্ৰান্ত উপায়বিহীন,
দিশহাৰা পাথক, যাওঁ কোন দিশে
প্ৰেয়সীৰ কাষলৈ মৰম বিচাৰিনে?
জীৱন পন কৰি
আইৰ মুক্তিৰ বাবে ছহিদ হ'বলৈ।
মই অহিংসা নীতি অৱলম্বন কৰি
পৰম ব্ৰহ্মক অন্বেষণ কৰিমনে?
হাতত বন্দুক লৈ
অসমী আইৰ মঙ্গলৰ বাবে জীৱন উচৰ্গা কৰিম।
মই লাঞ্চিতা, বঞ্চিতা আই মুক্তিৰ বাবে
মহাত্মা আদৰ্শ লমনে?
অস্ত্ৰেৰে মুক্তি বিচৰা
সুভাষ চন্দ্ৰ বসুৰ পথ লম
মই ফুলৰ দৰে হৃদয় গঢ় দি
শিল্পী হ'বলৈ প্ৰয়াস কৰিমনে?
চালনাৰে ৰাইজক ভুৰা দি
দেশৰ ৰজা হ'বলৈ চেষ্টা কৰিম?
আজি মোক এই সমিধান কোনে দিব
মোৰ দেউতাইনে মোৰ শিক্ষা গুৰুৱে?? □

# উচ্চ শিখৰ

শ্ৰীমুকুত চন্দ্ৰ বড়া
স্নাতক ২য় বাৰ্ষিক কলা

মোৰ যাত্ৰাত
উলঙ্গ বেশৰপৰা ক্ৰমে ক্ৰমে
উচ্চ শিখৰত আৰোহণৰ পৰিক্ৰমা।
উচ্চ সভ্যতাৰ ৰহণত সোমায় পৰিলো মই
দৌৰিছো পুনৰ আজি
অসভ্য-ব্যাভিচাৰ চ'ৰালৈ।
য'ত জ্বলিছে আজি
নগ্নবেশৰ পোছাক
য'ত নিৰ্ভয়ে চলিছে
ভাতৃত্বহীনতা, হিংসা-বিদ্বেষৰ প্ৰতি আকুলতা।
এক মাৰাত্মক প্ৰেম চলিছে চৌপাশে
যি প্ৰেমে মাথো চিনি পাই ধ্বংস, হত্যা, লুণ্ঠনৰ স্বাদ।

সেই প্ৰেমৰ বলিয়ালিত পৰি
আমি দৌৰিছো আজি
অসভ্য সভ্যতাৰ কোলাহল কৰি। □

# চিনা-পৰিচয়

## একাঙ্কিকা নাট

**শ্ৰীমতী কৰিতা সন্দিকৈ**
*উঃ মাঃ প্ৰথম বাৰ্ষিক*

**চৰিত্ৰসমূহ ঃ**

১) ৰঞ্জিত-- কলেজীয়া ছাত্ৰ (১৮ বছৰ)
২) মাক-- ৰঞ্জিতৰ মাক (৪০ বছৰ)
৩) মামু-- ৰঞ্জিতৰ ভনীয়েক (১২ বছৰ)
৪) মিঃ চৌধুৰী-- ৰঞ্জিতৰ দেউতাক (৫০ বছৰ)
৫) মিঃ বৰুৱা-- ৰুমীৰ দেউতাক (৩০ বছৰ)
৬) ৰুমী (পল্লৱী)-- নাটৰ মুখ্য চৰিত্ৰ (১৭ বছৰ)

*(এটা কোঠাত তিনিখন চকী আৰু এখন টেবুল। টেবুলত থাকে এটা ফুলদানী। চকী এখনত বাতৰি পঢ়ি থকা অৱস্থাত মিঃ চৌধুৰী। বেৰত দেখা যায় এখন কেলেণ্ডাৰ। এনেতে হাতত একাপ চাহ লৈ সোমাই আহে কাম কৰা ছোৱালী ৰুমী।)*

**ৰুমী ঃ** (টেবুলত চাহ থৈ) দেউতা চাহ খাব।

**চৌধুৰী ঃ** (ৰুমীলৈ মূৰ দাঙি চাই) আগতে মোক ঠাণ্ডা পানী এগিলাচ দেচোন। (ৰুমীয়ে ভিতৰৰ পৰা পানী এগিলাচ আনি)

**ৰুমী ঃ** এইয়া পানী লওক। (ৰুমী লগে লগে ওলাই যায় আৰু ৰুমীৰ ফালে থৰ লাগি চাই থাকে চৌধুৰীয়ে)

**মাক ঃ** (ভিতৰৰ পৰা ওলাই আহে) কিনো নেদেখা মানুহৰ দৰে থৰ লাগি চাই আছে।

**চৌধুৰী ঃ** অ' একো চোৱা নাই। এনেয়ে মানে.......।

**মাক ঃ** মানে এনেয়ে......... চাহ খাবলৈ পাহৰিছে যে।

**চৌধুৰী ঃ** অ' হেৰি মানে ৰুমীজনীৰ কথাকে ভাবিছোঁ। ইমানজনী ছোৱালী লোকৰ ঘৰত কাম কৰি খাইছে, অথচ তাইক দৰমহাও নেলাগে হেনো।

**মাক ঃ** নেলাগিলেতো ভালৰে কথা, তাতে কি চিন্তা কৰি মূৰ ঘমাব লগীয়া আছে। চাহ দেখোন একেবাৰে চেঁচা হ'ল। চাহৰ চেঁচা বোলে মাছৰ কেঁচা।

**চৌধুৰী ঃ** অ'..... অ' (চাহ কাপ লৈ অলপ খায়) এহ একেবাৰে চেঁচা হ'ল। কি খাবা আৰু এইটোপা। (এই বুলি চাহ কাপ থয়)

**মাক ঃ** সেইখন কি বাতৰি ললেনো? (চকীত বহি)

**চৌধুৰী ঃ** (গুৰুত্ব নিদিয়াৰ ধৰণেৰে) এৰা আজি কালি বাতৰিবোৰত একদম একো নাইকীয়া হ'ল বুজিচানে? সদায় লিখাকে লিখি মাত্ৰ পাট ভৰাইছে। আলফা নহলে যেন বাতৰিবো মৰণ মিলে। নতুন কথা বাতৰিবো যেন নায়েই, সদায় মৃত্যু, হত্যা, ধৰ্ষণ, ডকাইতি মন্ত্ৰী মুদাগৰৰ কাৰ্যৰহে বৰ্ণনা।

**মাক ঃ** অ' ৰুমী অ' এইফালে আহচোন। (ৰুমী সোমাই আহে।) এই কাপ চাহ দেউতাৰে নাখালেই লৈ যা, চাহ খিনি পেলাই কাপ প্লেটযোৰ ধুই থবি। (ৰুমী কাপ প্লে লৈ ওলাই যায়)

**চৌধুৰী ঃ** ৰুমীজনীক তুমি একেবাহে কামতে লগাই থাকা নেকি?

**মাক ঃ** ক'তনো একেবাহে লগাও। দুই এখন কৰাও আৰু কাম কৰিবলৈ ৰাখিছো যেতিয়া দুই এখন নকৰিলে তাইৰ ভাত কেইটাকে মুকলি হয় কেনেকৈ?

**ৰঞ্জিত ঃ** (ভিতৰৰ পৰা আহে) অ' মা আজি জিতুৰ birth day party এপাক মাৰি আহোনে?

**মাক ঃ** কাহানিবা কৰবালৈ গ'লে যাওঁ বুলি কৈ পাই নে না আজিয়ে সুধিবলৈ আহিছ।

**ৰঞ্জিত ঃ** মানে নগ'লে কথাতো বেয়া হ'ব। যাব লাগিছিল।

**মাক ঃ** যাব লাগিছিল যা আক' মই কি থৈ আহিব লাগি নেকি?

**ৰঞ্জিত ঃ** থৈ আহিব নেলাগে গাড়ীয়ে থব, মানে গাড়ী তেলহে অকনমান আছে।

**চৌধুৰী ঃ** তাকেনো নকৰ কেলৈ টকা ২০ টা দিয়ক বুলি এটকা এটা ইনকম্ নাই খৰচ কৰাৰ প্ৰকোপ কি নেদেখি (পকেটৰ পৰা উলিয়াই) ল এইটো। (ৰঞ্জিতে খুজুৰাই খুজুৰাই লৈ ওলায় যায়)

**চৌধুৰী ঃ** তুমি ৰুমীক লক্ষ্য কৰিছানে? লোকৰ ঘৰত কাম খোৱা ছোৱালী এজনী ইমান স্মাৰ্ট। ইফালে লি

পঢ়াও নাযানে। কেতিয়াবা কেতিয়াবা ৰঞ্জিতৰ টেবুলত কিতাপ পত্ৰবোৰ লুটিয়াই থাকে, একেবাৰে পঢ়া-শুনা ছোৱালীৰ দৰে।

মাক ঃ সোণে পঢ়া দেখি চাগৈ তাইৰো পঢ়িবলৈ মন যায়। কিতোনো বুজি পায় এনেয়ে। আপুনিতো ইমান দিনে কাম কৰা ছোৱালী এজনী আনি দিব নোৱাৰিলে। ঈশ্বৰৰ কৃপাত বেচেৰী নিজেই আহি ধৰা দিলেহি।

চৌধুৰী ঃ ছোৱালী এজনীৰ কথা বৰুৱাই মোক কাহানিবাই কৈছিল, একেবাৰে পিছদিনাই অফিচত দিয়াৰ কথা পতা, তেওঁ ছোৱালী দিয়াহে নালাগে মানুহটোৰ ছাঁটোকো এবছৰমান দেখিবলৈ নোহোৱা হ'ল।

মাক ঃ এতিয়া লগ পালে কৈ দিব ছোৱালী নালাগে বুলি। (ক্ষন্তেক বিৰতিৰ পিছত) অ, কথা এটা পাহৰিছোৱেই। অ, ৰুমী ৰুমী অ, সেই বাহিৰত থকা দেউতাৰৰ আৰু মামুৰ কাপোৰকেইটা ধুই দেচোন। (চিঞৰি)

চৌধুৰী ঃ মমীয়ে তাইৰ কাপোৰ কেইটাও ধুই লব নোৱাৰেনে?

মাক ঃ তাই পঢ়িব লাগে। (এনেতে মমী ভিতৰৰ পৰা দৌৰি অহাদি সোমাই আহে হাতত এখন মাৰ্কচিট)

মামু ঃ অ, দেউতা চাওকচোন চাওক এইখন কাৰ মাৰ্কচিট। বাতৰি জাপটোত পাইছো একেবাৰে দুখন বাতৰিয়ে বান্ধি থৈছে।

চৌধুৰী ঃ চাওঁ চাওঁ (মাৰ্কচিটখন লয়) এইখন মেট্ৰিক পৰীক্ষাৰ মাৰ্কচিট দেখোন। পল্লবী বৰুৱা......1st division (নিজকে প্ৰশ্ন কৰে, কৰ পল্লবী হ'ব) মামু তই ক'ত পালি এইখন।

মামু ঃ আমাৰ যে শেল্‌ফৰ ওপৰত পুৰণা বাতৰি জাপতো তাৰ একেবাৰে তলত দুখন বাতৰিয়ে বান্ধি থৈছে।

মাক ঃ চাওঁ চাওঁ মোক দিয়কচোন নামতো কৰবাত শুনা যেন লাগিছে। আপোনাৰ মনত নপৰেনে।

চৌধুৰী ঃ এবা নামতো ক'ত শুনিছো মনত পেলাব পৰা নাই। বাৰু Roll আৰু No চাই উলিয়াব পৰা যাব। পিছে মোৰ ঘৰৰ শেল্‌ফত ওলোৱাটোৱে ৰহস্য বঞ্জিতে কৰবাৰ পৰা আনি থৈছে বা।

মাক ঃ সিনো লোকৰ ছোৱালী এজনীৰ মাৰ্কচিটখন পাব কেনেকৈ? (মেট্ৰিকৰ মাৰ্কচিটখন এলাপেচা বস্তু নহয় দিয়কচোন, দিবলৈ।)

চৌধুৰী ঃ মামু নাম আৰু Roll নম্বৰটো মোক ভালকৈ কাগজখনত লিখি দেচোন আজি অফিচত কথাতো উলিয়াব লাগিব। (ঘড়ী চাই) হেৰা মোৰ যাবৰ হ'লেই নহয় ভাত নুখুৱাবা নেকি আজি।

মাক ঃ নুখুৱাই কি সাঁচি থম নে, অকল মইয়ে খাম। আহক! আহক! ভাত দিওঁ (ভিতৰলৈ সোমাই যায়) (মামুৱে কিবা এটা লিখে আৰু চৌধুৰী ভিতৰলৈ যায়।) মামুৱে মাৰ্কচিটখন একাগ্ৰভাৱে চাই থাকে।

মাক ঃ এইখন ফাইলত ভৰাই থগৈচোন যা সোণ আহিলে সুধি চাম, সি অনা নেকি?

মামু ঃ মা দাদা কেনি গৈছে?

মাক ঃ জিতুৰ birth day খাবলৈ। (এনেতে ভিতৰৰ পৰা)

চৌধুৰী ঃ ঐ, মামু চাওঁ নম্বৰটো লৈ আহচোন। (মামু ভিতৰলৈ যায়) (ৰুমীয়ে ভিতৰৰ পৰা ঘৰ সাৰি সাৰি সোমাই আহে) মামু আকৌ আহি)

মামু ঃ মোৰ স্কুল আজি দেৰিয়েই হব দেখিছোঁ। এইখন ক'ত থয় আপুনিয়েই থওক। মই দাদাৰ টেবুলতে থৈ যাওঁ। এইবুলি টেবুলৰ বাতৰি আৰু মাৰ্কচিটখন লৈ ভিতৰলৈ যায়।) (ৰঞ্জিত বাহিৰৰ পৰা আহে)

ৰঞ্জিত ঃ মা গাড়ীত তেল ভৰাই আনিলো। birth day party লৈ গ'লে মেজৰৰ Class টো খতি হব যেন পাইছো। কি কৰোঁ জানো?

ৰুমী ঃ খোৱাতকৈ তুমি পঢ়াতো মেজৰ কৰিছা নেকি? তেন্তে খোৱাতো কি পাছ কৰ্'চ।

মাক ঃ হ'ল যেনিবা এদিন খতি। তোৰ পঢ়া ফুৰা, খোৱাৰ ৰুটিন মই কৈ থাকিব লাগে নেকি?

ৰঞ্জিত ঃ পঢ়া ফুৰাৰ নালাগে বাৰু। খোৱাৰ ৰুটিন মতে ভাট কেইটা দিয়ক। এনেয়ে এপাক যাওঁ শৰ্মা চাৰৰ ক্লাচটো নেপালেও বাকী কেইটা পাম।

মাক ঃ ভাত বাঢ়ি থৈছো, অ, তোৰ লগত কথা এটা আছে।

ৰঞ্জিতঃ কি কথা থাকিল আকৌ। এনেয়ে দেৰি হৈছে।

(ভিতৰলৈ সোমাই যায়)

মাক ঃ বাৰু দেৰি হৈছে যদি যা। পাছত পাতিম।

ৰঞ্জিত ঃ (ভিতৰৰ পৰা মাৰ্কচিটখন লৈ আহি) মা এইখন মাৰ্কচিট কাৰ?

ৰুমী ঃ (সোতাতো পেলাই) মাৰ্কচিট.........।

মাক ঃ তোক সেইখনৰ কথাকে সুধিব খুজিছিলো। মামুৰে বোলে শেল্‌ফৰ ওপৰত বাতৰি কাকতৰ তলত পাইছে। ক'ৰ পল্লবী বৰুৱা ইফালে ওলাইছেহি আমাৰ শেল্‌ফত।

ৰঞ্জিত ঃ (মাৰ্কচিটখন চাই) আৰে 1st division ছোৱালী কি ৰহস্য।

ৰুমী ঃ (কান্দি কান্দি) ৰহস্য।

ৰঞ্জিত ঃ ৰুমী তোমাৰ হ'ল কি কান্দিছা যে ।

ৰুমী ঃ ৰহস্য হয়তো ডাঙৰেই ৰঞ্জিতদা।

ৰঞ্জিত ঃ কথা কি কোৱানা।

ৰুমী ঃ এইখন মোৰ মাৰ্কচিট মেট্ৰিক পৰীক্ষা দিয়া বঞ্জিত দা ফালি পেলাওঁ, এইখনৰ কোনো মূল্য নাই।

মাক ঃ নাই নাই, এইখন কিয় ফালিবি। আচল কথাটো ক'।

ৰঞ্জিত ঃ সঁচা কথা কোৱা ৰুমী- 1st division পাই মেট্ৰিক পাছ কৰা এজনী তুমি ছোৱালী হৈ আমাক কিয় মিছা পৰিচয় দিছা।

ৰুমী ঃ কিয় নকবা। মানে এইখন তোমাৰ নহয়; কাৰোবাৰ পৰা অপহৰণ কৰি আনিছা তুমি। জানা জানো তুমি মেট্ৰিকৰ মাৰ্কচিটখনৰ মূল্য কিমান?

ৰুমী ঃ জানো ৰঞ্জিতদা, কিন্তু মোৰ দৰে দুৰ্ভগীয়াৰ ওচৰত এইখনৰ কোনো মূল্য নাই।

মাক ঃ সঁচানে ৰুমী এইখন, তোৰ মাৰ্কচিট মই কেনেকৈ বিশ্বাস কৰোঁ।

ৰুমী ঃ মাত্ৰ মোক বিশ্বাস কৰক মা 1st division পোৱা এজনী ছোৱালীয়ে বান্দী খাটিছো আপোনাৰ ঘৰত।

ৰঞ্জিত ঃ তেন্তে তুমি বিবৰি কোৱা এইখন মাৰ্কচিটৰ এই গতি কিয় হ'ল।

ৰুমী ঃ ভাবিছিলো ৰহস্যৰ সতে মুখামুখী নোহোৱাকৈয়ে ইহলীলা সম্বৰণ কৰিম, কিন্তু আজিৰ পৰিস্থিতিয়ে তাক হয়তো হবলৈ নিদিব।

ৰঞ্জিত ঃ হয়তো এইটোৱেই তোমাৰ বাবে সৌভাগ্য।

মাক ঃ আচল কথাতো কোৱাচোন। তুমি কিয় আজি এনেদৰে থাকিব লগা হ'ল।

ৰুমী ঃ কবইতো লাগিব, যিহেতু পৰিস্থিতিয়ে বাধ্য কৰিছে (লাহে লাহে কৈ তিনিও চকীত বহে) হয়তো সকলো কথা বিশ্বাস কৰিবলৈ টান পাব, যদি মোক আপোনালোকে এজনী বান্দী হিচাপে বিশ্বাস কৰিব পাৰিছে, তেন্তে কোনো ডাঙৰ কথা নহয়।

ৰঞ্জিত ঃ আৰু তুমি নিজকে বান্দি বুলি দোহাৰিব নিবিচাৰিবা।

ৰুমী ঃ মোৰ মা-দেউতা কোন ক'ত আছে, আছেনে নাই তাকো মই নাজানো। মোৰ মনত থকাৰ পৰা মই এজনী নাৰায়ণপুৰৰ স্টেট বেংকৰ মেনেজাৰৰ ঘৰৰ কাম কৰা ছোৱালী, তেওঁ হেনো মোক অনাথ আশ্ৰমৰ পৰা আনিছিল। তেওঁৰ নাম উৎপল বৰুৱা।

মাক ঃ উৎপল বৰুৱা, তেওঁতো আমাৰ দেউতাৰ লগত একেলগে কাম কৰে।

ৰুমী ঃ তেওঁকো মই দেউতা বুলিয়েই মাতিছিলো (কান্দি কান্দি) নোপোৱাৰ বেদনাত মই, মা-দেউতা বুলি আত্মতৃপ্তি লভিছিলো। দেউতাই মোক সঁচাই পিতৃত্ব স্নেহ জাছিছিল। কিন্তু মাৰ পৰা সেই স্নেহৰ অভাব আছিল। মোৰ বাবে দেউতাই কত যে কি লাঞ্ছনা ভূগিছিল।

মাক ঃ আমি জনাত বৰুৱাৰ নিজৰ সন্তান নাই সেয়ে তোমাক অলপ মৰম কৰিছিল।

ৰুমী ঃ দেউতাৰ কৃপাত স্কুলৰ মুখ দেখাৰ সৌভাগ্য মিলিল। কিন্তু মাৰ কঢ়া আদেশত স্কুললৈ যোৱা নহয়। দেউতা নথকাত কতযে মাৰ এই পিঠিয়ে হজম কৰিলে।

ৰঞ্জিত ঃ সেই পৰিৱেশতো যে তুমি পঢ়া-শুনা বজাই ৰাখিব পাৰিলা আচৰিত।

ৰুমী ঃ মায়ে মোক প্ৰথম দিনা মেট্ৰিক দিবলৈ আহোঁতে কলমটো ভাঙি দেউতাৰ গালৈ দলিয়াই দিছিল। কিন্তু দেউতাই মৌনতা ভঙ্গ নকৰিলে। নকৈ নোৱাৰো দেউতা মোৰ বাবে আছিল দেৱতা স্বৰূপ।

ৰঞ্জিত ঃ সিমান মৰমতো তুমি দেউতাক কিয় এৰি আহিলা?

ৰুমী ঃ সেই মৰম দেউতাৰ বাবে মোৰো আছিল কাৰণ, মোৰ বাবেই তেওঁলোকৰ সংসাৰ ভাগি যোৱাৰ উপক্ৰম হৈছিল। সিদিনা মোৰ মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট দিয়ে। দুদিনৰ পাছত দেউতাই মোক মাৰ্কচিটখন আনি দিলে, দেউতাৰ গৌৰৱত মায়ে অপমান বোধ কৰি মোক আনকি দেউতাকো সিদিনা ভাত নিদিলে। সেয়ে সিদিনা ৰাতিয়েই মোৰ একমাত্ৰ সম্বল মাৰ্কচিটখন লৈ মেলানি মাগিলো, দেউতাৰ অজানিতে।

ৰঞ্জিত ঃ আৰু মামুৰ অনুৰোধত আমাৰ ঘৰ পালাহি।

মাক ঃ তুমিতো আচল কথাতো তেতিয়াই কব পাৰিলাহেঁতেন।

ৰুমী ঃ দেউতাৰ চকুত ধৰা পৰোঁ বুলিয়েই মই এই কথা গুপ্ত কৰি ৰাখিছিলো। (এনেতে মামু স্কুলৰ পৰা আহে)

মামু ঃ আৰে আজি দেখোন আলহী বহাদি একেবাৰে বহি আছে কি হ'ল। ৰুমী বাইদেউ কান্দিছা দেখোন কি হ'ল তোমাৰ।

মাক ঃ কি হোৱা দেখিলিনো। আজি মামুজনীক নাপাই দুখ কৰিছে হব পায়। পিছে তইযে ইমান সোনকালে স্কুলৰপৰা আহিলি?

মামু ঃ (ৰুমীৰ চকুপানী মচি) কোনোবা মন্ত্ৰী এজন মৰিল বোলে সেই বাবেই শোক সভা হ'ল। মই নথকাত আপুনি ৰুমীবাক বেছিকৈ কাম কৰাইছে নেকি?

মাক ঃ নিদিওঁ নিদিওঁ তোৰ ৰুমী বায়েৰাক কাম কৰিবলৈ। আজিৰ পৰা তই কাম কৰিবি আৰু ৰুমীয়ে পঢ়িব। (এনেতে সোমাই আহে চৌধুৰী আৰু বৰুৱা)

চৌধুৰী ঃ আৰে তোমালোক আটায়ে দেখোন ইয়াতো মহলা মাৰিছা। (সকলো চকীৰ পৰা উঠে) ৰুমীয়ে দুহাতেৰে মুখ ঢাকি দেউতা বুলি চিঞৰি গাত ধৰেগৈ বৰুৱাৰ।

বৰুৱা ঃ মোৰ সোণজনী। (দুয়ো কান্দে)

চৌধুৰী ঃ বৰুৱা কন্দা কটা খনৰ কি প্ৰয়োজন এতিয়া। পিতৃ-কন্যাৰ মিলনত আনন্দহে কৰিব লাগে।

ৰঞ্জিত ঃ পিতৃ-কন্যাৰ মিলন স্থলীৰ দৰ্শক হিচাপে আমিও আনন্দ কৰোঁ তেন্তে। (চৌধুৰীয়ে বৰুৱাক আৰু ৰঞ্জিতে ৰুমীক ধৰি চকীত বহুৱাই দিয়ে)

ৰুমী ঃ দেউতা মই ইয়াত আছো বুলি আপুনি কেনেকৈ জানিলে।

চৌধুৰী ঃ ৰুমী, তোমাৰ দেউতাৰে ময়ে একে অফিচতে কাম কৰো। তোমাৰ দেউতাৰে মোক এজনী কাম কৰা ছোৱালী দিয়াৰ কথা আছিল। বহুত দিনৰ মূৰত লগ পাই আজি কথাতো উলিয়াইছিলো, তেতিয়াহে কথাতো ওলাইছে।

বৰুৱা ঃ চোৱা আকৌ তোমালৈ মই কি আনিছো (বেগটোৰ পৰা কাপোৰ এযোৰ উলিয়াই)

ৰুমী ঃ কাপোৰ যোৰে মুখ ঢাকি কান্দে) এইযোৰ পিন্ধাৰ দিন জানো মোলৈ আহিব দেউতা।

ৰঞ্জিত ঃ কিয় নাহিব, আজিয়েই পিন্ধিব লাগিব তুমি।

মাক ঃ এজনী অনাথ ছোৱালীৰ প্ৰতি আপুনি বহুত কৰুণা কৰিলে বৰুৱা আপোনাৰ দৰে পুৰুষ আজিৰ দিনত দুৰ্লভ।

বৰুৱা ঃ এই কথা যে মোৰ বাবে বজ্ৰপাত আপুনিতো নাজানে। সঁচাই মোৰ দৰে মানুহ এই পৃথিৱীত দুৰ্লভ, যি নিজৰ সন্তানক পিতৃৰ পৰিচয় দিয়াৰ সাহস নাই।

চৌধুৰী ঃ মিঃ বৰুৱা আপোনাৰ কথাই কি বুজাব খুজিছে অলপ সৰল ভাষাৰে ক'বনে?

বৰুৱা ঃ তেন্তে একে যাৰেই কওঁ এই পল্লবী মোৰেই একমাত্ৰ অবৈধ সন্তান।

ৰুমী ঃ দেউতা.........। (আকৌ কান্দে)

বৰুৱা ঃ পল্লবীৰ মাকক মা-দেউতাই বিয়া পাতিবলৈ নিদিলেও কিন্তু আমাৰ গুপ্ত প্ৰণয়ৰ ফল স্বৰূপে থাকি গ'ল পল্লবী। পল্লবীৰ প্ৰসৱ যান্ত্ৰণাতে মাকৰ মৃত্যু হ'ল। মই তাইক অনাথ আশ্ৰমত গতাই দিলো।

মাক ঃ কিন্তু তাৰ পাছত।

বৰুৱা ঃ তাৰ পাছত দেউতাৰ অনুমতিত বিবাহ পাশত আবদ্ধ হওঁ। কিন্তু আজি পৰ্য্যন্ত মোৰ এটি বৈধ সন্তান নহ'ল। অনুতাপত সহিব নোৱাৰি, পল্লবীক বিচাৰি আনিলো। পঢ়া-শুনাত এই বেয়া নাছিল, কিন্তু তেওঁৰ চকুৰ কুটা হোৱাৰ বাবে বৰ বেছি আগুৱাব নোৱাৰিলে।

মাক ঃ এই কথা আমি আজিহে জানিছো। এই মাৰ্কচিট্খন দেখি। এইটো আমাৰ কাম কৰা ছোৱালী হিচাপেহে চিনাকি দিছে আৰু আমিও সেইদৰেই ৰাখিছো। আৰু

নামতো কি পল্লবী হবলা, আমাৰ আগত ৰুমী বুলি কৈছে আমিও সেই বুলিয়েই মাতো।

**ৰঞ্জিত ঃ** আমাৰ ৰুমী ৰুমী হৈয়েই থাকিব আৰু আজিৰ পৰা ৰুমী আমাৰ। 1st division পোৱা এজনী ভনী ছোৱালী কলেজত Admision নিদি লোকৰ ঘৰৰ কাম কৰিবলৈ দিয়াতো অপৰাধ কাৰ? প্ৰচলিত সমাজৰ নে আজলী ৰুমীৰ, নে আপোনাৰ?

**ৰুমী ঃ** ৰঞ্জিত দা কিয় তুমি দেউতাৰ জ্বলা জুইত ঘিউ ঢালিব খুজিছা। অবৈধ সন্তানৰ অনুতাপত এনেয়ে দহিছে তাতে তুমি এইবোৰ কি কৈছা?

**ৰঞ্জিত ঃ** তোমাৰ বাবে তোমাৰ দেউতাৰাৰ অন্তৰে কন্দাহেতেঁন তোমাৰ আজি এই অৱস্থা কিয় হয়? কিয় পত্নীৰ আগত সাহসেৰে তোমাৰ পৰিচয় দিব নোৱাৰে। এয়ে নেকি পিতৃত্ব?

**মাক ঃ** কথাবোৰ অলপ ভালদৰে কবিচোন সোণ। অন্তৰে নেকান্দিলেনো ৰুমীক বিচাৰি চালাথ কৰেনে? বোলে এনেই মৰো ঋষিৰ শাপত তাতে দিয়ে ধানৰ ভাপত।

**চৌধুৰী ঃ** হব হব এতিয়া সকলো ঠিক হৈ যাব। আজি আমাৰ ডাঙৰ পাৰ্টি হ'ব। ইমান দিনৰ মূৰত পিতৃ-কন্যাৰ চিনা-পৰিচয় এই অভাজনৰ জুপুৰীত। সেইটোৰেই মোৰ বাবে গৌৰৱ। হেৰা যোৱা আজি পাৰ্টিৰ দিহা কৰা।

**মাক ঃ** যাওঁ যাওঁ (ভিতৰলৈ যায়)

**মামু ঃ** তুমি গুছিনাযাবা ৰুমী বা, মইহে তোমাক আমাৰ ঘৰলৈ আনিছিলো, আমাৰ ঘৰত থাকিব লাগিব।

**ৰঞ্জিত ঃ** কিয় যাব দেউতাকৰ ঘৰত বান্দী খাটিবলৈ। আমাৰ ঘৰত থাকিব, পঢ়িব লাগিব ৰুমীয়ে; শিক্ষা দিব লাগিব এনে পিতৃক; এনে বৰ্বৰ সমাজক।

**বৰুৱা ঃ** থাকিব থাকিব তোমালোকৰ ৰুমী তোমালোকৰ লগতে থাকিব। মই তোমালোকৰ মাজৰ পৰা কাঢ়ি নি কিয় নিজকে অপৰাধী কৰোঁ।

**ৰুমী ঃ** দেউতা আপোনাৰ পিতৃত্বৰ পৰিচয়ে আজি মোক নতুন জীৱন দিলে।

**চৌধুৰী ঃ** মিঃ বৰুৱা আপোনাৰ বাবেটো এইটো বৰ স্মৰণীয় দিন হব একমাত্ৰ কন্যাৰ সতে প্ৰথম পৰিচয় কিন্তু এতিয়া আপোনাৰ পৰিবাৰক এই বিষয়ে জনোৱাটো উচিত হব বুলি মই ভাবো।

**বৰুৱা ঃ** এই কথাটোৱেই মোক পাগল কৰি ৰাখিছে মিঃ চৌধুৰী। কথাটো মই সদায়েই ভাবো কিন্তু সাহসে নুকুলায়।

**ৰঞ্জিত ঃ** সাহসে নুকুলালে নিজ পৰিবাৰৰ আগত। (কৃত্ৰিম হাঁহি মাৰে)

**ৰুমী ঃ** দেউতা সিদিনা আপুনি মোৰ সঁচা পৰিচয় মাৰ আগত দিব পাৰিব, সিদিনাহে আপুনি অপৰাধৰ পৰা মুক্ত হব পাৰিব মাৰ ওচৰত। সিদিনাহে আঁতৰি যাব আপোনাৰ প্ৰতি থকা মাৰ ক্ৰোধ। সন্তানৰ বেদনাতে যে মাৰ মনত অশান্তিয়ে বাহ লৈছে ধুৰুপ।

**বৰুৱা ঃ** মোৰ সোণজনী......। চৌধুৰী আজি এই শুভ দিনতেই সকলোৰে চিনা পৰিচয় হওঁ নে? কি কয়।

**চৌধুৰী ঃ** মইতো তাকেই কবলৈ বিচাৰিছিলো আপুনি অকলে বেয়া পায় যদি আমিও যাওঁ।

**বৰুৱা ঃ** এইটোৱেই আটাইতকৈ ভাল প্ৰস্তাৱ।

**ৰঞ্জিত ঃ** তেনেহ'লে উক্ত প্ৰস্তাৱটো মই সাদৰেৰে সমৰ্থন কৰিছোঁ।

**বৰুৱা ঃ** বলক! বলক! আজি সকলোৱেই যাওঁ, আজিৰ পাৰ্টি মোৰ ঘৰত হব হেৰি, মিচেচ্ চৌধুৰী আহক চোন অকনমান।

**মাক ঃ** (ভিতৰৰ পৰা আহি) কিবা কব?

**বৰুৱা ঃ** আজিৰ পাৰ্টি মোৰ ঘৰত হব, এতিয়া ওলাওক। ৰঞ্জিত, মামু, পল্লবী সকলো ওলোৱা।

**ৰঞ্জিত ঃ** তুমি দেউতাই দিয়া নতুন কাপোৰ পিন্ধা।

**ৰুমী ঃ** তোমালোকে নিপিন্ধা নেকি নতুন কাপোৰ? পিন্ধি লোৱা তেতিয়াহে ভাল লাগিব। (সকলো চকিৰপৰা উঠে)

**ৰঞ্জিত ঃ** অ' মা, মোৰ আজি বঢ়া ভাত বঢ়াতে আছে। পেটত গামোচা বান্ধি হ'লেও থাকিম তথাপি এতিয়া ভাত খোৱা নহব, ৰুমীৰ ঘৰত খাব লাগিব নহয় কি কোৱা ৰুমী।

**মামু ঃ** মইয়ো স্কুলৰ পৰা আহি খোৱা নাই নহয়। আজি বৰুৱা চাৰৰ ঘৰতহে খাম।

**মাক ঃ** তেনেহ'লে আজিতো খানা দবলেই হব লাগিব বৰুৱা।

**চৌধুৰী ঃ** আজিতো মোৰ মতে সকলো ভালেই লাগিব।

**বৰুৱা ঃ** এৰা....... আজি খাই খাই ভাগৰ লাগিলেও বেয়া নালাগিব।

সকলোৰে একে মুখে হাঁহে..........। (লগে লগে পট পৰিব।)

—সমাপ্ত—

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনিতেই সুৱৰিছো দেশ আৰু জাতিৰ কাৰণে আমি বিভিন্ন দিশতে হেৰুৱাব লগা ব্যক্তি সকলক। ইয়াৰ লগে লগেই সুৱৰিছো যি সকল বন্ধু বান্ধৱী আৰু ভাইটি-ভন্টীয়ে সাধাৰণ সম্পাদক হিচাপে মোক দায়িত্ব ভাৰ চলাবলৈ সুবিধা দিলে।

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খন তিনিটা মৌজাৰ ভিতৰত একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান বুলি কলেও বঢ়াই কোৱা নহয়। এই মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদকৰ দায়িত্বভাৰ পালনত মোৰ হয়তো বহুত ভুল ক্ৰটী হব পাৰে। এই সমূহ ভুল ক্ৰটী মোৰ আৰু তাৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা জনালো।

১৯৭৭ চনতেই স্থাপিত হোৱা এই অনুষ্ঠানটি আজিও চালুকীয়া, পূৰ্ণাঙ্গ অৱস্থা পাবলৈ এতিয়া বহু বসয় লাগিব। এয়া মোৰ অভিশাপ নহয়, মোৰ এবছৰীয়া কাৰ্যকালৰ মাত্ৰ সামান্যতম অভিজ্ঞতাহে।

কোনো এটা অনুষ্ঠান গঢ় লবলৈ সকলোৰে মাজত সৌহাৰ্দ্য পূৰ্ণ মনোভাৱৰ লগতে বুজাবুজিৰ একান্ত প্ৰয়োজন। আমাৰ মহাবিদ্যালয়ৰ মাজতো বুজাবুজিৰ অভাৱ নাই; কিন্তু 'মই বৰ' ভাবটো থকাৰ কাৰণে অনুষ্ঠানটোৰ একেবাৰে দুখলগা অৱস্থা হৈছে।

মহাবিদ্যালয়খনত পূৰ্বৰে পৰা গৰমৰ দিনত পাঠদানৰ যথেষ্ট অসুবিধা আছিল। মোৰ কাৰ্যকালত প্ৰায় পয়ত্ৰিচখন বিজুলী বিচনীৰ ব্যৱস্থা কৰা হয়। ইয়াৰ লগতে আমাৰ প্ৰেক্ষাগৃহত টিউব লাইটৰো ব্যৱস্থা কৰা হয়। ইয়াৰ উপৰি মহাবিদ্যালয়ৰ বাৰণ্ডা আৰু ছাত্ৰ-একতা সভাৰ কাৰ্যালয়ৰ মজিয়াৰ পকীকৰণৰ উপৰিও মোৰ কাৰ্যকালৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীৰ বেঞ্চৰ অভাৱ দূৰ কৰিবলৈ ত্ৰিশজোৰা ডেক্স-বেঞ্চৰ নিৰ্মাণ কৰোৱা হয়। আৰু ছাত্ৰ একতা সভাৰ কাৰ্যালয়ৰ বাবে এটা তীখাৰ আলমীৰা ক্ৰয় কৰা হয়। ছাত্ৰ একতা সভাৰ পুঁজিৰ পৰা মঞ্চৰ বাবে 'স্ক্ৰীণ'ৰ লগতে যাৱতীয় সামগ্ৰীও লোৱা হয়। সংগীতৰ বাবে এটি 'ত্ৰিপুল', পূজা উৎসৱ আদিত ব্যৱহাৰৰ কাৰণে পাচী-খৰাহীৰ লগতে প্ৰায় ৩০ খন বহা ঢাৰি কিনা হয়। মহাবিদ্যালয়ৰ খিৰিকি সমূহত লোহাৰ জালনা (Grill) দিয়াতো বহু সুবিধা হৈছে।

মোৰ কাৰ্যকালতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা আমাৰ মহাবিদ্যালয়ৰ (১০০০০০-) একলাখ টকা পোৱা হয় আৰু এই পৰিমানৰে অন্য এটি অনুদান জিলাৰ উপায়ুক্ত শ্ৰী গুৰুপ্ৰসাদ ফাটোৱালী দেৱে ঘোষনা কৰে। ইয়াৰ উপৰি অসম চৰকাৰৰ জিলা গ্ৰামীন অধিকৰণ সঞ্চালকালয়ে মহাবিদ্যালয়ৰ খেলপথাৰখনৰ উন্নীত কৰণৰ বাবে এক লাখ টকা দিব বুলি আমাক অৱগত কৰিছে।

আমাৰ মহাবিদ্যাযলয়ৰ ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ লগতে শ্ৰেণী কোঠা কম। বহুকেইজন শিক্ষকৰ চাকৰি চৰকাৰী কৰণ নোহোৱাৰ বাবে শিক্ষক কেইজনে বহুতো অসুবিধাৰ সন্মুখীন হৈছে। এই বিষয়ে চৰকাৰৰ লগত কৰা আলোচনাৰ মৰ্মে সোন কালেই সমস্যাৰ আশু সমাধানৰ আশা কৰিব পাৰি। অন্যহাতে আচুতীয়াকৈ চাৰিটা শ্ৰেণীকোঠা নিৰ্মান কৰাত ছাত্ৰ-ছাত্ৰী সকলেও সকাহ পাইছে।

আমাৰ মহাবিদ্যালয়ৰ আতাইতকৈ গৌৰৱময় দিশটো হ'ল এই বছৰৰ (১৯৯৪) পৰাই বিজ্ঞান শাখাৰ মুকলি হোৱাৰ লগতে নিয়মীয়া পাঠদান হোৱাত স্থানীয় ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান ও কাৰিকৰী শিক্ষা গ্ৰহণৰ সুবিধা পাইছে । তিনিটা মৌজাৰ ভিতৰত আমাৰ মহাবিদ্যালয় খনতে বিজ্ঞান শাখাৰ পাতনি মেলাত অঞ্চলটোৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাইজো উপকৃত হ'ব বুলি আশা কৰিব পাৰি।

আমাৰ মহাবিদ্যালয়ৰ শিক্ষাৰ মানদণ্ড উচ্চ বুলি ক'ব নোৱাৰি। শিক্ষাৰ পৰিবেশ সৃষ্টিৰ লগত জৰিত শিক্ষক ছাত্ৰ ছাত্ৰীয়েই ইয়াৰ বাবে দায়ী বুলি স্থুল নোহোৱা নহয়। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ সৌহাদ্য পূৰ্ণ মনোভাৱ একান্ত ভাৱে লাগতিয়াল বুলি ভাবো। প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়েই বিভিন্ন পৰীক্ষা সমূহত উত্তীৰ্ণ হোৱাতো আমি বিচাৰো

মহাবিদ্যালয়ৰ বহু অসুবিধা দূৰ কৰিবৰ বাবে আমি প্ৰতীক অনশন, আমৰণ অনশন আদি কাৰ্যসূচীও গ্ৰহণ কৰিছিলো কিন্তু কোনো সমস্যাৰ সু সমাধান নাপালো । আশা ৰাখিছো অনাগত দিনবোৰত ছাত্ৰ-ছাত্ৰী সকলে সৎ সাহসেৰে আগ ভাষাৰে আগুৱাই যাব; যিহেতু এক্যই প্ৰগতিৰ জখলা। ছাত্ৰ-ছাত্ৰী সকলে কিছু কিছু ক্ষেত্ৰত নিজৰ স্বাৰ্থ বিসৰ্জন দিব লাগিব অন্যথাই ছাত্ৰ-ছাত্ৰী সকলৰ সামগ্ৰীক উন্নয়নত বাধা আহিবও পাৰে। আমাৰ মূল লক্ষ্য অধ্যয়ণ কৰা যদিও ইয়াৰ লগতে সামাজিক দায়িত্ব বোধৰ বিষয়েও পাহৰিলে নহ'ব।

মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত ছাত্ৰ-ছাত্ৰী সকলে সম্পূৰ্ণ ভাৱে অংশ গ্ৰহণ নকৰাটো এটা দুখৰ বিষয়। ইয়াৰ লগে লগে শিক্ষাগুৰু সকলেও এই দিন কেইটাত ওতঃপ্ৰোত ভাৱে জৰিত হলে ছাত্ৰ-ছাত্ৰী সকল বহু উপকৃত হব পাৰে মুষ্টিমেয় দুজনমান দায়িত্বশীল শিক্ষকৰ বাহিৰে এনে অনুষ্ঠানত অন্যসকলৰ অনুপস্থিতি পৰিতাপৰ বিষয়।

কলেজৰ সৰ্বাঙ্গীন উন্নতিকল্পে মোৰ কাৰ্যকালৰ ভিতৰত দুই এখন সভা-সমিতিত হয়তো দুই এষাৰি মন্তব্য দিয়াত অজানিতে কাৰোবাক কথাৰে আঘাত কৰিছিলো আৰু ফলশ্ৰুতিত শ্ৰেণী বৰ্জন আদিও হৈছিল। নিজৰ ছাত্ৰ বুলি বা নিজৰ বন্ধু বুলি সকলো খিনি ক্ৰোধ এৰি মহাবিদ্যালয়ৰ প্ৰগতিৰ খাতিৰত সকলো ধাবমান হ'ব বুলি আশা কৰিলো।

যোৱা নিৰ্বাচনত শান্তিৰক্ষাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীৰ তদাৰকতা দিয়া দেখা গৈছিল। কিন্তু সুখৰ বিষয় যে শান্তিপূৰ্ণভাৱে ছাত্ৰ একতা সভাৰ নিৰ্বাচন হোৱাতো আমাৰ আটাইৰে বাবে আনন্দৰ বিষয় আৰু ভবিষ্যতে যেন এই মহাবিদ্যালয়ত শান্তি নিজৰা বৈ শৈক্ষিক পৰিবেশ অটুত থাকে তাৰ বাবে সকলোৰে ওচৰত আন্তৰিক নিবেদন থাকিল।

মহাবিদ্যালয় খনত অনুষ্ঠিত হোৱা সকলো উৎসৱ আদিত ছাত্ৰ-ছাত্ৰী সকলে নিজৰ নিজৰ দায়িত্বসমূহ পালন কৰাত মই সকলোকে আন্তৰিক শুভাশীস্ জ্ঞাপন কৰিছো।

মোৰ কাৰ্য কালত সকলো ক্ষেত্ৰতে মোক বুদ্ধি-পৰামৰ্শ ধমকি দি মোৰ কাম সুকলমে পালন কৰাত সহায় কৰাৰ ক্ষেত্ৰত মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোহাঁই দেৱৰ ওচৰত মই চিৰ কৃতজ্ঞ ইয়াৰ লগতে মোক দিহা পৰামৰ্শ দি সহায় কৰা প্ৰত্যেক গৰাকী মান্যবৰ শিক্ষক-শিক্ষয়ত্ৰীৰ ওচৰত মই চিৰ কৃতজ্ঞ।

মোৰ বন্ধু দুল, শ্যেমন্ত, ৰাজীৱ (১), মনি, সুৰেশ, ভাইটি, বাবা, ৰাজীৱ(২) চিদা, হেমকান্ত, চম্পক, জীৱন, লুহিত আৰু জাহ্নবী, কৰবী, অনু, প্ৰভা, ৰুবী, ৰুমী, জ্যোতি, প্ৰভৃতিৰ লগতে বাইদেউ কুঞ্জ আৰু বিজয়া; আদি সকলোৰে ওচৰত মই চিৰ কৃতজ্ঞ। ইয়াৰ উপৰিও মহাবিদ্যালয় সপ্তাহ আৰু প্ৰতিষ্ঠা দিৱসত বহু কষ্ট কৰি কোৱাচ পৰিবেশন কৰা ভাইটি ভন্টী বন্ধু বান্ধৱী সকলৰ লগতে চেটিচফাই 'গ্ৰুপ' লৈ মোৰ প্ৰণিপাত থাকিল।

সদৌ শেষত মোৰ কাৰ্যকলাত মোৰ বক্তব্যই হয়তো কাৰোবাৰ অন্তৰত আঘাত দিছিল আৰু কাৰোবাৰ অন্তৰত হয়তো পুতৌ জন্মিছিল। যি সকলে আঘাত পাইছিল সেই সকলক মই সাধাৰণ সম্পাদক হিচাপে ক্ষমা ভিক্ষা মাগিছো আৰু যি সকলৰ মোৰ প্ৰতি পুতৌ জন্মিছিল সেই সকলক প্ৰণৱ শইকীয়া হিচাপে লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে প্ৰতিবেদনৰ সামৰণি মাৰিলো। জয়তু লঃতেঃ কঃ মহাবিদ্যালয়।

ইতি–

**শ্ৰীপ্ৰণৱ শইকীয়া**
*সাধাৰণ সম্পাদক*
ছাত্ৰ একতা সভা ঃ লঃ তেঃ কঃ মহাবিদ্যালয়

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্-মুহূৰ্ত্ততে যুগে যুগে শৃংখলিত মানৱৰ মুক্তিৰ হকে জীৱন উচৰ্গা কৰোতা সকললৈ প্ৰণিপাত তথা আপোনা সবলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

সময়ৰ নদীৰ খৰ সোঁত কেতিয়াও স্তব্ধ নহয়, নকৰে কাৰো বাবে ক্ষণিকো অপেক্ষা। ঠিক তেনেদৰে মইয়ো পাৰ কৰি দিলো ১৯৯৩-৯৪ বছৰটি, স্মৃতিৰে পৰিপূৰ্ণ বছৰটি। আজি পাৰ হৈ যোৱা বছৰ টৌলৈ উভতি চোৱাৰ দিন, উভতি চাইছো আৰু দেখিছো স্মৃতিৰ পাতে পাতে বৈ যোৱা হৰ্ষ, বিষাদ আদি তিক্ততাৰে পূৰ্ণ অভিজ্ঞতা। যিবোৰে মোৰ বিগত মুহূৰ্তবোৰ কেতিয়াবা অতি ৰোমাঞ্চিত ও কেতিয়াবা হতাশ গ্ৰস্ত কৰি তুলিছিল । যি মোৰ বৰ্ণনাতীত।

১৬ নৱেম্বৰ, বিধিসন্মত ভাবে দায়িত্বভাৰ তথা শপথ গ্ৰহণ কৰিলো। কাৰ্য্যভাৰ গ্ৰহণৰ পাচৰে পৰা মই মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতিৰ বাবে নিজকে সৰ্ব্বতো প্ৰকাৰে নিয়োজিত কৰিছিলো। মোৰ দায়িত্বভাৰ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সেই ক্ষেত্ৰত সফলতা বা বিফলতাক সময়ে সংৰক্ষণ কৰিছে নিশ্চয়।

নানান সমস্যাৰে জৰ্জৰিত লংতেংক মহাবিদ্যালয় ১৯৭৭ চনত এই অঞ্চলৰ কিছুসংখ্যক আলোকসন্ধানী ব্যক্তিৰ প্ৰচেষ্টাত গঢ়ি উঠা লংতেংক মহাবিদ্যালয়ে আজি সম্পূৰ্ণ ১৮ বছৰত ভৰি দিলে অথচ এই মহাবিদ্যালয়ৰ অভাৱ সমূহ আজিও পূৰ্ণ হোৱা নাই। এই অভাৱ সমূহৰ সম্পৰ্কে বহুদিন ধৰি কৰ্তৃপক্ষক অবগত কৰি কোনো সু-ফল পোৱা নাই। সেয়ে আমি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ তথা ক্ষমতাত অধিষ্ঠিত মহলক বিনম্ৰ অনুৰোধ জনাও।

মহাবিদ্যালয়ত এজন উপাধ্যক্ষ নিয়োগ কৰক বিজ্ঞান ভৱন স্থায়ী ভাবে নিৰ্মাণ তথা প্ৰয়োজনীয় সা-সজুলিৰে পুৰ্ণাঙ্গ কৰি তোলক। অন্তৰ্ভূক্ত নোহোৱা Major অন্তৰ্ভূক্ত কৰি প্ৰয়োজনীয় প্ৰবক্তা নিযুক্তি

মহাবিদ্যালয়ৰ গৃহৰ সংখ্যা বৰ্দ্ধিতকৰণ কৰক। এতিয়াও দিয়ক। পুথি ভঁৰাল স্থায়ী ভাৱে নিৰ্মাণ কৰক। ছাত্ৰ ছাত্ৰীৰ বাস নিৰ্মাণ কৰক, ছাত্ৰছাত্ৰীৰ জিৰণি চ'ৰা স্থায়ী ভাবে নিৰ্মান কৰক। মহাবিদ্যালয়ৰ খেল পথাৰৰ উন্নয়ন ব্যৱস্থা হাতত লওঁক। মহাবিদ্যালয়ৰ সন্মুখত এখন তোৰণ নিৰ্মাণ আৰু চাৰিসীমা নিৰ্ধাৰণ কৰি পকী দেৱাল দিয়াৰ ব্যৱস্থা হাতত লওক। অতি সোনকালে চাইকেল ষ্টেণ্ড নিৰ্ম্মান কৰক।

তথা এই মহাবিদ্যালয়ক লক্ষীমপুৰ ও অসমৰ আগশাৰীৰ মহাবিদ্যালয় হিচাপে গঢ় দিবলৈ সম্ভৱপৰ সকলো ব্যৱস্থা হাতত লওঁক।

**কৃতজ্ঞতাৰে সোঁৱৰিছো ঃ** মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক, যাৰ অনুগ্ৰহত তেওঁলোকক সেৱাৰ সুযোগ পাইছিলো। মোৰ সহস্ৰ কৃতজ্ঞতা মাননীয় অধ্যক্ষ মহোদয়লৈ প্ৰেৰণাদাতা অধ্যাপক, অধ্যাপিকা সকলৰ সু-পৰামৰ্শলৈ।

আজি এই বিদায় পৰত সেই সকলৰ প্ৰতিচ্ছবি মোৰ দুয়োনয়নৰ আগত ভাঁহি উঠিছে। যি সকলৰ পৰা প্ৰত্যেক পদক্ষেপতে পাইছিলো সহায় সহযোগ তথা দিহা পৰামৰ্শ। সেই সকল অগ্ৰজ-অনুজক মই পাহৰিব পাৰিম নেকি? কেতিয়াও নোৱাৰিম তেওঁলোকৰ মৰম মোৰ স্মৃতিৰ পাতে পাতে সোনোৱালী আখৰেৰে লিপিবদ্ধ হৈ বব।

**ভুল-স্বীকাৰঃ** কৰ্তব্যৰত মুহূৰ্ত্তত অজানিতে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰিলো সকলোলৈ।

অৱশেষত মহাবিদ্যালয়ৰ সকলোলৈকে শ্ৰদ্ধা ওঁ শুভেচ্ছা জনাই প্ৰতিবেদন সামৰিছো।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়। জয়-আই-অসম

ধন্যবাদ সহকাৰে—

**শ্ৰীৰূপজ্যোতি দত্ত**

*সহঃ সাধাৰণ সম্পাদক*

১৯৯৩-৯৪ চন

# সাহিত্য আৰু আলোচনী শাখাৰ সম্পাদকৰ প্ৰতিবেদন ১৯৯৩-৯৪ বৰ্ষ

প্ৰতিবেদনৰ প্ৰাৰম্ভতে অসম মাতৃৰ হকে, উচ্চশিৰে জীৱন আহুতি দিয়া বীৰ শ্বহীদ সকললৈ শ্ৰদ্ধাঞ্জলি নিবেদিছো।

যি সকল ছাত্ৰ ছাত্ৰীয়ে লঃতেঃকঃ মহাবিদ্যালয়ৰ ১৯৯৩-৯৪ বৰ্ষ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগৰ দৰে গুৰুভাৰ খন অৰ্পন কৰে সেই সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো।

ইং ১৪ অক্টোবৰ ৯৩ তাৰিখটো মোৰ জীৱনৰ বাবে এটি স্বৰণীয় জয়ৰ দিন বুলি গৃহীত আৰু সেই দিনা মোৰ মনলৈ বহুতো সাহস আৰু আনন্দ আহিছিল এখন মহাবিদ্যালয়ৰ সম্পাদক হিচাপে। ১৮ অক্টোবৰ ৯৩ কাৰ্যভাৰ লবলৈ ধৰিও ১৯৯২-৯৩ বৰ্ষৰ বিত্তীয় খেলি মেলিৰ কাৰণে স্থগিত ৰাখিব লগা হয়। প্ৰথম খোজতেই বৈ যাব লগা হোৱাত মনলৈ ভয় আৰু নিৰাশা আহিছিল যদিও ইং ১৬ নবেম্বৰ ৯৩ কাৰ্য্যভাৰ লৈ সতীৰ্থ সকলৰ সহযোগত দুগুন উৎসাহেৰে, মহাবিদ্যালয় খনৰ উন্নয়ণমূলক কামত আগবাঢ়ি যাবলৈ সংকল্প কৰো। কিন্তু মই কি কৰিব পাৰিলো সেয়া আপোনাৰলোকৰ বিচাৰ্য্য।

কাৰ্য্যভাৰ লৈয়ে মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰী সকলৰ বিভিন্ন দিশত থকা প্ৰতিভা বিকাশৰ বাবে আয়োজন কৰা হয় ইং ১৯ নবেম্বৰ ৯৩ৰ পৰা ২৬ নবেম্বৰ ৯৩ লৈ মহাবিদ্যালয় সপ্তাহ। সাহিত্য প্ৰতিযোগীতা সমূহ ২২,২৩,২৪ নবেম্বৰ ৯৩ অনুস্থিত কৰিছিলো। কিন্তু বৰ পৰিতাপৰ কথা হল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অনুপাতে প্ৰতিযোগী সংখ্যা নিচেই কম।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্যিক চিন্তা-ভাৱনা বিকাশ ঘটে এই মহাবিদ্যালয়ৰ প্ৰাচিৰ প্ৰত্ৰিকা আৰু বছেৰেকীয়া মুখপত্ৰখনৰ দ্বাৰাই, কিন্তু দেখা যায় যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যিক ধ্যান ধাৰণাৰ একেবাৰে অভাব। **অংকুৰ তৃতীয় বছৰ**-অংকুৰ যত অংকুৰিত হয় মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বহুত আশা আকাংখ্যা। তেনেই কেচুৰা হৈ থকা অৰ্থাৎ মাত্ৰ তিনি বছৰীয়া তাইৰ বুকুত জন্ম হয়, সাহিত্য কৰি নোপোৱা নতুন সাহিত্যিক। অংকুৰত মই কেবল গল্প, প্ৰবন্ধ, কবিতা প্ৰকাশৰে আবদ্ধ নাৰাখি মই ইয়াক ছাত্ৰ-ছাত্ৰীসকলৰ অভাৱ অভিযোগৰ ওপৰত আলোচনাৰ মাধ্যম কৰিব বিছাৰিছিলো, অবশ্যে "অংকুৰ" নিয়মীয়া প্ৰকাশ কৰিব নোৱাৰিলো। কাৰণ গোটেই বছৰ জুৰি পৰীক্ষা, বন্ধ আৰু লিখনিৰ অভাৱ। তথাপি মই দুটা সংখ্যা প্ৰকাশ কৰো। প্ৰথম সংখ্যাটো 'ভোগালি বিহু বিশেষ সংখ্যা "আৰু দ্বিতীয়টো" প্ৰতিষ্ঠা দিৱস সংখ্যা,"

মহাবিদ্যালয়ৰ এজন সম্পাদক হিচাপে মহাবিদ্যালয়ৰ সকলো উন্নয়ণমূলক কামত নিজকে আত্মনিয়োগ কৰো। আমাৰ কাৰ্য্যকালতে মহাবিদ্যালয়ৰ গতানুগতিকতা ভংগ কৰি স্বৰস্বতী পূজাত মূৰ্ত্তি পূজাৰ পৰিৱৰ্ত্তে মহাবিদ্যালয়ৰ গ্ৰন্থগাৰলৈ বছৰি ৫০০.০০ টকা অৰিহণা আগবঢ়াবলৈ সিদ্ধান্তগ্ৰহণ কৰা হয়। অন্যহাতে উলহ মালহে স্বৰস্বতী পূজা, শ্ৰীমন্ত শঙ্কৰ দেৱৰ তিথি, ফাতেহা দোহাজ দাহাম, প্ৰতিষ্ঠা দিৱস আৰু ইং ২৭ চেপ্তেম্বৰ ৯৪ তাৰিখে বিভিন্ন কাৰ্য্যসূচীৰে "নবাগত আদৰণি সভা" পালন কৰা হয়। নবাগত আদৰণি সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিদৰ্শক শ্ৰী যুত বিমল গগৈ দেৱৰ আৰু অসম চৰকাৰৰ ছাত্ৰ আৰু যুৱকল্যান, উপদেষ্টা সমিতিৰ সদস্য শ্ৰী হেমন্ত কুমাৰ নেওগ দেৱকে ধৰি বিশিষ্ট ব্যক্তিসকলৰ ভাষণে সকলোকে অনুপ্ৰানিত কৰিছিল। আৰু "জেনিয়চ" কৌতুক গোষ্ঠীৰ দ্বাৰা কৌতুক প্ৰদৰ্শনৰ লগতে সকলোতিকৈ ভয়ঙ্কৰ আৰু কৌতুহল জন্মাইছিল আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ, লক্ষীমপুৰ কেৰাটি ডু একাডেমী সদস্য সকলৰ "মাৰ্চিয়েল ক'লা প্ৰদৰ্শনে।

উল্লেখ যোগ্য যে প্ৰতিষ্ঠা দিৱসত মাননীয় অসম সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি শ্ৰী বিশ্ব বৰুৱা দেৱৰ দ্বাৰা বিজ্ঞান শাখাৰ পাঠদানৰ শুভ আৰম্ভ হয়। ইং ৩ চেপ্তেম্বৰ ৯৪ মুখ্যমন্ত্ৰী মাননীয় শ্ৰী যুত হিতেশ্বৰ শইকীয়াদেৱৰ দ্বাৰা বিজ্ঞান ভৱনৰ আধাৰ শিলা স্থাপন আৰু একলাখ টকা অনুদান লাভ কৰে। ৫ চেপ্তেম্বৰ ৯৪ মাননীয় উচ্চশিক্ষা মন্ত্ৰী শ্ৰী গোলক ৰাজবংশীদেৱৰ হঠাতে হোৱা আগমণে আমাৰ সকলোকে উৎসাহিত কৰে।

আজি গৌৰৱেৰে ঘোষণা কৰো যে আমাৰ কাৰ্য্যকালতে ৩৩ খন ফেন, টিউব, আলমাৰী, ফিল্টাৰ, জাননী বৰ্ড, আদি বিভিন্ন অত্যাৰশ্যকীয় সামগ্ৰী সমূহ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰে। আৰু ৰাইজৰ অনুদান বিচাৰি এটি চাৰি কোঠালীৰ অস্থায়ী ঘৰ

নির্মাণ কৰা হয়।

ব্যক্তিগত জীৱনত আমাৰ কাৰো লগত কোনো আক্ষেপ নাই। কিন্তু সামাজিক জীৱন কোনো ক্ষেত্ৰতেই কোনো ব্যক্তিক নিজৰ মুনাফা আদায়ৰ সুবিধা প্ৰদান কৰাৰ পক্ষপাতী আমি নহয়। সেয়েহে তেনে প্ৰচেষ্টাৰে ভাঙোনমুখী প্ৰচেষ্টাৰ বশৱৰ্ত্তী, হোৱা সকলো ব্যক্তিকে আমি গৰিহণা জনাওঁ। মানুহ মাত্ৰেই সকলোৰেই কম-বেছি পৰিমানে আত্মকেন্দ্ৰিক। কিন্তু আত্মকেন্দ্ৰিকতাক প্ৰশ্ৰয় দি নিচাত্মিকাৰ পৰিচয় দিয়াটো ঘৃণাৰ যোগ্য। মই মোৰ কাৰ্য্যকালত মোৰ শিতানত মুঠ জমা খৰছ হোৱা

| | |
|---|---|
| টকা পৰিমান হ'ল— | ৩৪,৪২৫·০০ টকা |
| মোৰ শিতানত থকা খৰচ হোৱা টকাৰ পৰিমান হ'ল— | ২,৫৮৩·০০ " |
| বৰ্ত্তমান মোৰ মুঠ জমা টকা পৰিমান হ'ল— | ৩১,৮৪২·০০ " |

অতি দুখেৰে জনাও যে মোৰ শিতানত ৩১,৮৪২·০০ টকা জমা থাকিব লাগে। কিন্তু তাৰ পৰিবৰ্তে অধ্যক্ষ মহোদয়ে মুখ পত্ৰ খনৰ বাবে দিবলগীয়া অৰ্থৰ পৰিবৰ্তে মাত্ৰ ২৫,০০০ টকাহে উলিয়াই দিয়ে। বিভাগীয় পুজি বিভাগীয় সম্পাদকৰ অজ্ঞাতে অন্তৰ্ধ্যান হোৱাটো দুভাগ্যজনক। তাৰ ফলত এখনি সবাংগ সুন্দৰ আলোচনী আপোনালোকৰ হাতত তুলি দিব নোৱাৰিলো। টকাৰ অভাবে মোৰ আশাত চেচাপানী ঢালিলে। তথাপি যিখিনি পাৰিলো কৰিলো, বিচাৰৰ ভাৰ আপোনালোকৰ হাতত।

মহাবিদ্যালয়ৰ ভিতৰৰ বাহিৰৰ যিসকল ব্যক্তিয়ে সকলো দিশতে আগবাঢ়ি যোৱাত মোক সহায় কৰিলে সেই সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। আৰু অজানিতে হোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলো। লঃ তেঃ কঃ মহাবিদ্যালয় অসমৰ ভিতৰতে এখন আদৰ্শ মহাবিদ্যালয় হোৱা কামনা কৰিলো।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়।

জয় আই অসম

**শ্ৰীৰাজীৱ ভূঞা**

সম্পাদক

সাহিত্য আৰু আলোচনী শাখা

# আভ্যন্তৰীণ ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আভ্যন্তৰীণ ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন লিখাৰ প্ৰাক মুহূৰ্ত্তত যিসকল কৰ্মবীৰৰ আপ্ৰান চেষ্টাৰ জৰিয়তে মহাবিদ্যালয়খন প্ৰতিস্থা কৰা হয় সেই প্ৰয়াত ব্যক্তি সকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিলো।

ল:তে:ক: মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আভ্যন্তৰীণ ক্ৰীড়া সম্পাদক হিচাবে ১৯৯৩-৯৪ চনৰ বছৰটোৰ বাবে যি সকল ছাত্ৰ ছাত্ৰীয়ে এই অভাজনক নিৰ্বাচিত কৰি আপোনাসৱক অকনমান সেৱা আগবঢ়াবলৈ সুবিধা দিলে তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

নিৰ্বাচনৰ পাছতেই মাননীয় অধ্যক্ষ মহোদয়ৰ অনুমোদন মৰ্মে ইংৰাজী ১৬/১১/৯৩ তাৰিখে সাধাৰণ সভাত শপত গ্ৰহণ কৰো।

বিগত বছৰৰ দৰে চলি অহা মহাবিদ্যালয় সপ্তাহ ইংৰাজী ২২/১১/৯৩ তাৰিখৰ পৰা আৰম্ভ হয় আৰু ২৬/১১/৯৩ তাৰিখে অন্ত পৰে। কলেজ সপ্তাহত মই ভবাৰ দৰে উপকৃত হব নোৱাৰিলো। যিহেতু আমাৰ মহাবিদ্যালয়ৰ প্ৰতিযোগীৰ সংখ্যা সৰহ, খেলাৰ সামগ্ৰী কম সেয়ে প্ৰতিযোগীসকলে মুকলিকৈ খেলসমূহ খেলিবৰ অসমৰ্থ হয়। তথাপিও মই পৰাপক্ষত প্ৰতিযোগী সকলক প্ৰায় বোৰ খেল খেলিবলৈ সুবিধা দিবলৈ চেষ্টা কৰিছিলো। মোৰ এবছৰীয়া কাৰ্যকালত মই আমাৰ মহাবিদ্যালয়ত বহুতো প্ৰতিভাবান ও আগ্ৰহী খেলুৱৈ দেখা পাইছো। কিন্তু দুখৰ বিষয় যে মহাবিদ্যালয়ত খেলাৰ সামগ্ৰী কম হোৱাৰ

হেতুকে তেওঁলোকৰ প্ৰতিভা বিকাশত ব্যাঘাত জন্মে। মই অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিছো মহাবিদ্যালয়ত অভাৱনীয় খেলাৰ সামগ্ৰী সমূহ যথোপযুক্ত ভাৱে যোগান ধৰে যেন আৰু ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিকাশ কৰিবলৈ সুবিধা দিয়ে যেন। মই আশা ৰাখিছো প্ৰাত্যেকজন ক্ৰীড়া প্ৰেমী ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ খেল সমূহত অংশ গ্ৰহণ কৰি নিজৰ পাৰদৰ্শিতা প্ৰকাশ কৰি নিজৰ নাম তথা মহাবিদ্যালয়ৰ নাম উজ্জল কৰে যেন।

মোৰ খেলসমূহ পৰিচালনা কৰাত সহায় কৰা মোৰ বন্ধু শ্ৰী অৰূপ শইকীয়া, চিদানন্দ দত্ত আৰু শিৱ বৰাৰ ওচৰত মোৰ কৃতজ্ঞতা স্বীকাৰ কৰিছো।

ভুল শুদ্ধৰ মাজেৰেই মানুহৰ জীৱন গতিকে মোৰ এবছৰীয়া কাৰ্য্যকালত অজ্ঞাতে বহুতো ভুল হব পাৰে তাৰ বাবে মই শিক্ষাগুৰু সকল আৰু ছাত্ৰ ছাত্ৰী সকলৰ ওচৰত ক্ষমা মাগিলো।

সৰ্ব্ব শেষত ল: তে: ক: মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জল কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

ধন্যবাদ সহকাৰে—

**শ্ৰীমদন দত্ত**
*আভ্যন্তৰীন ক্ৰীড়া সম্পাদক*
ল: তে: ক: মহাবিদ্যালয়।
১৯৯৩-৯৪ চন ।

# তৰ্ক ও আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাৰম্ভনীতে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় প্ৰমূখ্যে শিক্ষাগুৰু সকললৈ আৰু প্ৰাণসম এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালো ।

১৯৯৩-৯৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত এই অভাজনক মহাবিদ্যালয়ৰ বিভাগীয় কৰ্তৃপক্ষ ও মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীৰ সমৰ্থনত মোক তৰ্ক ও আলোচনা বিভাগৰ সম্পাদকৰ গুৰু দায়িত্ব দি মোৰ প্ৰতি দেখুওৱা আপোনালোকৰ এনে মহানুভৱতা তথা ঐকান্তিক আস্থাৰ বাবে মই আপোনালোকৰ ওচৰত চিৰকৃতজ্ঞ।

বিগত বছৰটোত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী ও বিভাগীয় কৰ্তৃপক্ষৰ মোৰ প্ৰতি থকা গভীৰ আস্থাৰ তুলনাত মই আপোনালোকক কি দিলো, কেনেকুৱা সেৱা আগবঢ়ালো তাৰ সম্পূৰ্ণ খতিয়ান আপোনালোকৰ হাতত। মই নিবিছাৰো বিগত বছৰটোত এই বিভাগৰ Progress- Report ৰ ভূৱা বতৰাৰে আপোনালোকৰ ওচৰত মোৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ যিহেতু পৰিকল্পনা অনুযায়ী মই একোৱেই কৰিব নোৱাৰিলো। তথাপিও মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ, লক্ষীমপুৰ জিলা ভিত্তিত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি ইন্দ্ৰেশ্বৰ শৰ্ম্মা প্ৰতিষ্ঠাপক ভাৱপ্ৰাপ্ত অধ্যক্ষ প্ৰভাত চন্দ্ৰ বৰগোঁহাই আৰু প্ৰথম স্থায়ী অধ্যক্ষ কৰুণা শৰ্ম্মাৰ প্ৰবিত্ৰ আত্মাৰ স্মৃতি ৰক্ষাৰ্থে এখনি সোঁৱৰণী "কুইজ" প্ৰতিযোগিতা আয়োজন আৰু জিলাখনৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা তৰ্ক ও আলোচনা চক্ৰৰ প্ৰতিযোগিতা সমূহত এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণেৰে মোৰ কাৰ্য্যকাল অন্ত পেলালো ।

অপ্ৰিয় হলেও সত্য যে বৰ্ত্তমানৰ এই প্ৰতিযোগিতাৰ যুগটোত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল যথেষ্ঠ পিছ পৰি আছে তাৰ প্ৰমাণ বিগত দিনৰ অভিজ্ঞতাৰ পৰা মই কবলৈ বাধ্য হৈছো । বিগত বছৰটোত মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে এই বিভাগটোত আশাপ্ৰদ কোনো সুফল দেখুওৱাব পৰা নাই । এইয়া মহাবিদ্যালয় খনৰ বাবে অতি পৰিতাপৰ কথা। এই সুফল দেখুওৱাব নোৱাৰাৰ মূখ্য কাৰণ হল, প্ৰতিযোগী মনোভাৱৰ অভাৱ, তথাপিও মহাবিদ্যালয়ৰ দুজনমান ছাত্ৰ-ছাত্ৰীৰ সচেতন তথা যুক্তিবাদী মন এটা নথকা নহয়। এইয়া আমাৰ বাবে শুভলক্ষণ নহয়। সেয়ে মোৰ দুৰন্ত আশা বৰ্ত্তমানৰ প্ৰতিযোগিতাৰ যুগটোত খোজ মিলাব পৰাকৈ আগন্তুক প্ৰজন্ম যাতে সচেতন হয়। মহাবিদ্যালয়ৰ বিভাগীয় কৰ্তৃপক্ষই এই বিভাগটোৰ প্ৰতি বিশেষ মনোযোগৰ লগতে সকলো ছাত্ৰ-ছাত্ৰীক যাতে এই বিভাগটোত উৎসাহিত কৰে।

মোৰ কাৰ্য্যকালৰ প্ৰতিটো ক্ষেত্ৰতে সহায় সহযোগ তথা দিহা পৰামৰ্শৰে পৰিপুষ্টি সাধন কৰা মাননীয় উপদেষ্টা শ্ৰী যুত পৰশ গোস্বামী চাৰক এইখিনিতে মোৰ আন্তৰিক সশ্ৰদ্ধা লগতে কৃতজ্ঞতা জনালো। বন্ধু-দাদা শ্ৰী প্ৰণৱ শইকীয়া, বন্ধুবৰ শ্ৰী ৰাজীৱ ভূএগ্ৰা, শ্ৰী শান্তনু বৰুৱা, শ্যমন্ত কাকতি, ভাতৃপ্ৰতিম চিদানন্দ আৰু সমূহ শুভাকাংখী সকললৈ মোৰ কৃতজ্ঞতা জনালো।

সৰ্বশেষত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ক মোৰ সশ্ৰদ্ধা জনালো। মোৰ কাৰ্য্যকালৰ সকলো ক্ষেত্ৰতে চাৰৰ উপস্থিতি, দিহা পৰামৰ্শই মোক কিমান কৃতাৰ্থ কৰিলে তাক দোহৰাৰ প্ৰয়োজন বোধ নকৰো। মুঠৰ ওপৰত চাৰৰ এই মহানুভৱতা মোৰ অন্তৰত চিৰশাশ্বত হৈ থাকিব।

কাৰ্য্যকালৰ ভিতৰত তেখেতৰ ওচৰত মোৰ হয়তো কেতিয়াবা অজানিতে ভুল হৈছে তাৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীৰ তৰ্ক ও আলোচনা বিভাগৰ উন্নতি কামনা কৰি সম্পাদকৰ প্ৰতিবেদন সামৰিলো। "জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।

**শ্ৰীলোহিত কুমাৰ দাস**
*সম্পাদক,* "তৰ্ক ও আলোচনা চক্ৰ বিভাগ"
১৯৯৩-৯৪ চন।

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনিতে বিভিন্ন সময়ত অসমৰ জলন্ত সমস্যা ৰাজিৰ উত্থাপন কৰিবলৈ গৈ প্ৰতিবাদ সাব্যস্ত কৰোতে যি সকলে অমূল্য জীৱন আত্মহুতি দিলে সেই মহান শ্বহীদ সকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পন কৰিলো।

এশ এবুৰি সমস্যাৰাজিৰ জৰ্জৰিত আৰু নিচেই চালুকীয়া অৱস্থাত থকা এই মহাবিদ্যালয়খনিৰ এই সাংস্কৃতিক সম্পাদক হিচাবে ছাত্ৰ-ছাত্ৰী বন্ধু বৰ্গৰ সহযোগত অধ্যক্ষ মহোদয়ে এই গুৰু দায়িত্ব অৰ্পন কৰিলে। সেই ছাত্ৰ-ছাত্ৰীসকল আৰু অধ্যক্ষ মহোদয়ৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সাংস্কৃতিক সম্পাদক হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰি কাৰ্য্যক্ষেত্ৰত কিমান খিনি সফলতা বিফলতা অৰ্জন কৰিলো সেয়া আপোনালোকৰ বিচাৰ্য্য। এই মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে আগবাঢ়িবলৈ পায় সচাকৈয়ে মই নিজে সীমাহীন আনন্দ লভিছো, আৰু এই গুৰুত্বপূৰ্ণ দায়িত্বভাৰ গ্ৰহণ কৰি কাৰ্য্যত ৰূপ দিওতে যিমানখিনি ভুল ত্ৰুটি হৈছিল তাৰ বাবে আগতিয়াকৈ ক্ষমা বিচাৰিলো।

সাংস্কৃতিক সম্পাদক হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত "মহাবিদ্যালয় সপ্তাহ" খুউব উলহমালহেৰে পতা হৈছিল। আনন্দৰ বিষয় যে মহাবিদ্যালয় সপ্তাহত বিভিন্ন দিশৰ প্ৰতিযোগিতাসমূহ তথা কাৰ্য্যসূচী সমূহ ছাত্ৰ-ছাত্ৰী সকলৰ সক্ৰিয় সহযোগীতাৰে সফল কৰি তোলাত মোক অশেষ উৎসাহ যোগাইছিল।

আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশত অভাৱ উল্লেখনীয়। মোৰ কাৰ্য্যকালত বহুতখিনি কৰা হৈছিল আৰু বাকী থকা বিলাক পিছৰ সম্পাদকে যাতে সম্পূৰ্ণ কৰি তোলে তাৰ বাবে অনুৰোধ থাকিল। মোৰ কাৰ্য্যকালত বিভিন্ন দিশত উপদেশ আগবঢ়োৱা সাংস্কৃতিক বিভাগৰ উপদেষ্টা শ্ৰীযুত নাৰায়ন চন্দ্ৰ গগৈ লগতে শ্ৰীযুত লীলা বৰা, শ্ৰীযুক্তা এমিজ বেগম বৰভূএগ্ৰা, শ্ৰী ৰমেশ কাকতি, বিদ্যুৎ চুতিয়া দেৱৰ ওচৰত মই চিৰ ঋনী হৈ থাকিম। লগতে মোক সহায় সহযোগ আগবঢ়োৱা ছাত্ৰছাত্ৰী বন্ধু বান্ধৱী সৰ্বশ্ৰী ধন হাজৰীকা, সত্যনাথ শইকীয়া, দূল, প্ৰণৱ শইকীয়া, ৰাজীৱ ভুএগ্ৰা, চিদা দত্ত, স্যমন্ত কাকতি, কৰিতা কাকতি আৰু কাকলিলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্য্যকালত জ্ঞানেৰে জানিত বা অজানিতে ভুল ভ্ৰান্তি কৰিছিলো তাৰ বাবে সমূহ ছাত্ৰ ছাত্ৰী তথা বিভাগীয় তত্ত্বাবধায়কৰ ওচৰত মই ক্ষমা প্ৰাৰ্থনা বিচাৰি আজিলৈ মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয় আই অসম।

**শ্ৰীচম্পক মহন্ত**
*সম্পাদক,* সাংস্কৃতিক বিভাগ
জয়তু ল: তে: ক: মহাবিদ্যালয়।

# ঃ সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ ১৯৯৪

প্ৰতিবেদনৰ বাটচ'ৰাতে প্ৰণিপাত জনাইছো যি সকলে অসম মাতৃৰ ৰক্ষাৰ কাৰণে বিভিন্ন সময়তে নিজকে উছৰ্গা কৰিলে আৰু যি সকলে চিৰদিনৰ বাবে নিৰ্য্যাতিত হল। লগতে আমাৰ মহাবিদ্যালয়ৰ লগতে জড়িত যি সকল ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰীয়ে চিৰ দিনৰ বাবে আমাৰ মাজৰ পৰা হেৰাই গ'ল সেই সকলৰ লগতে জ্ঞাত অজ্ঞাত সকলো, এই জগতৰ পৰা বিদায় লোৱা বৰেণ্য ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি যাচিলো।

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন হিচাপে লিখিবলৈ আৰম্ভ কৰাৰ আগতেই মহাবিদ্যালয়ৰ যি সকল ছাত্ৰ- ছাত্ৰীয়ে এই অভাজনক বিগত বছৰটোৰ বাবে (১৯৯৩-৯৪) লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা সম্পাদক পদত নিৰ্বাচিত কৰি মহাবিদ্যালয় খনিক ক্ষুদ্ৰ মান সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো । নিৰ্বাচনৰ পাছতেই কাৰ্য্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয় সপ্তাহত সমাজ সেৱা বিভাগৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল । এই ক্ষেত্ৰত মই বিশেষ ধৰণে, সহায় সহযোগ পাইছিলো অধ্যাপক ক্ৰমে শ্ৰী যুত লীলা বৰা, হামিদুৰ ৰহমান, বিদ্যুৎ দুৱৰা আৰু ৰমেশ কাকতীৰ পৰা । গতিকে এই সকল শিক্ষা গুৰুলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। লঃ তেঃ কঃ মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মই দুআষাৰ লিখিবলৈ বাধ্য যে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ সময়ত সমাজ সেৱা বিভাগৰ (আচ-বাবৰ ক্ষেত্ৰত) অৱস্থা একেবাৰে শোচনীয় আছিল । মই এবছৰীয়া কাৰ্য্যকালত সমাজ সেৱা সম্পাদক হিচাপে ছাত্ৰ-ছাত্ৰীৰ আশানুৰূপভাৱে যিমান কাম সফল ভাবে ৰূপায়িত কৰিম বুলি আগবাঢ়িছিলো; কিন্তু সেইয়া হৈ নুঠিল কেৱল সমাজ সেৱা বিভাগটোৰ শোচনীয় অৱস্থাৰ বাবে । মোৰ এই কাৰ্য্য কালত সমাজ সেৱা কিমান দূৰ সম্পাদক হিচাপে সফল হব পাৰিলো বা নোৱাৰিলো এইটো ছাত্ৰ-ছাত্ৰী সকলৰ বিচাৰ্য্যৰ বিষয় । মোৰ কাৰ্য্যকালত এটি প্ৰতিযোগিতা, এখন ফুলৰ বাগিছা, আৰু মিন্টু ফুকন পথটিত বৃক্ষ ৰোপন কৰা হৈছিল । এই ক্ষেত্ৰত মোক বিশেষভাবে সহায় কৰিছিল অধ্যক্ষ শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোঁহাই আৰু অধ্যাপক শ্ৰীযুত লীলা বৰা।

এবছৰীয়া কাৰ্য্যকালত মই মোৰ দৃষ্টি ভঙ্গীৰ পৰা কেইটামান কথা কবলৈ বাধ্য হৈছো । মই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছত সমাজ সেৱা বিভাগৰ কিছু বয় বস্তু আছে বুলি জানিব পাৰিছিলো । কিন্তু কাৰ্য্য কালৰ শেষ মুহূৰ্ত্তলৈকে কিনো বস্তু আছিল তাক মই দেখা নাপালো । কিন্তু বস্তুবোৰ কি হ'ল কলৈ গ'ল তাৰ কোনো সন্ধান পোৱা নহ'ল। সেয়া আছিল কলেজ কৰ্তৃপক্ষৰ অৱহেলা আৰু আত্মস্যাৎমূলক মনোভাৱৰ ফলত সমাজ সেৱা বিভাগে বছৰি বস্তুবোৰ ক্ৰয় কৰিলেও নাইকিয়া হৈ যায় । এইটো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ বাবে অতি দুৰ্ভাগ্যজনক । মোৰ কাৰ্য্যকালত আহি পৰা আন এটা উল্লেখনীয়া দিশ হ'ল অসম সাহিত্য সভাৰ (ভাৰপ্ৰাপ্ত)সভাপতি শ্ৰী যুত বিশ্ব বৰুৱাৰ শুভ আগমন । মাননীয় কৰ্মশ্ৰী শ্ৰীযুত হিতেশ্বৰ শইকীয়া (মূখ্য মন্ত্ৰী অসম) আৰু শিক্ষা মন্ত্ৰী শ্ৰীযুত গোলক ৰাজবংশী । এইসকল মান্যবৰ ব্যক্তিলৈ অশেষ শ্ৰদ্ধা জ্ঞাপন কৰিছো।

**কৃতজ্ঞতা স্বীকাৰ ঃ-** মোৰ কাৰ্য্যকালত মোক বিভিন্ন কামত সহায় কৰি অহা আৰু নানা গঠন মূলক পৰামৰ্শ দিয়াৰ বাবে অধ্যক্ষ শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোঁহাই বিভাগীয় উপদেষ্টা শ্ৰী যুত লীলা বৰা সাঃ সম্পাদক শ্ৰীমান পণৱ শইকীয়া লগতে বন্ধু বান্ধৱী শ্ৰীমান জগত দত্ত, দীপক বৰা, হৰি প্ৰসাদ বৰা, অতুল বৰাক, আৰু ল: তে:ক: মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত এই প্ৰতিবেদনত অজ্ঞাতে হৈ যোৱা ভূল ক্ৰটি আৰু দুখৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা কৰি লঃ তেঃ কঃ মহাবিদ্যালয়ৰ উন্নতি কমনা কৰি প্ৰতিবেদন সামৰিলো ।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ।

ধন্যবাদেৰে—

**শ্ৰীহেম চন্দ্ৰ বৰা**

*সমাজ সেৱা সম্পাদক,*

ছাত্ৰ একতা সভা লঃ তেঃ কঃ মঃ

# ।। ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন।।

প্ৰতিবেদনৰ আৰম্ভনিতে ল: তে: ক: মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ৰ প্ৰমূখ্যে অধ্যাপক অধ্যাপিকা সকললৈ লগতে যি সকল বন্ধু বান্ধবীৰ বিপুল ভোটত জয় লাভ কৰি ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা পদৰ এই মহান দায়িত্ব পালন কৰিবলৈ সুবিধা পালো সেই সকল বন্ধুবান্ধৱীক মোৰ প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে আন্তৰিক কৃতজ্ঞতা ও ধন্যবাদ জ্ঞাপন কৰিলো।

লঃ তেঃ কঃ মহাবিদ্যালয়ৰ সম্পাদিকা হিচাবে আজি প্ৰতিবেদন লিখিবলৈ পোৱাত মই নিজকে সৌভাগ্যবান বুলি ভাৱিছো। সম্পাদিকাৰ দায়িত্ব ভাৰ গ্ৰহণ কৰি আপোনালোকক কিমান দূৰ সুযোগ সুবিধা দিব পাৰিলো সেইয়া আপোলোকৰ বিচাৰ্য্য বিষয় । অৱশ্যে মই মোৰ কৰ্তব্যত কোনোদিনেই অৱহেলা কৰা নাছিলো । আমাৰ ছাত্ৰী সকলৰ অভাৱ বহুতো। কিন্তু সেই সকলো অভাৱ পূৰণ কৰা সম্ভৱ নহয় । কাৰণ বিভাগীয় পুঁজিৰ পৰিমাণ তেনেই সীমিত । মহাবিদ্যালয়ৰ বৰ্দ্ধিত ছাত্ৰীৰ অনুপাতে অধ্যক্ষ মহোদয়ক বহুবাৰ আবেদন কৰি জিৰণি কোঠাতো ডাঙৰ আহল বহল কৰা হল ।

মই দায়িত্ব বহন কৰা আগমুহূৰ্ত্তলৈকে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাত কোনো এটা খেলাৰ সামগ্ৰী পোৱা নাছিল। তথাপি মোৰ কাৰ্য্য কালত জিৰণি কোঠালৈ এখন কেৰমবৰ্ড, দুখন চেচ্‌বৰ্ড ২ খন চাইনিচ্ চেগাৰ আৰু দুখন লডুৰ যোগান ধৰিলো। লগতে ১টা পানীখোৱা ফিল্টাৰ, জিৰণি কোঠাত ১খন পৰ্দা, গৰমৰ দিনত বিজুলী বিচনীৰ অভাৱে ছাত্ৰী সকলক জিৰণি কোঠাত জিৰণি লোৱাত বাধা জন্মায়। অধ্যক্ষ মহোদয়ে যেন এই বিষয়ে অলপ চিন্তা কৰে তাৰ বাবে প্ৰতিবেদনৰ জৰিয়তে অনুৰোধ জনালো ।

গৌৰৱেৰে কব পাৰো মোৰ কাৰ্য্যকালৰ ভিতৰত বহুতো দিশত জিৰণি কোঠাৰ কাৰ্য্যত উন্নতি পথত আগবাঢ়িছো। মোৰ বিভাগৰ উপদেষ্টা সোনেশ্বৰী বাইদেউ তথা বন্ধু প্ৰণৱৰ সহযোগত । গতিকে মোৰ পাছৰ গৰাকী সম্পাদিকাই যেন বাকী থকা অভাব তথা প্ৰয়োজনীয় বস্তু সমূহৰ যোগান ধৰিবলৈ অধ্যক্ষ মহোদয়ক টানি অনুৰোধ জনায় ।

১৯৯৩-৯৪ চনত ছাত্ৰী জিৰণি কোঠাত মই যিমান দূৰ পাৰো ছাত্ৰী সকলক বিভিন্ন বাতৰি কাকত, আলোচনীৰ যোগান ধৰি আহিছো । লগতে বাৰ্ষিক সপ্তাহত টেবুল ক্লথত ফুল কৰা আৰু প্লাষ্টিক ফুলদানী বনাই সজোৱাৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা সুবিধা দিছিলো । যি সকলে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি পাৰদৰ্শিতা দেখুৱায় তেওঁলোকক প্ৰতিবেদনৰ জৰিয়তে উজ্জ্বল ভৱিষ্যত কামনা কৰিলো । জিৰণি কোঠাত খেলা সামগ্ৰীৰ জৰিয়তে সেইসকল ছাত্ৰীয়ে মহাবিদ্যালয়ৰ সু-নাম অক্ষুণ্ণ ৰাখে তাৰ কামনা কৰিলো মোৰ কাৰ্য্যকালতে মহাবিদ্যালয়লৈ ২খন চাহ দিয়া ট্ৰে আৰু ৪ টা ফুলদানী অধ্যক্ষ মহোদয়ৰ কোঠালৈ যোগান ধৰিছিলো ।

শেষত মোৰ কাৰ্য্যকালত সহযোগ তথা দিহা পৰামৰ্শ দিয়া শ্ৰদ্ধাৰ অধ্যাপক মাননীয় শ্ৰীযুত নাৰায়ন গগৈ চাৰ, মঃ হামিদুৰ ৰহমান চাৰ আৰু বিভাগীয় উপদেষ্টা শ্ৰীযুক্তা সোনেশ্বৰী বাইদেউৰ ওচৰত মই চিৰ কৃতজ্ঞ, লগতে মোক সকলো প্ৰকাৰে সহায় সহযোগ কৰি অহা আৰু নানা কাৰ্য্যত পৰামৰ্শ দিয়াৰ বাবে বন্ধু বান্ধৱী সৰ্ব্বশ্ৰী অনিমা, নিজৰা, নিৰদা, কৰবী, পদুম, অনু, মহেন্দ্ৰ, জীৱণ, প্ৰণৱ, চিদা আৰু মহাবিদ্যালয়ৰ ৪ৰ্থ বৰ্গ কৰ্মচাৰী বিভু দাদাক তথা মনত নপৰা বহুজনক প্ৰতিবেদনৰ সুযোগতে অশেষ ধন্যবাদৰ লগতে কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো ।

সদৌ শেষত দুখেৰে কব বিছাৰো যে মই কিমান আশা আৰু সাহস বুকুত বান্ধি জিৰণি কোঠাতো বহুতো উন্নত কৰাৰ মানসেৰে আপোনালোকৰ বিপুল ভোটত জয়লাভ কৰিছিলো । হয়তো সিমানখিনি কাৰ্য্যত উপনীত হব নোৱাৰিলো, তাৰ বাবে দুখিত ।

অৱশেষত প্ৰতিবেদনৰ জৰিয়তে ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা পদৰ কাৰ্য্য পৰিচালনা কৰোতে মোৰ অজ্ঞাতে যদি কেতিয়াবা কিবা ভুল হৈছিল তাৰ বাবে শিক্ষাগুৰু তথা বন্ধু বান্ধৱী সকলোৰে ওচৰত ক্ষমা বিচাৰি সম্পাদিকাৰ প্ৰতিবেদন সামৰণি মাৰিলো ।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয় ।

জয়তু লঃ তেঃ ক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ।

বিনীত

**শ্ৰীমতী পবিত্ৰী বৰগোহাঁই**

*ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা*

লঃ তেঃ ক মহাবিদ্যালয়, ১৯৯৩-৯৪ চন

# ENGLISH SECTION

# POLLUTION

By Ranjan Kumar
Department of Zoology

Pollution today has become a by-word, found on the lips of every one. But really speaking, this pollution is not something new; it has been in the human society and environment from the beginning of creation. But it didn't attract the attention of the people as much as it has done since the 70's of the present century. Pollution means making some thing dirty.It may be land, water or atmosphere. Dust, storms, smoke and death of living beings have been causing pollution. But nature has such agents like rain, scavengers and others which counteract the effects of pollution. The balance is maintained. There was some talk of pollution during the 14th century and during the Napoleonic war when burning of coal polluted the atmosphere. But it was simply a natural phenomenon. It did not cause raising of eyebrows.

The main thing of great concern today is not pollution but superpollution. This super-pollution implies a particular state when the whole nature is dumped with too much of pollutan's and the agents of nature fail to control these pollutants. The whole system of nature breaks down and this leads to ecological imbalance and ecological catastrophe. Certain parts of North America have turned into desert where no blade of grass grows and a dead animal remains rotting for months together. This is all because of super pollution.

This super-pollution can be studied by classifying it into different categories. They are land pollution, water pollution and air pollution. The land pollution is caused mainly by heavy industries and chemical factories. Their was age mostly poisionous in nature is dumped either on the ground or under the ground. These remain rotting for years, affecting the very texture and fertility of the soil. Plastic materials and certain chemicals remain under the soil for centuries also. Besides, these industries, the developed means of agriculture have added to this land pollution. Too much use of pesticides and insecticides and chemical fertilizer has affected the soil very much. D.D.T., strontium and some such chemicals have been put on or in the soil. It is not only land that is affected, it has created a great health hazard because we have been taking these chemicals in microunits through vegetables and other eatables. Nuclear experiments made under the ground and atomic explosions made in the atmosphere have affected the whole land by atomic fall out. Burning of oil wells in Kuwait affected the vegetation of India, though for sometime only. Everyday new industries are coming adding to land pollution. Ditches and field have been paved, which formerly could confine pollution to themselves. These pollutants in one form or the other have affected the human health adversely. These are some of the polluting metals and their effects on man.

| Metal | Pathological effects on man |
|---|---|
| 1. Mercury | Abdominal pain, headache, diarrhoea |
| 2. Lead | Anaemia, Vomiting, Loss of Appetite. |
| 3. Zinc | Vomiting, renal damage, cramps |
| 4. Copper | Hypertension, Urenia, coma |
| 5. Arsenic | Kidney damage, mental disturbance ulcers ingastrointestional tract. |
| 6. Cobalt | Diarrhoea, Low blood pressure, Lung irritation bone deformities and paralysis. |

The second pollution much talk of today is

water pollution. The whole sewage of the towns is dumped into rivers. The animals and bacteria try to disinfect and purify to some extent. But there is so much dirt and fifth in the water that the whole system fails and water animals get affected. Industries also have polluted the water of rivers beyond cure. Liquid chemical wastage is thrown into the flowing rivers which kill bacteria and other water animals. The best example is the Damoder river whose water has been completely contaminated, unfit for drinking. Dead bodies thrown into the river may pollute to some distance only, but the industrial wastage and chemicals contaminate the river for ever. From those fish and other food items procured from water people can simply inherit diseases. These are some example of industrial and agricultural pollutants discharged annually into the world's ocean.

| Pollutants | Estimated annual discharge 1970-75 (in metrictons) | Source |
|---|---|---|
| 1. Petroleum and Industrial hydrocarbons | 3,405,000 | off shore wells oil tank-ers, indus trial wastes |
| 2. Hydro-carbons (air borne) | 15,000,000 | Vehicles, industries Power plants |
| 3. Air borne lead | 350,000 | Vehicles |
| 4. D.D.T. | 25,000 | Agriculture and Public health opera tions |

The last pollution is the atmospheric pollution. Factories have been belching tons of smoke making the whole atmosphere polluted. Four wheelers in towns and cities have made the towns full of carbon dioxide ($CO_2$) & Carbon monoxide (CO) making Oxygen rarer. A traffic police in Japan has to inhale pure oxygen after some intervals. Perhaps a time will come when we shall have to carry Oxygen cylinders on our backs to survive on this earth. The cutting of Jungles has affected the whole atmosphere. Too much burning has led to increase in the heat of the earth.

But more than this is the atmospheric pollution caused by the explosion of atomic weapons in the atmosphere. This affects not a particular area but the whole world. There is no nuclear umbrella to countract this effect. Hiroshima and Nagashaki are two examples where children are born deaf, dumb and blind. The atomic radiation from the scattered atoms cannot be controlled and we know the average life of such an atom is thousand years.

There is one more type of pollution called noise pollution. There is so much noise in towns and cities and factory areas that it has affected the human health very much. The human ear and mind can tolerate only upto a certain decitel of sound. If the intensity increases it will cause deafness, madness and some times death also. Inspite of Instructions, Vehicles and Factories don't pay head to these warnings.

The recent pollution has pused a threat to the whole world. Too much pollution in different fields has affected the ozon layer. This ozon layer has been serving as an umbrella to save the world from cosmic radiation. But in the recent past it is found the ozon layers are getting thiner and thiner posing a greater danger. There is no way to repair the ozon layer. If the scientists and the pepole continue polluting the world this way, it is difficult to say how long the world will survive.

After the 70's many international seminars have been organised. The pollution has posed such a threat that the meetings and seminars have been held even at the village level. This shows consciousness of the people about the problem. Most of the world governments have taken up the projects of cleaning the rivers and use of afforestation to get rid of land pollution. Laws have been made to curb pollution caused by factories.But nothing has been done to control pollution which is going to affect the whole world. One more step, it will lead to death. One stepless, there is all life. We have to see what is in store for the humanity.

~~~
~~~

# INSPIRATION

**SHRI PROBIN GOGOI**
*T.D.C. 2nd year.*

You have entered the sacred corner
of my heart by reciprocating affection.
So, I want your tidings
Among my sea of afflication.
Even I can not imagine to subsist a moment
Without your encouragement.
I abandon all my struggle of life
without your serious love.
Your sweet words inspire me
to defeat all my soul and source of happiness
I desire your share in my weal and woes.
Your inspiration in my calamity,
I think, is absolutely necessary.

~~~
~~~

বেটুপাতৰ ভাষাৰে ঃ

জ্যোতিৰ উৎস
হে আদিত্য
মেঘাচ্ছন্ন আকাশ ফালি
আগবঢ়াই দিয়া
তোমাৰ দুহাতৰ
তিমিৰনাশী ৰং
হাজাৰজনৰ অসম্পূর্ণক
কৰিবলে পূৰ।